
সোণাৰি মহাবিদ্যালয় বাৰ্ষিক মুখপত্ৰ

# সোণালী

২০০০-২০০১ বৰ্ষ



# সোণালী

## সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখ-পত্ৰ

## ২০০০-২০০১ বৰ্ষ

সোণাৰি মহাবিদ্যালয়

তেজস্বি: নাবধীতমস্তু

SONARI COLLEGE

শ্ৰদ্ধা আৰু আন্তৰিকতাৰে

........................................................

........................................................ৰ হাতত নিবেদিলোঁ।

**SONALI** : Annual issue, Sonari College Magazine, Edited by Pranjal Gogoi & published by Sonari College Student Union, for the session 2000-2001, Sonari.

## সোণালী সম্পাদনা সমিতি

উপদেষ্টা মণ্ডলী : শ্ৰীযুত বিনন্দ মহন, প্ৰৱক্তা সোণাৰি মহাবিদ্যালয়, অসমীয়া বিভাগ।

শ্ৰীযুতা দীপাঞ্জলী গগৈ, প্ৰৱক্তা সোণাৰি মহাবিদ্যালয়, ইংৰাজী বিভাগ ।

সম্পাদক : শ্ৰী প্ৰাঞ্জল গগৈ

সদস্যবৃন্দ : শ্ৰী নৰ ফুকন
শ্ৰী ৰাজীৱ ফুকন
শ্ৰী দ্বীপজ্যোতি দিহিঙ্গীয়া
শ্ৰী নিহাৰজ্যোতি সোনোৱাল
শ্ৰী ডম্বিধৰ টায়ে
শ্ৰী দেৱজিৎ বৰুৱা

অংগ সজ্জা ও পৰিকল্পনা : সম্পাদক সোণালী।

বেটুপাত অংকন : শ্ৰীযুত পৰানণ কোঁৱৰ, প্ৰৱক্তা সোণাৰি মহাবিদ্যালয়, অৰ্থনীতি বিভাগ।

মুদ্ৰন : ইষ্টাৰ্ণ প্ৰিণ্টাৰ্চ, সোণাৰি।

# উছৰ্গা

যি সকল ব্যক্তিৰ ত্যাগ আৰু
আপ্ৰাণ্ডখীয়া প্ৰচেষ্টাৰ ফলত
সোণাৰি মহাবিদ্যালয়খনে ৰূপালী
জয়ন্তী বৰ্ষ গচকি আহি এই
পৰ্য্যায়ত ভৰি দিলেহি সেই সকল
মহানুভৱৰ পৱিত্ৰ চৰণত সোণাৰি
মহাবিদ্যালয়ৰ মুখপত্ৰ 'সোণালী'ৰ
এই সংখ্যাটি উছৰ্গা কৰিলোঁ।

# ঃ তেজস্বি নাৱধীতমস্তু ঃ

কাষত মহাবিদ্যালয়ৰ প্ৰতীকটি প্ৰদৰ্শন কৰা হৈছে প্ৰতীকটিত উল্লেখিত সংস্কৃত বাক্যটি তৈত্তিৰীয়োপনিষদ পৰা উদ্ধৃত। 'তেজস্বি নাৱধীতমস্তু' (তেজস্বি নৌ অধীতম্ অস্তু) ৰ অৰ্থ আমাৰ দুয়োৰে (ছাত্ৰ- অধ্যাপক) অধ্যয়ন আৰু অধীত বিষয় সমূহ উজ্বল হওক।

উক্ত উপনিষদৰ ব্ৰহ্মবল্লী অধ্যায়ৰ প্ৰথম অনুবাক্যৰ আৰম্ভতে এটি মঙ্গলাচৰণ আছে। তাত অধ্যয়ন আৰম্ভ কৰাৰ আগতেই শিষ্য আৰু আচাৰ্য্য উভয়ে এইদৰে প্ৰাৰ্থনা কৰিছে-"শং নো মিত্ৰঃ শং বৰুণঃ... ঋতং ৱদিষ্যামি। সত্যং ৱদিষ্যামি। তন্মা মৱতু। ... সহ নাৱৱতু। সহ নৌ ভুনক্তু। সহ বীৰ্যং কৰৱাৱহৈ। তেজস্বি নাৱধীতমস্তু। মা ৱিদ্বিষাৱহৈ। ওঁ শান্তিঃ শান্তিঃ শান্তিঃ ॥" ইয়াৰ অৰ্থ মিত্ৰ বা সূৰ্য্য আমাৰ প্ৰতি মঙ্গলদায়ক হওঁক।বৰুণ আমাৰ প্ৰতি মঙ্গলদায়ক হওঁক।...যিটো চিৰন্তন তাকহে কম। যিটো সত্য তাকহে কম। সি মোক ৰক্ষা কৰক। ....... আমাৰ উভয়কে পালন কৰক। আমাৰ দুয়োকে আহাৰ দিয়ক। আমি দুয়ো একেলগে বিদ্যা উপাৰ্জনৰ কাৰণে প্ৰয়োজনীয় বীৰ্য্য বা শক্তি লাভ কৰিবলৈ যত্ন কৰোহঁক। আমাৰ দুজনৰ অধ্যয়ন আৰু অধীনত বিষয় সমূহ তেজস্বি অৰ্থাৎ উজ্বল্য যুক্ত হওঁক। আমি যেন পৰস্পৰে বিদ্বেষ নকৰো। ওঁ শান্তিঃ শান্তিঃ শান্তিঃ। শঙ্কৰাচাৰ্য্যৰ ব্যাখ্যাত আছে---"তেজস্বি নাৱৱয়োস্তেজস্বিনোধীতং স্বধীতমস্তু। আৱয়োঃ— আমাৰ দুজনৰ অধীতম্- - অধীত বিষয়, তেজস্বি— স্বধীতম্ (সু+অধীতম্), অস্তু।

এই বাক্যৰ তাৎপৰ্য্য হ'ল— অধ্যয়নৰ প্ৰথম অৱস্থাতেই এটি সজ উদ্দেশ্যৰ প্ৰতি সঙ্কল্প গ্ৰহণ। এই অধ্যয়ন যাতে তেজঃযুক্ত,উজ্বল, বুদ্ধিদীপ্ত আৰু জ্ঞানৰ আলোকেৰে উদ্ভাসিত হয়— আঁৰ নথকা হয়। এই অধ্যয়ন যাতে সকলোৰে কল্যাণ কাৰক হয়, তাৰ কাৰণে কেৱল ছাত্ৰ সকলৰে নহয়—ছাত্ৰ-অধ্যাপক উভয় সমাজৰে সঙ্কল্প গ্ৰহণ। ইয়াত ছাত্ৰ আৰু অধ্যাপক ঘনিষ্ঠতৰ সম্বন্ধৰ ইঙ্গিত দিয়া হৈছে আৰু সেই আদৰ্শ দাঙি ধৰা হৈছে। এই মহাবিদ্যালয়ৰ ছাত্ৰ-অধ্যাপক সকলো মিলি এখনি বিশেষ সমাজ—এটি বিশেষ পৰিয়াল—আগত এটা স্থিৰ লক্ষ্য— আমাৰ অধ্যয়ন জ্ঞান গৌৰৱৰ আলোকেৰে, উজ্বলতাৰে উদ্ভাসিত হৈ উঠক।

প্ৰতীকৰ বাবে উক্ত বাক্যটি নিৰ্ব্বাচন কৰি দিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক ডঃ মুকুন্দ মাধৱ শৰ্মা,এম-এ, পি-এইচ-ডি, ডি-লিট্ (কলি), কাব্যতীৰ্থ দেৱে আৰু প্ৰতীকটি আঁকি দিছে চিত্ৰশিল্পী শ্ৰী শৰৎ বৰুৱাদেৱে। দুয়োলৈকে আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল।□□

# MESSEGE


**VICE-CHANCELLOR** **DIBRUGARH UNIVERSITY**

*Prof. Devdas Kakati*

*Dibrugarh, Pin- 786004 (Assam)*

70239(O)
23557(R)
Fax (0373) 70323


**NO. DU/VC/2001/220**

Date. 20-03-2001

*To,*

*Shri Pranjal Gogoi*
*Magazine Secretary.*
*Sonari College Students' Union.*

*Dear Shri Gogoi,*

*I am very happy to learn that you are going to bring out the annual issue of your college magazine. A College Magazine gives lot of scope for creative activities amongst the students as well as the faculty members. I am sure you would have received enthusiastic co-operation from all concerned in this endeavour. I extend my good wishes to the teachers, students and staff of your college and hope the magazine would be a great success.*

Yours sincerely, 1-3-02

(Prof. Devdas Kakati)
Vice-Chancellor

# সোণালীৰ এই সংখ্যাটিৰ উপচাৰ


**চিন্তা শিল্প**

ডাৰউইনৰ প্ৰাকৃতিক .... ---------- ১
-ড০ জ্যোতিমা ফুকন
গণশিল্পী হেমাঙ্গ বিশ্বাস...... ---------- ৪
নৱ ফুকন
শৈক্ষিক পৰিৱেশ আৰু...... ---------- ১০
বেবীছায়া পাতিৰি
বায়নৰ খোল নাটৰ ওপৰত...... ---------- ১৪
মিনাক্ষী কটকী
স্কুল কলেজত ইউনিৰ্ফমৰ ...... ---------- ২০
অমলা গগৈ
বৰ্তমানৰ উশৃঙ্খল যুৱ..... ---------- ৩২
মৌচুমী সোনোৱাল
বিকাৰগ্ৰস্থ যুৱ মানসিকতা...... ---------- ৩৪
প্ৰশান্ত ৰাজখোৱা
চাহ জনগোষ্ঠীৰ সমাজ........ ---------- ৩৬
মিন্টু তাঁতী
সমাজ পৰিৱৰ্তনত..... ---------- ৩৯
পূৰ্ণকান্ত কোঁৱৰ
বনগীতত বুৰঞ্জীৰ ..... ---------- ৪৮
জয়ন্ত গগৈ
মিচিং সমাজৰ পঃৰাগ.... ---------- ৫৫
ৰনুজ টায়ে
পথৰুৱা ঘাটৰ সোণালী.... ---------- ৬২
মঃ ইৰছাদ আলি
Defect in our present.... ---------- ৬৪
Nabiur Rohman Borah
Mistakes and failur.... ---------- ৬৭
Mamta Jain

**বুৰঞ্জীৰ পম খেদি**

অসমীয়া জাতিৰ স্ৰষ্টা..... ---------- ২২
ৰাজেন চেতিয়া

**কথা শিল্প**

দূৰভাষত দৈনন্দিন ---------- ৭
বীতা দত্ত বুঢ়াগোঁহাই
ছাঁ আৰু পোহৰৰ.... ---------- ১৭
জ্যোতি প্ৰসাদ ফুকন
তুমি আহিবা সেই... ---------- ৩০
নিহাৰজ্যোতি সোনোৱাল
৪২ ৰ বিপ্লৱত... ---------- ৪১
তপন তাঁতী
পৰাণলৈ এখন চিঠি ---------- ৫৯

**একমিনিটৰ গল্প**

চুপাৰ ছিক্স ---------- ২৯
যুগল চেতিয়া
প্ৰেমৰ গল্প ---------- ৪৬
নিজুমণি চাংমাই

**মনস্তাত্ত্বিক গল্প**

যোগ্যতা ---------- ২৪
হীৰেণ কোঁৱৰ

**স্মৃতি ৰোমন্থন**

সেই ৰঙীন দিনবোৰ ---------- ৫৭
বিজয়লক্ষ্মী গগৈ

**কবিতা কুঞ্জ**

কলম ---------- ২১
বিতুল বুঢ়াগোহাঁই
সময়ৰ আহ্বান ---------- ৩৫
মৌচুমী গগৈ
মোৰ কবিতা ---------- ৭০
কৱৰী ৰাজকুমাৰী
দুখৰ ৰাতিবোৰ ---------- ৭১
অনুভৱ কুমাৰ
পৰিচয় ---------- ৭১
পূৰ্ণানন্দ ৰাজকোঁৱৰ
কবিতাৰ এবুকু.... ---------- ৭২
বিন্দু টায়ে
সমাধিস্থলত এটি.... ---------- ৭২
শিখাজ্যোতি বড়া
তোমাক মই..... ---------- ৭৩
নৱজ্যোতি বৰগোঁহাই
এজাক বৰষুণৰ দৰে ---------- ৭৩
জ্যোতি প্ৰসাদ চাবুকধৰা
এটা কবিতাৰ...... ---------- ৭৪
সুৰভি ফুকন
তোমালৈ ---------- ৭৫
জিৎ বৰগোহাঁই
Truth ---------- ৬৩
Santab Dey
My Childhood ---------- ৭৫
Mamta Jain
Life ---------- ৭৫
Jibonjyoti Hazarika
মহৎলোকৰ বাণী



## সম্পাদনা সমিতি



শ্ৰীযুতা দীপাঞ্জলী গগৈ
উপদেষ্টা



শ্ৰী প্ৰাঞ্জল গগৈ
সম্পাদক



শ্ৰী নৱ ফুকন, সদস্য



শ্ৰী ৰাজীৱ ফুকন




শ্ৰী দ্বীপজ্যোতি দিহিঙ্গীয়া

সোণাৰি মহাবিদ্যালয়

तेजस्वि: नावधीतमस्तु

SONARI COLLEGE



সোণাৰি মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ মহোদয় তথা 'সোণালী' সম্পাদনা সমিতিৰ সভাপতি শ্ৰীযুত ৰবিন কোঁৱৰ দেৱৰ কৰ্তব্যৰত এটি মূহুৰ্ত্ত।

সোণাৰি মহাবিদ্যালয়

तेजस्वि: नावधीतमस्तु


SONARI COLLEGE



সোণাৰি মহাবিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষা

শ্ৰীযুতা কমলাৱতী শইকীয়াৰ কৰ্তব্যৰত এটি মূহুৰ্ত্ত।

সোণাৰি মহাবিদ্যালয়
তেজস্বি: নাবধীতমস্তু
SONARI COLLEGE



সোণাৰি মহাবিদ্যালয়ৰ বৰ্তমানৰ উপাধ্যক্ষা মহোদয়া
শ্ৰীযুতা ৰতিপ্ৰভা গগৈৰ কৰ্তব্যৰত এটি মূহুৰ্ত্ত।

## ঃ সম্পাদকীয় ঃ

**গণতন্ত্ৰ কাৰ বাবে-**

বছৰ আহে বছৰ যায়। তেনেদৰে বৰ্ষাও...। বৃষ্টিৰ ধাৰাৰে প্লাৱিত কৰে লুইতৰ দুয়োপাৰ... লগে লগে আহে বানপানী।... নিৰ্বাপিত হৈ যায় ক'ত জনৰ হৃদয়ৰ স্পন্দন। স্তব্ধ হয় জীৱনৰ ফল্গুধাৰা...। সুবিস্তীৰ্ণ জলৰাশিত হেৰায় যায় জীৱনৰ সৰ্বস্ব।... মন্ত্ৰী আহে...অৰ্ধ-তৰংগিত জীৱনৰ কোলাহল চাৰিওফালে...হেলিকপটাৰৰ পৰা... আকাশ মাৰ্গৰ পৰা বুজিব খোজে হৃদয়ৰ মৰ্মবেদনা... পানীৰ সৈতে একাকাৰ হোৱা জীৱনৰ কথা। এনেদৰেই... বছৰৰ পিছত বছৰ আহে... তেনেদৰে বানপানীও...। সৰ্বস্বান্ত মানুহৰ বাবে...বানপানীৰ বাবে.... সাহাৰ্য্য আগবঢ়ায় ৰাজ্য চৰকাৰে... কেন্দ্ৰীয় চৰকাৰে। অথচ... প্ৰৱলৰ পৰা প্ৰৱলতৰ হয় এই বানপানী। সৃষ্টিৰ প্ৰচুৰ সম্ভাৱনা থকা তৰুণ-তৰুণীয়ে, হেৰুৱাই পেলায়... কেঁচা মাটিৰ সৈতে সম্পৰ্ক... সৃষ্টিৰ মাদকতা।

মাজুলী, পৃথিৱীৰ বৃহৎ নদীদ্বীপ। ইও জাহ যাব পাৰে নদীৰ বুকুত....। তেন্তে, অসমীয়া জাতিও... কিন্তু নৈৰ সুতৰ কোবত নহয়... কালৰ চাকনৈয়াত ... অত্যাধুনিক হোৱাৰ তাড়নাত।

সময় আহে আৰু যায়... লগতে বানপানীও। গৃহহাৰা হয় ক'ত জন — পানীৰ কোবত... সময়ৰ সোঁতত। গৃহহাৰা কোনো যুৱতী হৈ উঠে হয়তো কোনো ব্যস্ত নগৰীৰ কামাতুৰ পুৰুষৰ শৰ্য্যাঙ্গিনী। তেতিয়া!!! তাই হয় বেশ্যা নতুবা দুশ্চৰিত্ৰা। আচলতে বেশ্যা... দুশ্চৰিত্ৰা কোন? বানপানী প্ৰতিৰোধত ব্যৰ্থ... চৰকাৰ... নে বানপানী ...... নে তাই। যাৰ আছে জীয়াই থকাৰ দুৰ্বাৰ বাসনা... নিষ্ঠুৰ সময়ে কলংকিত কৰা জীৱনবোৰৰ কাষত থিয় দিব কোনে?... সমাজে নে গণতন্ত্ৰই। ... গণতন্ত্ৰ তুমি কাৰ বাবে?

**কিছু প্ৰাসংগিক চিন্তা-**

সংস্কৃতি চিৰ প্ৰৱাহমান। সংস্কৃতি যদিহে বোৱতীনৈ হয় তেন্তে সময়ৰ পাকচক্ৰত পৰি ইয়াৰ আদৰ কায়দা কিছু সলনি হোৱাতো গতানুগতিক প্ৰক্ৰিয়া। সংস্কৃতিয়ে নিতে ন-ৰূপ লৈ সাজোনে-কাচোনে অপৰূপা হোৱাটোৱেই স্বাভাৱিক। সেই বুলি পৰ-সংস্কৃতিৰ অন্ধ-অনুকৰণে এখন সংস্কৃতিবান সমাজলৈ কালৰাত্ৰিৰ বিভীষিকা কঢ়িয়াই আনে। অন্য সংস্কৃতিৰ ভালবোৰ আহৰণ কৰি বেয়াবোৰ পৰিত্যাগ কৰি ন-সংযোজন ঘটালে সংস্কৃতিৰ সৌষ্ঠৱ বৃদ্ধি হয়।

অসমৰ তৰুণ প্ৰজন্মই পশ্চিমীয়া ভাৱধাৰাৰ প্ৰতি আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। অসমীয়া সমাজ সংস্কৃতিত বৰ্তমান লিভিং টুগেদাৰ, বিদেশী মদৰ আড্ডা ইত্যাদিৰ দৰে অপ-সংস্কৃতিয়ে গা কৰি উঠিছে। যাৰ বিৰুদ্ধে এতিয়াই সজাগ নহ'লে ইয়াৰ বিষবাষ্পই সৰ্বত্ৰ ছানি ধৰিব। অসমৰ, ভাৰতৰ লোক সকলে অন্য সংস্কৃতি-পৰম্পৰাক আকোৱালী লোৱাৰ মুহূৰ্তত এবাৰ হ'লেও অনুধাৱন কৰা উচিত নিজৰ সংস্কৃতিক। প্ৰায় ক্ষেত্ৰতে আমি পাশ্চাত্যৰ সংস্কৃতিক যিদৰে গুৰুত্ব প্ৰদান কৰো, ঠিক সিমান গুৰুত্ব নিদিওঁ আমাৰ সংস্কৃতি-পৰম্পৰাক।

অসমীয়া ভাষা-সাহিত্যতো আজি চৰম দৈন্যতাই দেখা দিছে। এনে মুহূৰ্তত আমাক আজি এচাম সাহিত্যৰ প্ৰেৰণাৰে উদ্বুদ্ধ ভাষা-জননীৰ নীৰৱ সেৱকক প্ৰয়োজন হৈছে। বৰ্তমান বহুতো নবীনে হাতত কলম তুলি লোৱা পৰিলক্ষিত হৈছে। অতি পৰিতাপৰ বিষয় যে এচাম সাহিত্যানুৰাগীয়ে সাহিত্য-চৰ্চাক কেৱল নিজৰ হা-হুমুনিয়াহ, সস্তীয়া প্ৰেমৰ বহিঃপ্ৰকাশৰ মাধ্যম হিচাপে লৈছে। এই সকল আৱেগ প্ৰৱণ তথাকথিত ব্যক্তিয়ে সফল সাহিত্য সৃষ্টি কৰা দূৰৰ কথা-নিজৰ অনুভূতি খিনিকো সাৰ্বজনীন ৰূপত প্ৰকাশ কৰিব পৰা নাই। তেনেধৰণৰ তীব্ৰ আৱেগেৰে বলিয়া মানুহ আমাৰ প্ৰয়োজন নাই। আমাক এনেধৰণৰ মানুহৰ প্ৰয়োজন যিয়ে নিজৰ ইচ্ছা শক্তিক প্ৰতিষ্ঠা কৰিব পাৰে। কল্পনাৰ প্ৰাচুৰ্য,

হেমচন্দ্ৰ বৰুৱাই বান্ধি থৈ যোৱা ভাষাৰ সুন্দৰ আলিটো ক্ৰমশঃ এলেহুৱা অসমীয়াৰ হাতৰ পৰশত নিশ্চিহ্ন হবৰ উপক্ৰম হৈছে। অথচ এইখন অসমতে 'মই বৰ' বুলি চিনাকী দিয়া সাহিত্যিকৰ অভাৱ নাই। ৰোমাঞ্চ সাহিত্য, কমিছ পঢ়া ব্যক্তিৰ সংখ্যা তুলনামূলক ভাৱে বাঢ়িল। নগৰে-চহৰে, গাঁৱে-ভূঞে পৰ্ণোগ্ৰাফৰ ৰমৰমীয়া ব্যৱসায় গঢ়ি উঠিছে। অসমৰ কিশোৰ সকলৰ বাবে ব্লু-ফিল্ম চোৱাতো এটা নিচা তথা অভ্যাসত পৰিণত হৈছে। সেই অনুপাতত প্ৰকৃত সাধকৰ সংখ্যা হ্ৰাস পাইছে দুখজনক ভাৱে। সংবাদ পত্ৰ আলোচনী বিলাকত কিছুমান অযথা বিতৰ্কই স্থান পাইছে। বিগত ২০০০ চনত অগ্ৰদূতকে ধৰি কেইবাখনোও অসমৰ আগশাৰী কাকতত লাচিত বৰফুকন আৰু কুশল কোঁৱৰক একামে চুতীয়া, মৰাণ বুলিবলৈ নিকৃষ্ট প্ৰচেষ্টা চলাইছিল। এনেদৰেই একামে সাহিত্য-সংস্কৃতি-বুৰঞ্জীক ৰাজনীতিৰ ইচ্ছুক হিচাপে লবলৈ কুণ্ঠাবোধ কৰা নাই। লাচিত-কুশল, মৰাণ নে চুতীয়া নে আহোমৰ- এই বিষয়ে বিৰ্তক কৰি তেওঁলোকৰ সত্বাটোক হেয় কৰাৰ অধিকাৰ কাৰোৰে নাই। তেওঁলোকক বিৰ্তকৰ বিষয়লৈ নিয়াৰ আগতে নিজাকে প্ৰশ্ন কৰা উচিত- মই তেওঁলোকৰ আদৰ্শ সমূহ অনুকৰণৰ বাবে কিমান চেষ্টা কৰিছোঁ? ইয়েই হোৱা উচিত বিচাৰ্য্যৰ বিষয়।

ক্ষমা প্ৰাৰ্থনাঃ

সাহিত্যৰ পথাৰখন কৰ্ষন কৰি তাত বীজ সিচি দি ফলে ফুলে জাতিষ্কাৰ কৰি এদৰা সোণোৱালী লহ-পহীয়া শস্য সৃষ্টি কৰিব পৰা ক্ষমতা এই অভাজনৰ নাই। এটা কথা নত শিৰে স্বীকাৰ কৰো যে এই পথাৰখন যথেষ্ঠ উৰ্বৰা। ইয়াত আমাৰ দৰে প্ৰাথমিক ধ্যান ধাৰণা নথকা এজন খেতিয়ক নহৈ যদি অভিজ্ঞতাৰে পৰিপুৰ্ঠ ব্যক্তি হ'লহেতেন তেতিয়া নিশ্চয় সাহিত্য প্ৰেমীয়ে আশা কৰাৰ দৰে এখন সৰ্বাঙ্গসুন্দৰ আলোচনীৰ সোৱাদ লবলৈ পালেহেতেন। কিন্তু আপোনালোকৰ বহু আকাঙ্খিত ৰূপটোত আলোচনীখনক গঢ় দিবৰ নোৱাৰাৰ বাবে আপোনালোক সৰ্দৌটিৰে ওচৰত এই অভাজন ঋণী হৈ ৰ'লো।

আলোচনীখনৰ প্ৰস্তুতি আগতীয়া আছিল যদিও উপযুক্ত সময়ত আপোনালোকৰ হাতত তুলি দিব নোৱাৰাৰ বাবে আমি আপোনালোকৰ ক্ষমাৰ ভিক্ষাৰী হৈ ৰ'লো। এখন আলোচনীৰ বৰ্ণাশুদ্ধী একেবাৰে নিৰ্মূল কৰাতো বৰ কঠিন কাম। তথাপিও আমাৰ সীমিত জ্ঞানেৰে যথেষ্ঠখিনি চেষ্টা কৰিছিলো। কিন্তু ছপাশালৰ ভূতৰ আগত আমি বহু সময়ত হাৰ মানিব লগা হৈছে। সেয়েহে আলোচনীখনৰ ঠ'ত ঠ'ত দুই চাৰিটা ভুল ৰৈ গৈছে। তাৰ বাবে আমি আপোনালোকৰ শ্ৰী চৰণত আমাৰ অজ্ঞতাৰ কথা প্ৰকাশ কৰিছো আৰু লগতে ছপাশালৰ ভুলৰ বাবেও আপোনালোকৰ পৰা ক্ষমা ভিক্ষা মাগিছোঁ।

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সময়মতে নোপোৱা হেতুকে প্ৰকাশ কৰিব পৰা নহ'ল আৰু আলোচনীখনৰ ক্ষেত্ৰত ৰৈ যোৱা অন্যান্য ভুল বিলাকৰ বাবেও আমি সকলোৰে ওচৰত ক্ষমাৰ প্ৰাথী হৈ ৰ'লো।

কৃতজ্ঞতাৰ স্বীকাৰঃ

যি সকল ব্যক্তিয়ে আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰি সজাই তোলাত সহায় ও দিহা পৰামৰ্শ আগবঢ়ালে তেওঁলোক সকলোটিলৈকে কৃতজ্ঞতা থাকিল। লগতে ইষ্টাৰ্ণ প্ৰিন্টাৰ্চৰ স্বত্বাধীকাৰিকে প্ৰমুখ্য কৰি সকলো কৰ্মচাৰীলৈ আমাৰ কৃতজ্ঞতা থাকিল।

ধন্যবাদেৰে

প্ৰাঞ্জল গগৈ



# ডাৰউইনৰ প্ৰাকৃতিক নিৰ্বাচন নে মানৱ প্ৰকৃতিৰ ফলাফল

ডঃ জ্যোতিমা ফুকন
প্ৰৱক্তা সোণাৰি মহাবিদ্যালয়

২৬ জানুৱাৰী ২০০১

শুকুৰবাৰ।

সময় পুৱা ৮:৪৫

১২০ চেকেণ্ডতে 'গুজৰাট' হৈ উঠিল প্ৰকৃতিৰ 'হিংসুক চিত্ৰপট'। কোনোবা অঘৰী শিল্পীৰ অঘৰী উন্মাদনাই যেন মূৰ্ত কৰি তুলিলে কেনভাচত। এখন জীৱন্ত ধ্বংস লীলাৰ ছবি! ভাৰতৰ ৰিখটাৰ স্কেলমতে ৬.৯ তিব্ৰতাৰ ভু-কম্পনে গুজৰাটৰ চুৰাট, গান্ধী ধাম, ডাবনগৰ, ভাৰোচ, ৰাজকূট আদি ঠাইক বিধস্ত কৰি থৈ গ'ল। বধ্যভূমিত পৰিণত কৰিলে ভোজ, আহমদাবাদক। হাজাৰ হাজাৰ লোক গণতন্ত্ৰ দিৱসৰ দিনাৰ শিতৰ উমাল পুৱাতে তৰ্কিব নোৱাৰাকৈ বিৰাট কায় অট্টালিকাসমূহ ধ্বংসস্তুপৰ তলত পোত খালে। মৃত্যু নগৰীত পৰিণত হোৱা গুজৰাটৰ হাজাৰ হাজাৰ ঘৰ বাৰী মূহুৰ্ততে ভগ্নাৱশেষ পৰিণত হ'ল। দেশৰ অথনীতিক এই প্ৰাকৃতিক দুযোগে বাৰুকৈয়ে মাধ মাৰ কোবাই থৈ গ'ল। পিছে দুখৰ বিষয় যে মানুহৰ মাজত মানৱতা শেষ হৈ যোৱা নাই দেশ বিদেশৰ লোক সহায়-সহানুভূতিৰে আগবাঢ়ি আহিল। ভোজ নগৰীত পূৰ্বেও ১৮১৯ চনত এক প্ৰবল ভূমিকম্পত বিধস্ত হৈছিল বহু ধন-জন। সৌ সিদিনা মাত্ৰ ১৯৯৩ চনত ৩০ চেপ্তেম্বৰৰ লাটুৰ জিলাৰ অন্তৰ্গত প্ৰায় ৪০ খন গাওঁ নিশ্চিহ্নঃ হৈ গৈছিল ভূমিকম্পৰ প্ৰবল জোকাৰণীত। ৰিখটাৰ স্কেল আছিল ৬.৩, প্ৰায় ১১ হেজাৰ মৃতদেহ ধ্বংসস্তুপৰ পৰা উদ্ধাৰ কৰা হ'ল। আকৌ ১৯৯৫ চনৰ জানুৱাৰী মাহৰ ১৭ তাৰিখে জাপানৰ Kobe চহৰত ৫ ভূমিকম্পত আঘাত প্ৰাপ্ত হ'ল প্ৰায় ১৩ হেজাৰ মানুহ। ১৮৯৭ চন আৰু ১৯৫০ চনৰ অসমৰ ভুমিকম্পই জলবায়ু, নদনদীৰ গতিবিধিৰ বহুল পৰিবৰ্তন ঘটোৱাৰ কথা আমাৰ বহুতৰে জ্ঞাত। ভুমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগ সমূহৰ আৰু অলেখ উদাহৰণ আছে যিবোৰে বিভিন্ন সময়ত বিভিন্ন যুগত মানৱ সমাজত বিপৰ্যয়ৰ সৃষ্টি কৰিছে। কুৰি শতিকাৰ আটাইতকৈ অধিক ধ্বংসকাৰী বুলি পৰিগণিত ১০ টা ভুমিকম্পৰ ভিতৰত ১৫৫৬ চনত হোৱা চীনৰ ভুমিকম্পই সম্ভৱতঃ আটাইতকৈ বেছি ধন জনৰ ক্ষতি সাধন কৰিছিল। প্ৰায় ৮ লাখ ৩০ হাজাৰ মানুহে প্ৰাণ হেৰুৱাছিল। ১৯৭৬ চনৰ Tangshan ৰ ভুমিকম্পই প্ৰায় ৬,৫৫,০০০ জনৰ মৃত্যু ঘটাইছিল। ১৯২৭ চনৰ Non-Shan ৰ ভুমিকম্পই ২,০০,০০০ আৰু ১৯২০ চনৰ Kansu ভুমিকম্পই প্ৰায় ১,৮০,০০০ মানুহৰ মৃত্যু ঘটাই। আনহাতে ইটালীৰ Messina ত হোৱা ১৯০৮ চনৰ ভুমিকম্পই ১,৬০,০০০ মানুহৰ জীৱন কাঢ়ি নিলে। কিন্তু প্ৰশ্ন হয় ভুমিকম্প, বানপানী আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগসমূহে কিয় মানুহক জোকাৰণী দি থৈ যায়। কাঢ়ি লৈ যায় ধন-জন/ জীৱ-জন্তু। নে এইয়া ডাৰউইনৰ প্ৰাকৃতিক বৰণবাদৰ জলন্ত নিদৰ্শন। জীৱই যদি ভাৰসাম্যতাৰ বিপৰীতে বংশবৃদ্ধি কৰি গৈ থাকে তেন্তে সোনকালেই খাদ্য আৰু বাসস্থানৰ অভাৱ দেখা দিব। গতিকে ডাৰইউনৰ মতে, এনেধৰণৰ দ্ৰুতগতিত হোৱা বংশ বিস্তাৰত প্ৰকৃতিয়ে বাধা দিয়ে। এই বাধা কাৰ্যকৰী হয় জীৱন সংগ্ৰামৰ মাধ্যমেৰে।

প্ৰকৃতি উন্মাদ হয়। প্ৰতিটো দুৰ্যোগৰ বুৰঞ্জীৰ সৈতে সংযোজিত হৈছে প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্যতাৰ অভাৱে। তাৰ ভিতৰত মাৰাত্মক ক্ষতিকাৰক হিচাবে স্বীকৃতি হৈছে-'ভূমিকম্প'।পৃথিৱীৰ জন্মলগ্নৰ পৰাই ভূ-পৃষ্ঠ তথা ভূ-অভ্যন্তৰ ভাগৰ অহৰহভাৱে ঘটি থকা গাঠনিগত পৰিৱৰ্ত্তন সমূহৰ বাবে যুগে যুগে সময়বিশেষে তথা অঞ্চলবিশেষে তাৎক্ষনিকভাৱে অনুভূত হোৱা ভু-সঞ্চালন তথা ভূমিকম্পৰ কাৰণ বিচাৰি আদিম মানৱে স্বতঃস্ফূৰ্ত্তভাৱে কেতবোৰ অলীক কল্পনাৰ বশৱৰ্ত্তী হৈ পৰিছিল। বৰ্ত্তমান বিজ্ঞানৰ পৰিস্ফুৰনৰ যুগতো আমাৰ বহুতৰে মাজত তথা সমাজত কেতবোৰ অবান্তৰ আৰু বিজ্ঞানৰ চিন্তাধাৰা বৰ্জিত কাৰ্য্যকলাপ বৰ্ত্তি থকা বিশেষভাৱে লক্ষণীয়। আজিও ভূমিকম্প হোৱা সময়ছোৱাত শঙ্খ, ঘন্টাৰ ধ্বনি তুলি অথবা উৰুলি আদিৰে ভূকম্পনৰ তীব্ৰতা কমাবলৈ প্ৰচেষ্টা কৰা আমাৰ সমাজত বিদ্যামান। বহুতে আকৌ ভূমিকম্পক মানুহৰ পাপকৰ্মৰ বোজা পাতলিবলৈ গ্ৰহণ কৰা ধৰিত্ৰীৰ প্ৰক্ৰিয়া বিশেষ বুলি চিন্তা কৰাও দেখা যায়। অৱশ্যে ইয়াৰ সত্যতা নথকাও নহয়। প্ৰাকৃতিক বিপৰ্য্যয় সমূহৰ বাবে মানৱ প্ৰকৃতিৰ লোভনীয় দিশ সমূহ জগৰীয়ানে? পিচৰ পৰ্য্যয়ত ভূমিকম্প সম্পৰ্কে মানুহৰ ধাৰণাৰ সলনি হৈছিল। প্ৰখ্যাত দাৰ্শনিক **Aristotle** এ প্ৰচাৰ কৰিলে ডাৱৰীয়া বতৰ তথা প্ৰৱল বেগৰ বতাহ কিছুদিন ধৰি কোনো এঠাইৰ ওপৰেদি বলি থাকিলে পৃথিৱীৰ উপৰিভাগত থকা ফাঁট আদিৰ মাজেৰে পৃথিৱী পৃষ্ঠৰ ভিতৰলৈ গেচ আৰু বায়ু সোমাই জমা হৈ পৰে। জমা হোৱা বায়ুৰ উন্মীলনৰ প্ৰচেষ্টাত ভূমিকম্পৰ উদ্ভৱ হয়। বহু শতিকালৈ **Aristotle** ৰ ধ্যান ধাৰণাৰে পুষ্ট হৈ মানুহে ভূমিকম্প আৰু ডাৱৰীয়া তথা বতাহ বৰষুণ হৈ থকা বতৰক Earthquake Weather অৰ্থাৎ হ'ল। মানুহে লাহে লাহে অনুমান কৰিলে যে প্ৰচণ্ড বেগেৰে পৃথিৱীৰ বুকুত সঞ্চিত হৈ থকা গেছ, ছাঁই, ধোঁৱা লাভা আদি আগ্নেয়গিৰিৰ ৰূপত উলাই আহিলে। উক্ত অঞ্চলৰ দাতি কাষৰিয়া ঠাই বোৰত ভূমিকম্পৰ উৎপত্তিৰ কাৰণৰ সংজ্ঞাই আধুনিক চিন্তাধাৰাৰ ভেঁটী প্ৰতিষ্ঠা কৰা বুলি কব পাৰি। বৰ্ত্তমান শতিকাৰ ৬০ দশকৰ শেষ ভাগত গঢ় লৈ উঠা প্লেটবিৰ্টনিক মতবাদে পৃথিৱীৰ বুকুত দেখা দিয়া ভূমিকম্প, আগ্নেয়গিৰিৰ উৎপত্তি, সাগৰ মহাসাগৰৰ পৰিবৰ্দ্ধন, চলমান মহাদেশ সম্পৰ্কে সম্যক তথা যুক্তিপূৰ্ণ বিশ্লেষণাত্মক তথ্য আগবঢ়াবলৈ সমৰ্থ হৈছে। যিকি নহওঁক মানৱ মনৰ লোভনীয় দিশটোক টানি আনি যদি চোৱা যায় তেন্তে সাম্প্ৰতিক সময়ত গুজৰাটত ধ্বংসৰ মূলতঃ 'গৃহনিৰ্মাণ প্ৰসংগ'। যোৱা এটা দশকত আকাশলঙ্ঘী অট্টালিকা সমূহে তাৰ নগৰ সমূহ চালে চকুৰোৱা কৰি তোলা হৈছিল। কিন্তু গুৰুত্বপূৰ্ণভাৱে পুৰণা ঘৰবোৰৰ বিশেষ ক্ষয় ক্ষতি হোৱা নাছিল। হৈছিল নতুনকৈ গঢ়ি তোলা চালে চকুৰোৱা ঘৰবোৰহে। আনকি সমীপৰ হিন্দু সভ্যতাৰ প্ৰাচীনতম প্ৰতীক স্থান ঢোলীভীৰা আছে অক্ষত অৱস্থাত। কোন দায়ী ইয়াৰ বাবে? আহমদাবাদৰ পৰা আৰ্কিটেক্ট ভাস্কৰ সেনে স্বীকাৰ কৰিলে ঘৰ নিৰ্মাণৰ লবি আৰু ৰাজনীতি মেৰপেছে নিম্নমানৰ ঘৰ প্ৰস্তুত কৰাৰ বাবে আটাইতকৈ দায়ী য'ত ঘৰ নিৰ্মাণৰ নীতি নিয়মো উলংঘিত হৈ চৰকাৰো থাকে অন্ধ হৈ। ঘৰ বন্ধোৱাৰ অনুমোদনৰ বাবে ন' অৱজেকচন চাৰ্টিফিকেটখনৰ বাবে বৃহৎ অংকৰ অৰ্থৰ লেনদেন হয়। দেশখনৰ আহমদাবাদত অৱস্থিত স্থাপত্য বিদ্যাৰ স্কুল Centre for Environmental Planning and Technology ৰ ব্যৰ্থতাও উল্লেখনীয়। মানৱ প্ৰকৃতিক স্বাৰ্থলোভী স্বভাৱৰ ব্যতিৰেকে ডেভেলপমেণ্ট অথৰটি

হত্যা কৰা নাই, হত্যা কৰিলে এই অবৈধ দালানবোৰেহে। এনে ঘটনাৰ পুনৰাবৃত্তি যে আমাৰ দিল্লী, মুম্বাই, কলিকতা, গুৱাহাটীৰ দৰে মহানগৰী বিলাকত নহব তাক কোনেও উলাই কৰিব নোৱাৰে। দুৰ্নীতি শিপাগ্ৰস্ত একো একোটোকোৰা ঠাই হৈ উঠিব পাৰে বৈধ্য ভুমিত, মৃত্যুৰ শীতল উপত্যকাত। মানুহে কবলৈ বাধ্য হৈছে প্ৰকৃতিয়ে যদি ৫০% হত্যা কৰিছে, বাকী ৫০% মানুহক হত্যা কৰিছে মানুহৰ স্বাৰ্থলোভী প্ৰকৃতিয়ে। এই দিশত মানুহৰ দ্বাৰা সৃষ্ট নদীবান্ধ সমূহৰ কথাও কব পাৰি। নদীবান্ধৰ পৰা প্ৰাপ্য সুফল বিলাকৰ বিপৰীতে প্ৰতিটো বৃহৎ নদীবান্ধৰ ইতিহাসৰ সৈতে সংযোজিত হৈছে প্ৰকৃতিৰ পৰিবেশৰ ভাৰসাম্যতা। নদী বান্ধৰ আশয়ৰ বন্ধ পানীৰ চাপৰ ফলত শিলাস্তৰ সমূহত ফাঁট মেলে। ফলত অংশবিশেষে ভুস্খলনৰ প্ৰভাৱত ঠাই বিশেষে ভুসঞ্চালন হৈ ভূইকঁপৰ সৃষ্টি হয়। ভাৰত চৰকাৰ দ্বাৰা নিৰ্মিয়মান হিমালয় সংলগ্ন অঞ্চলৰ Tehri বান্ধে এক প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰিছে। অনেক ক্ষেত্ৰত বিশেষ স্তৰৰ দ্বাৰা আৰোপিত কাৰিকৰী বাধা নিষেধ আওকাণ কৰি কোনো প্ৰকল্প ৰূপায়ণৰ বাবে আগবঢ়োৱা চৰকাৰী-বেচৰকাৰী সাহাৰ্য্যৰ পৰিণতিত সৰ্বসাধাৰণ ৰাইজক ভয়াবহ ভৱিষ্যতৰ ফালেহে আগুৱাই নিয়ে।

সেয়ে পৰিবেশ বিজ্ঞানী, অভিযন্তা, ভু-বিজ্ঞানী, কৃষিবিদ, স্বাস্থ্যকৰ্মী, সমাজ বিজ্ঞানী আটায়ে যিকোনো প্ৰকল্প বা আঁচনি ৰূপায়নত সমানেই অৰিহণা যোগাব লাগিব তেহে মানৱসৃষ্ট আঁচনি বা বসবাস সমূহ নিৰ্ভৰযোগ্য হ'ব। আজিৰ বিজ্ঞানৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান সমূহৰ ভিতৰত অন্যতম হ'ল ভুমিকম্পৰ আগজাননী দিব পৰাকৈ উপযুক্ত পদ্ধতি নিৰূপন কৰাৰ সফলতা আহৰণ কৰা। এই দিশত চলি থকা গৱেষণাৰ পৰা উপযুক্ত ফল পালে সেইয়া হ'ব মানৱ জাতিৰ বাবে আশীৰ্বাদ স্বৰূপ। প্ৰাকৃতিক নিৰ্বাচনত যোগ্যতা লৈ জীয়াই থকাটোৱেই মানৱৰ বাবে সৰ্ব্বোৎকৃষ্ট উপহাৰ।□□

## গীতাৰ শ্লোকঃ-

১। শ্ৰেয়ো হি জ্ঞানমভ্যাসাজ জ্ঞানাদ ধ্যানং বিশিষ্যতে। ধ্যানাৎ কৰ্মফল ত্যাগস্ত্যাগাচ্ছান্তিৰনন্তৰম॥

অনুবাদঃ- অভ্যাসতকৈ জ্ঞান শ্ৰেষ্ঠ। জ্ঞনেতকৈ ধ্যানৰ শক্তি বছি। ধ্যানতকৈ উৎকৃষ্ট হ'ল কৰ্মফল ত্যাগ। অনতি বিলম্বি এই ত্যাগৰ পৰাই লাভ শান্তি।

২। অব্যাহৃতং ব্যাহৃতাচ্ছেয়াহুং সত্য কদেদব্যাহৃ তদে দ্বিতীয়তম।
প্ৰিয়ং বদেদ্ ব্যাহৃতং তৎ তৃতীয়ং, ধৰ্ম কদেদ, ব্যাহৃতং তচ্ছতুৰ্থম॥

অনুবাদঃ- বহুভাষী অৰ্থাৎ অযথা বাক্য ব্যয় কৰাতকৈ মনে মনে থকাই শ্ৰেয়। এই হ'ল বাক্যৰ প্ৰথম বৈশিষ্ট্য। প্ৰিয় কথা কোৱাটো বাক্যৰ দ্বি তীয় বৈশিষ্ট্য। সচাঁ কথা কোৱাটো বাক্যৰ তৃতীয় বৈশিষ্ট্য। আৰু ধৰ্মৰ সংগতি থকা কথা কোৱাটো বাক্যৰ চতুৰ্থ বৈশিষ্ট্য।

# গণশিল্পী হেমাঙ্গ বিশ্বাস এক জীৱন্ত ইতিহাস

নৱ ফুকন
স্নাতক প্ৰথম বৰ্ষ (প্ৰাণীবিজ্ঞান শাখা)

"....... সমন্বয়ৰ কথা যদি কওঁ, সমাজ পৰিৱৰ্ত্তনৰ গীত যদি আমি গাবলৈ যাওঁ, হেমাঙ্গদাক আমি পাহৰিব নালাগিব।.... হেমাঙ্গদাৰ যিটো বাদ অছিল সেইটো যেন সদায় জীয়াই থাকে। তেতিয়া হলেহে অসমৰ সমাজ সংস্কৃতিৰ উন্নতি হ'ব।" হেমাঙ্গদাৰ বাৰু এনে কি গুণ আছিল? যাৰ বাবে দাদা চাহেব ফাল্কে বঁটা বিজয়ী ড°ভূপেন হাজৰিকাই তেখেতৰ সম্পৰ্কে এনে মন্তব্য আগবঢ়াইছিল। হেমাঙ্গ বিশ্বাস বঙ্গদেশৰ (অতীতৰ বৃহত্তৰ অসমৰ) চিলেট আৰু শ্ৰীহট্ট জিলাৰ মিৰাঁলী গাওঁত জন্ম গ্ৰহণ কৰিছিল আৰু মৃত্যু হৈছিল কলিকতাত। জন্ম আৰু মৃত্যুৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰটো কোনো সম্পৰ্কই নাই। তেন্তে কিয়? প্ৰকৃততে সুৰমা উপত্যকাত জন্ম হলেও হেমাঙ্গ বিশ্বাস এজন লুইতপৰীয়া অসমীয়া। যিজনে নেকি অসমৰ প্ৰতিটো ক্ষণতে সুখ-দুখৰ সমভগী হৈছিল।

হেমাঙ্গ বিশ্বাসৰ ১৯১২ চনত জন্ম হৈছিল। পিতৃ জমিদাৰ হৰ কুমাৰ বিশ্বাস। হেমাঙ্গ বিশ্বাসৰ ঘৰখনেই আছিল শ্ৰেণী বৈষম্যৰ সবল প্ৰতিভু। পাছত হেমাঙ্গ বিশ্বাস দেউতাকৰ লগত ডিব্ৰুগড়ত থাকিবলৈ লয়। সেই সময়ত ডিব্ৰুগড় জৰ্জ স্কুলৰ প্ৰধান শিক্ষক আছিল নীলমণি ফুকন। ১৯৩০ চনত হেমাঙ্গ বিশ্বাসে মেট্ৰিক পাছ কৰে। পিছত চিলেটৰ মূৰাৰী চাঁদ কলেজত নাম ভৰ্তি কৰে। ডিব্ৰুগড়ত কিছুবছৰ থাকি তেওঁলোকৰ পৰিয়াল চিলেট জিলালৈ যায়গৈ।

মাটি আৰু মানুহৰ সতে পৰিচিত এই লোকজনৰ অন্তৰত সাম্যবাদী চিন্তাৰ অংকুৰন ঘটে সৰুৰে পৰাই। আনকি বৃটিছ প্ৰতিনিধিক চেলুট দিবলৈও অমান্তি হৈছিল হেমাঙ্গ বিশ্বাস। অন্তৰত পুহি ৰাখিছিল এটি স্বাধীনচেতীয়া আত্মসত্তা। সেয়েহে হয়তো তেখেতে লিখিছিল - "কাস্তেটোৰে দিও জান ৰে॥/ শান দিও, জোৰসে দিও, দিও বাৰে বাৰ।...." যৌৱনৰ দুৱাৰ ডলিতে বিশ্বাসে সকলো আমোদ-প্ৰমোদ পৰিত্যাগ কৰি ৰাজপথত ভৰি দিছিল। পৰাধীন ভাৰতৰ মুক্তিৰ কামনাৰে মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা গণ সত্যাগ্ৰহ আৰু ডাণ্ডি যাত্ৰাত সক্ৰিয় অংশ গ্ৰহণৰ জৰিয়তে সংগ্ৰামী জীৱনৰ পাতনি মেলে। ১৯৩০ চনত হেমাঙ্গ বিশ্বাসে ১৪৪ ধাৰা ভংগ কৰাৰ অপৰাধত হবিগঞ্জ আৰু চিলেট জেলত কেইমাহ কাৰাবাস খাটে। সৰস্বতী মাতৃক চিৰদিনৰ বাবে বিদায় দি পুনৰ আইন অমান্য আন্দোলনত নামে আৰু আঢ়ৈ বছৰ জেল খাটে। চিলেট, নগাওঁ আৰু গুৱাহাটী জেলত উক্ত সময়ছোৱা অতিবাহিত কৰে। এই সময়ছোৱাতে অসমীয়া, বঙালী ভালেমান বিশিষ্ট ব্যক্তিৰ সান্নিধ্যত তেওঁৰ সংগ্ৰামী চিন্তা-ধাৰাই অধিক সজীৱ ৰূপ ধাৰণ কৰে। বিশ্বাস গুৱাহাটী চেণ্ট্ৰেল জেলত থাকোতে এবাৰ 'ডি.চি.' য়ে কাৰাগাৰ পৰিদৰ্শন কৰিবলৈ আহি তেওঁক আন্দোলন এৰি পুনৰ কলেজীয়া শিক্ষা গ্ৰহণ কৰিবলৈ কৈছিল আৰু হেমাঙ্গ বিশ্বাসক 'ডি.চি.' য়ে ঠাট্টা কৰিছিল এনেদৰে 'তোমাৰ যিহে চেহেৰা, এই চেহেৰালৈ কি আন্দোলন কৰিবা? আৰু আন্দোলনটো এতিয়া শেষ হৈ গৈছে।" তেতিয়া বিশ্বাসে সাহসেৰে প্ৰত্যুত্তৰ দিয়ে -" I shall try to revive it" ইয়াতেই প্ৰকাশিত হয় তেওঁৰ নিৰ্ভীকতা। গুৱাহাটী জেলত থাকোতে বিশ্বাসৰ যক্ষ্মা ৰোগে দেখা দিয়ে। তৎস্বত্বেও মুক্ত কৰি নিদিয়ে বৃটিছ চৰকাৰে। মুক্তি পাবলৈ হলে বিনিময়ত উকা কাগজত চহী। বিশ্বাসে উকা কাগজত চহী দিয়াতকৈ মৃত্যুৱে শ্ৰেয় বুলি ভাবিলে। এফালে যক্ষ্মাৰ দৰে দুৰাৰোগ্য ব্যাধি আনফালে স্বাধীনতাৰ দুঃস্বপ্ন, এহাতে মৃত্যুৰ সৈতে সংগ্ৰাম আনহাতে আদৰ্শগত সংগ্ৰাম। কি আচৰিত! হেমাঙ্গ

আন্দোলনৰ পটভূমিত জন্ম দিছিল সাংস্কৃতিক ফ্ৰন্ট। উদ্দেশ্য প্ৰগতিশীল সাহিত্যৰ প্ৰৱল জোৱাৰ তোলা। অসমৰ কাছাৰ আৰু চিলেটতে এই সংগ্ৰামৰ পাতনি হয়। ১৯৪৫ চনত হেমাঙ্গ বিশ্বাসে 'সুৰমা ভেলি স্কোৱাড' নামেৰে এটা সাংস্কৃতিক স্কোৱাড গঠন কৰি এমাহ দহদিনীয়া কাৰ্যসূচীৰে সমগ্ৰ অসম পৰিভ্ৰমণ কৰে। ইয়াৰ জৰিয়তে তেওঁ সংগ্ৰামী সংস্কৃতিৰ ধাৰাটো ৰাইজৰ সন্মূখত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিল। এই কলাচৰে স্কোৱাড ১৯৪৩ চনত বোম্বাইত জন্ম হোৱা "ভাৰতীয় গণনাট্য সংঘ"ৰ আদৰ্শৰে গঠন কৰিছিল। "ভাৰতীয় গণনাট্য সংঘ"ৰ লগত হেমাঙ্গ বিশ্বাস প্ৰত্যক্ষ ভাৱে জড়িত হয় ১৯৪৭ চনৰ পৰৱৰ্তী কালত। ১৯৪৭ চনৰ এপ্ৰিলত শিলচৰত অনুষ্ঠিত "অসম গণনাট্য সংঘ"ৰ পাদেশিক সন্মিলনত জ্যোতি প্ৰসাদ আগৰৱালাক সভাপতি আৰু হেমাঙ্গ বিশ্বাসক সম্পাদক হিচাপে লৈ গণনাট্য সংঘৰ প্ৰথম প্ৰাদেশিক সমিতি গঠন হয়। লগে লগেই আৰম্ভ হয় অসমৰ অৰণ্ডে-দৰণ্ডে বাস্তময় জীৱন যি ত্যাগৰ ফলশ্ৰুতিত অসমৰ ৰাইজে প্ৰদান কৰিছিল এটি উপাধি 'গণশিল্পী'। অসমৰ বহু সৰু বৰ শিল্পীয়ে কৰা সহযোগীতাই প্ৰেৰণা যোগাইছিল হেমাঙ্গদাক, গণ নাট্য সংঘৰ প্ৰসাৰৰ বাবে তথা উত্তৰণৰ পথত। গণনাট্য সংঘই অসমৰ চুকে কোনে এক জোৱাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ডিব্ৰুগড়ত জ্যোতি প্ৰসাদ আগৰৱালা, নগেন কাকতি, যোৰহাটত কুলধৰ চলিহা, চৈয়দ আব্দুল মালিক, সুৰেশ গোস্বামী, নিজামুদ্দিন হাজৰিকা, চিলঙত নলিনী মিশ্ৰ, বিজয় ৰায়, হীৰু দত্ত প্ৰমূখ্য ব্যক্তি সকলে গণনাট্য সংঘৰ নেতৃত্ব দিছিল।

তহানিৰ ত্ৰিশ দশকতেই ডিব্ৰুগড়ৰৰ লোহিত কাকতিৰ পৰা "কিয়নো পাহৰা অসমীয়া হেৰা/ চিৰকাল তুমি আছিলা স্বাধীন.." আদি গান শিকা হেমাঙ্গ বিশ্বাসে যেচিবাদক প্ৰত্যাহ্বান জনাইছিল। মাক্সবাদীয় দৰ্শনেৰে পুষ্ট গণনাট্য সংঘৰ দ্বিতীয় অধিবেশন ১৯৪৯ চনৰ জুলাইত ডিব্ৰুগড়ত অনুষ্ঠিত হৈছিল। এনেদৰেই সুৰমা উপত্যকা সাংস্কৃতিক দলৰ নেতাজনে নেতৃত্ব দিছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাংস্কৃতিক বিচাৰি পাইছিল একেই কেঁচা মাটিৰ গোন্ধ। যাৰ ভাষাত "ব্ৰহ্মপুত্ৰ আমাৰ বিস্ময়/ পদ্মা আমাৰ শ্ৰদ্ধা/ গঙ্গা আমাৰ ভক্তি...." গণনাট্য সংঘই অসমত নতুন শিল্পীৰ সন্ধান কৰিছিল। সুপ্ত প্ৰতিভা জাগ্ৰত কৰাত আগভাগ লৈছিল যাৰ ফলস্বৰূপে চৌজান চাহবাগানত যোগালী কৰা, মিস্ত্ৰী শিকা এজন ল'ৰাই অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। কলিকতা, পাটনা, মাদ্ৰাজ, মোম্বাই ইত্যাদিত ঢোল বজাই অসমৰ নতুন পৰিচয় দিবলৈ সক্ষম হৈছিল। যাৰ ঢোলৰ প্ৰতিটো চাপৰত অসমৰ লোক সংস্কৃতিও প্ৰাণৱন্ত হৈ উঠিছিল। সেইজনেই অসমৰ ঢোলৰ যাদুকৰ, প্ৰতিজন অসমীয়াৰ চিনাকী মঘাই ওজা। গণনাট্য সংঘলৈ নহা হলে মঘাই ওজাৰ এনে কৃতিত্ব আশা কৰিব পৰা গলহেঁতেননে? "অসমৰ গণনাট্য সংঘ" ই জ্যোতি প্ৰসাদৰ প্ৰথম মৃত্যু দিৱস পাতিছিল ১৯৫৩ চনৰ ১৭ জানুৱাৰীত নবীন বৰদলৈ হলত। অসমৰ নতুন প্ৰজন্মক শিল্পীজনাৰ আদৰ্শৰে উদ্বুদ্ধ কৰিবলৈ 'শিল্পী দিৱস' পতাৰ শুভাৰম্ভ কৰিছিল। হেমাঙ্গ বিশ্বাসহঁতে "অসম গণনাট্য সংঘ"ৰ তৃতীয় অধিবেশন পাতিছিল ১৯৫৫ চনত। অসম চৰকাৰৰ হাজাৰ বাধা নেওচি ১৯ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হৈছিল এই অধিবেশন। যিখন অধিবেশনলৈ আমেৰিকাৰ নিউৰ্বৰ্কৰ হাওৱাৰ্ড ফাষ্টেও অভিনন্দন বাণী প্ৰেৰণ কৰিছিল। এই খন অধিবেশনতেই বিখ্যাত অভিনেতা বলৰাজ চাহনীয়ে উদ্বোধনী ভাষণত কৈছিল "মহৎ সাংস্কৃতিক কৰ্মৰ ক্ষেত্ৰত প্ৰাদেশিকতাবাদে নিম্নমানৰ শৈল্পীক মূল্যহীন শিল্পৰহে সৃষ্টি কৰে।"

১৯৬০ চনত "অসমৰ গণ নাট্য সংঘ"ৰ সন্মুখত আৰু এক প্ৰত্যাহ্বানে থিয় দিছিল। সেইয়া হ'ল 'ভাষা আন্দোলন' অসমৰ চৌদিশতে ভাষা আন্দোলনে বিভিন্ন ভাষী লোকৰ মাজত অনৈক্যৰ বীজ সিচি দিছিল। এই উগ্ৰ জাতীয়তাবাদৰ বিৰুদ্ধে 'অসম গণ নাট্য সংঘ'ই মাৰ বান্ধি থিয় দিছিল। তেতিয়া সংঘৰ সভাপতি বিষ্ণু প্ৰসাদ ৰাভা আৰু সম্পাদক হেমাঙ্গ বিশ্বাসেই আছিল। গণনাট্য

চৰকাৰী কৰ্মচাৰীয়ে গণনাট্য সংঘত যুঁজ দিয়াত নিষিদ্ধ আছিল। সেয়েহে বহু চৰকাৰী কৰ্মচাৰী জড়িত এই স্বতন্ত্ৰ বাহিনীটোৰ নাম দিয়ে "Let us meet cultural troups" । শ্বিলং ক্লাৱ হলত ১৯৬০ চনৰ ২৭ আগষ্ট তাৰিখে পত্ৰ অনুষ্ঠানেই আছিল এই বিশেষ বাহিনীৰ প্ৰথম পদক্ষেপ। এই বাহিনীত ফিলকিন লালু, ওৱালং গৰ্মান বাহাদুৰ, জ্ঞানদা কাকতি, কুলু বৰদলৈ, লীলা বৰদলৈ, কমল চৌধুৰী, যুগল দাস, সুকোমল দাস, সন্ধ্যা দাস, ঊমা দত্ত ইত্যাদি অসমীয়া বঙালী শিল্পীয়ে সক্ৰিয়ভাৱে সহযোগ কৰিছিল। অসমৰ বিভিন্ন প্ৰান্তৰত অসমীয়া বঙালীকে ধৰি বিভিন্ন ভাষীলোকৰ মাজত সমন্বয়ৰ সেতু গঢ়িবৰ বাবে এই বাহিনীয়ে অভিযান চলালে। মাজ বাটতে খগেন মহন্ত, মঘাই ওজা ইত্যাদি লোকে সহযোগ কৰিলে। অসমৰ ভাই ভাইৰ মাজত হোৱা সংঘাতকলৈ মঘাই ওজাই ঢোলতে চাপৰ মাৰিলে -"ভায়ে ভায়ে দন কৰে পৰে পায় আশ/ মত্ত মাইকী দন লাগে ঘৰে বন বাস।" এই অভিযানত ভূপেন হাজৰিকা আৰু হেমাঙ্গ বিশ্বাসে দ্বৈতভাৱে ৰচনা কৰা "হৰাধন-ৰংমনৰ কথা" শীৰ্ষক গীতটোৱে বেচ জনপ্ৰিয়তা অৰ্জন কৰিছিল। এনেদৰেই বৰাক, সুৰমা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত সম্প্ৰীতিৰ গীত গোৱা হেমাঙ্গ বিশ্বাস অসুস্থ শৰীৰ ও পাৰিবাৰিক কাৰণবশতঃ ১৯৬১ চনত কলিকতালৈ যায়গৈ।

পৰৱৰ্তী সময়ত তেওঁ সাহিত্য চৰ্চাত অধিক মনোনিবেশ কৰে। তেওঁৰ নিজৰি কাপেদি নিগৰিত হোৱা ভৰৰাশি বিভিন্ন গ্ৰন্থত লিপিৱদ্ধ হৈ আছে। "কুল খুৰা চেতল","আকৌ চীন চই আহিলো", "চীন দেখে এলাম", "সীমান্ত প্ৰহৰী", "লোক সঙ্গীত সমীক্ষা বাংলা ও আসাম", "শংখ চিলেৰ গান" "হেমাঙ্গ বিশ্বাসেৰ গান" আদি উল্লেখযোগ্য গ্ৰন্থ।

অন্তৰত দুৰ্বাৰ সাহস, অসমৰ প্ৰতি অগাধ প্ৰীতি থকা গণশিল্পী গৰাকীয়ে ১৯৮৩ চনৰ অসম আন্দোলনৰ সময়তো এটা সাংস্কৃতিক বাহিনী উলিয়াবৰ প্ৰয়াস "গণ নাট্য সংঘ" সজীৱ কৰাৰ চিন্তা চৰ্চা কৰিছিল। পয়সত্তৰটা বসন্তই দেও দি যোৱাৰ পাছতো হেমাঙ্গ বিশ্বাসে পঞ্চাছ-ষাঠি দশকৰ দৰে সাংস্কৃতিক জগতত আলোড়ন সৃষ্টি কৰাৰ মানসিকতা পুহি ৰাখিছিল। কিন্তু, নিষ্ঠুৰ নিয়তিয়ে তেওঁৰ সকলো কামনা মষিমূৰ কৰি ১৯৮৭ চনৰ ২২ নৱেম্বৰ দিনা ইহসংসাৰৰ পৰা হৰি নিয়ে।

আজি হেমাঙ্গদা নাই। তেওঁৰ মৃত্যুৰ লগে লগে তেওঁৰ আদৰ্শবো প্ৰজন্মই সোঁৱৰিব-" এটা সময়ত এজন চিলেটীয়ালোকে অসমৰ পাহাৰে ভৈয়ামে ঘূৰি ফুৰিছিল। তেওঁ অসম গণনাট্য সংঘ নামৰ এটা অনুষ্ঠানৰ সম্পাদক আছিল আৰু মাজে সময়ে লোকগীত গাইছিল।" বৰ্তমান সময়ত জ্যোতি, বিষ্ণুকেই পাহৰি পেলাইছে। প্ৰতিবছৰে শিল্পী দিৱস,ৰাভা দিৱসৰ নামত লাখ-লাখ টকা খৰচ কৰিছে। এই দিৱস বিলাকৰ লগত সংগতি ৰাখি হোৱা সাংস্কৃতি সন্ধ্যা বিলাকত পাশ্চাত্য সংগীত, সস্তীয়া হিন্দী গানে ঠাই পাইছে। হিন্দী গানৰ বিষয়ে কিবা জ্ঞান থকিলেও জ্যোতি-ৰাভা সংগীত বিষয়ে কিঞ্চিতো নজনা অসমীয়া ল'ৰা নিশ্চয় ওলাব। তেনেস্থলত গণশিল্পী জনাক জানিব কিদৰে? অসমত বৰ্তমান বহিৰাগত প্ৰভাৱ বাৰ্কৈয়ে পৰিছে। দিনক দিনে গণিকা বৃত্তি বাঢ়িছে। "লিভিং টুগেদাৰ"ৰ দৰে ব্যাধিও আহি আছে ডেকা-গাভৰুৰ মাজত অবাধ বজৰুৱা প্ৰেমে গা কৰি উঠিছে। তাৰ ফলস্বৰূপে প্ৰকৃত প্ৰেমৰ সঠিক মূল্যাংকনত যতি পৰিছে। যুৱ মানসিতাৰ অধঃপতনে গোটেই সমাজখনকে অন্ধকাৰৰ কৰাল গহবৰলৈ হেঁচুকি লৈ গৈছে। এনে এখন ক্ষয়িষ্ণু সমাজৰ আশো উদ্ধাৰৰ বাবে আৱিৰ্ভাৱ হব লাগিব হেমাঙ্গ বিশ্বাসৰ দৰে সাম্যবাদী গণশিল্পী। যাৰ হাতৰ সবল নেতৃত্বত অসমৰ স্বকীয় সত্তাই সাৰ পাই উঠিব আৰু বৃটিছৰ 'Divide and rule Policy'ৰ দীঘদিনীয়া বিষবাস্প নিমিষতে নিৰ্মূল হব। তেনে এজন হেমাঙ্গ বিশ্বাস জন্ম হব কেতিয়া?□□


("মাটি আৰু মানুহৰ শিল্পী হেমাঙ্গ বিশ্বাস"

কথা শিল্প

# দূৰভাষত দৈনন্দিন

ৰীতা দত্ত বুঢ়াগোহাঁই
প্ৰৱক্তা অসমীয়া বিভাগ





নিৰ্জনতা ভঙ্গ কৰি সশব্দে পাৰহৈ যায় ৰেলগাড়ীবোৰ। ৰেলখনৰ যি কেইটা ডবাত বিজুলী বাতি জ্বলে সেইকেইটা ডবা ৰাতিৰ আকাশত গৈ থকা ৰকেটকেইটাৰ দৰে। প্ৰায়কেইটা ডবাই আন্ধাৰত ডুব গৈ থাকে। মোৰ ঘৰৰ পিছফালে আছে এখন মুকলি পথাৰ আৰু তাৰ কাষেৰেই একাঁবেকাঁ হৈ পাৰহৈ যায় ৰেলগাড়ীবোৰ। বিয়লি প্ৰায় ৭-৩০ মিনিটত পাৰহৈ যোৱা ৰেলখন মই ৰান্ধনীঘৰৰ খিড়িকীৰে সদায় জুমি চাইছিলো। এতিয়াও চাওঁ। T.V. ত দিয়া ভাল প্ৰগ্ৰেমটোও এৰি আহি মই ট্ৰেইনখন চাওঁ ভাতৰ কুকাৰে তিনিটালৈকে হুইচেল মাৰিলেও মই চাওঁ। ক্লাছৰ নোটটো আধালিখা কৰিও মই চাওঁ।

মই থকা ঘৰ মানে ভাড়াঘৰ। মই আৰু মোৰ সম্বন্ধীয় এগৰাকী বাইদেউৰ সৈতে মোৰ একমাত্ৰ একাদশ শ্ৰেণীত পঢ়া ননদজনীও একেলগেই থাকে। 'জুলিয়াচ চিজাৰ' পাঠটি আধা পঢ়াতে এৰি খিড়িকীৰ ফালে দৌৰে। বাইদেউৱে কয়- " সেইয়া ট্ৰেইন আহিছে---- উঁকি শুনিছনে?"

বাইদেউ মানে কলেজ আৰু ইউনিভাৰচিটিৰ হোষ্টেলত থকা মোৰ ৰূমমেট বাইদেউ। ইয়াতে C.D.C. ত কাম কৰে। মই স্থানীয় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা।

মোৰ স্বামী ব্যৱসায়ীমানুহ। শহুৰ শিক্ষক। দেৱৰটোৱে পঢ়ি আছে। ঘৰত মা থাকে। পুতেক কেইটা ঘৰলৈ ঘূৰি নহালৈকে মা পৰম আশাৰে বৈ থাকে। ব্যৱসায়ী মানুহ। অনেক কাম--- বস্তু নাই, লেবাৰ নাই লেবাৰ পে'মেণ্ট, শিল নাই, বালি নাই, ইলেক্ট্ৰিকেলৰ বস্তু নাই, বাগানৰ পাতনিয়া গাড়ী অহা নাই-- ইত্যাদি এশ এবুৰি টেনশ্যন। অহা পলম হয়। বোধকৰোঁ যেতিয়া মই ইয়াত ট্ৰেইনখন চাওঁ-- তেতিয়া তেওঁ হোটেলত চাহ পৰঠা খাই

প্ৰতি ১৫ দিনৰ অন্তৰে অন্তৰে তেওঁ আহে। আহে ৰাতিৰ ট্ৰেইনত। নাহে বুলি জানিও প্ৰতিদিনে ট্ৰেইনখন চোৱাটো আমাৰ অভ্যাসত পৰিণত হৈছে। আহিলে তেওঁ ডবাটোৰ দুৱাৰমুখত থিয় হৈ আহে। মই দেখোঁ। নাহিলে নিৰাশাৰে মই বিচনাখনত বাগৰ মাৰো। মোৰ কোঠাটোৰ বাল্বৰ পইণ্টটো বেয়া। বিজুলীমৰাৰ দৰে হঠাতে এচমকা পোহৰ দি তৎক্ষণাৎ নাইকিয়া হৈ যায়। মোৰ মনলৈ হঠাতে আহি নোহোৱা হৈ যোৱা আশাৰ ৰেঙনিৰ দৰে।

আমি তিনিওজনী বেচ ৰং তামাচাৰে থাকো। ঘৰৰ মালিক বৃদ্ধ-বৃদ্ধা দুয়োজনেই বেছি হাঁহিলে বেয়া পায়। তেতিয়া মনে মনে হাহোঁ। হাঁহিৰ খলকনিত খন্তেকৰ বাবে পাহৰি যাওঁ মনৰ গধুৰ দুখবোৰ।

বাইদেউৰ বিয়াৰ বয়স হৈছেহে। মই কেইমাহমান আগতে বিয়া হৈছো। অনেক ল'ৰা ওলাইছে। কিন্তু মানুহক চিনি পোৱা বৰ টান। গতিকে বাইদেউৰ সিদ্ধান্ত লোৱা হোৱা নাই। ভাবি ভয় লাগে- পৃথিৱীত কিমানজন প্ৰকৃত সৎ চৰিত্ৰৰ লোক আছে। মানুহৰ সততাত মোৰ বিশ্বাস নাই। বাইদেউৰো নাই। সেয়ে মই মোৰ স্বামীক আঁতৰত থৈ শান্তি নেপাওঁ। ব্যৱসায়ী মানুহ। বৰ্হিদৃষ্টিত ধন মন শৰীৰৰ বল থকা লোক-- মানুহৰ মনত অহিত চিন্তাৰ উন্মেষ সহজেই হব পাৰে। চাৰিওফালে হিংসা-সন্ত্ৰাস। বাটে-পথে যে বাদেই ঘৰৰ ভিতৰতো নিৰপৰাধী মানুহৰ মৃত্যু এক সহজ কথা হৈ পৰিছে। এই পৰিস্থিতিত আমি কেনেকৈ ছাত্ৰ-ছাত্ৰীক বুজাওঁ যে 'বন্দুকতকৈ কলমৰ ধাৰ বেছি' !

এইবোৰ ভাবি থাকি একো লাভ নাই বুলি ঠিৰাং কৰিয়েই পিছদিনাৰ শ্ৰেণীদুটাৰ পঢ়াবলগীয়া পাঠকেইটাত চকু ফুৰাওঁ। কিন্তু ট্ৰেইনখনে তাৰো আঁত হেৰুৱাই দিয়ে-- জুমি চাওঁ খিড়িকীৰে--- ট্ৰেইনখনে

এতিয়া পুৱতিনিশা কুঁৱলী সৰে। চোতালৰ শেৱালীজোপাৰ সুবাসে নতুনদিনটো জীৱন্ত কৰি তোলে। ৰান্ধি বাঢ়ি তিনিওজনী নিজ নিজ কৰ্মক্ষেত্ৰলৈ খোজ লওঁ। আহি পুণৰ বজাৰ-সমাৰ আৰু ৰাতিলৈ নতুন পাঠদানটোৰ বাবে প্ৰস্তুতি--। মাজে মাজে ভণ্টীক অৰ্থবিজ্ঞান, ৰাজনীতি বিজ্ঞান, বুৰঞ্জী, অসমীয়া আৰু ইংৰাজীৰ পাঠবোৰ চাই দিওঁ। মনটো পুনৰ চিন্তাত ভাৰাক্ৰান্ত হৈ পৰে। বেচৰকাৰী কলেজখনত যিকেইটা দৰ্মহা পাওঁ, নিজলৈকে নাটে, তাতে বজাৰত বস্তুৰ যিহে দাম! এয়াই অৰ্থনীতি বিজ্ঞান 'দাম বাঢ়িলে চাহিদা নে চাহিদা বাঢ়িলে যোগান--' আৰু ৰাজনীতি?

বাতৰি কাকতখন মেলিবই নোৱাৰি। হত্যাকাণ্ড, ডকাইতি, লেণ্ডসমস্যা, আলফা সমস্যা, কলেজ শিক্ষকৰ ধৰ্মঘট, মহামাৰী আদি এশ এবুৰি সমস্যা। ক'তো অকণমানো শান্তি নাই। 'জনসাধাৰণৰ হাতত চৰকাৰ ভঙ্গৰ দাবী কৰাৰো অধিকাৰ থাকে। ভণ্টীৰ পঢ়াবোৰ কাণত বাজি উঠিলে অস্বস্তিবোধ কৰো। অসমীয়া পাঠত আছে মহৎলোকৰ বাণী "এখন গালত কোনোবাই এটা চৰ মাৰিলে আনখন গালো পাতি দিবা'। এনে শিক্ষাৰ এই পৰিস্থিতিত প্ৰয়োজন আছেনে? একবিংশ শতিকাৰ এই সমস্যাৰ্জজৰিৎ পৰিস্থিতিত ইয়াৰ প্ৰাসঙ্গিকতাই বা কিমান? ৰেগিং, তাৰফলত হোৱা হত্যাকাণ্ড যুৱকৰ দ্বাৰা যুৱতী অপহৰণ, বলাৎকাৰ, পিতৃ-মাতৃ-বোৱাৰী-শিশু হত্যা, লুণ্ঠন ডকাইতি- এইবিলাকৰ বাবে প্ৰকৃততে দায়ী কোন? 'দেশত যেতিয়া উশৃংখল পৰিস্থিতিৰ সৃষ্টি হয়, দেশত যেতিয়া বহিঃ শত্ৰুৱে প্ৰবেশ কৰে, দেশত যেতিয়া বিভিন্ন সমতা ৰক্ষা নহয়, তেতিয়া ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হয়'- বুলি পঢ়ি থকা ভণ্টীক শুই থাকিবলৈ ক'বৰ মন যায়। কিন্তু বাগৰ সলাওঁতে হোৱা বিচনাখনৰ কেৰ্কেৰ্ শব্দই মোকেই চোন শুৱলৈ নিদিয়ে উঠি আহি গেছত 'কুকাৰ'টো

ঘড়ীটোলৈ চালো। সন্ধ্যা ৭ বাজিছে। এতিয়াও ট্ৰেইন আহিবলৈ আধা ঘণ্টা বাকী। বাইদেউৱে A Guide Book for Anganeadi Workers মেলি চাই আছে। কোন টো সময়ত কি ভিটামিন থকা খাদ্য নাৰীয়ে খাব লাগে, বাটাৰ, মৌ, মাছ, মাংস কনী, কেচাঁ ফলমূল, গাজৰ, শাকপাছলি ইত্যাদি। আকৌ মনত পৰি যায় কলেজলৈ। কলেজ শিক্ষকৰ কষ্ট স্বীকাৰ, অপৰিসীম ত্যাগে জানো শিক্ষকৰ পেট পূৰাব পাৰিছে? আমি আকৌ আগে দালন কৰিব লাগে? কোনজন শিক্ষকে পৰিয়ালক ভিটামিনযুক্ত খাদ্য খুৱাব পাৰিছে? এতিয়াও ডেফিচিট কলেজৰ কথা বাদ দিলে আমাৰ নিচিনা শিক্ষকে কি খাই জীয়াই থাকিম? তেওঁলোকৰ মাজতোচোন কিবা নন্‌প্লেন-প্লেনৰ প্ৰাচীৰ?

মনে মনে গৈ পুনৰ পাকঘৰত সোমাই ডাইলতে আলু দুটামান দি কুকাৰটো তুলি দি আহোঁ। আলু পিটিকাৰ ভাতখাই ভণ্টীয়ে আৰু কি 'জুলিয়াচ চিজাৰ, দা হাইৱে মেন, দা সলোৰ' পঢ়িব। আৰু মোৰ সংসাৰ? নাই নবঢ়াও! এনেকৈয়ে ভাল।

ট্ৰেইনখন আহিছে। মোৰ স্বামী আহিব নেকি বাৰু? আহিলে এসাজ ভালকৈ খাম, এৰাতি নিচিন্তে শুম--। খিড়িকীৰে চালো বাহিৰখন বেচ্ জোনাক। আকাশলৈ চালো তৰাবোৰ নাচি আছে। ট্ৰেইনলৈ চালো নাই, সেইখন মালগাড়ীহে। ঘড়ীটোলৈ চালো ট্ৰেইন লেট।'

ইমানতে ফোনৰ লাইন্‌টো কাটি গ'ল। হেল্ল' হেল্ল'--নাই, সচাঁই কাটি গ'ল লাইনটো। নৱনীতাই মোলৈ সদায় ফোন কৰে এনেদৰে। প্ৰতিটো দিনৰ ঘটনাবোৰ আমি ইজনীয়ে সিজনীক কওঁ। কিন্তু আজিচোন তাই লাইন্ কাটি দিলে! তাইক লৈয়ে মই চোন এটা গল্প লিখি আছো। এনেকৈ শেষৰ প্ৰায় দহমিনিটেই পাৰ হৈ গ'ল। অৱশেষত ময়েই ডায়েল কৰিলো ৫৬৮৮৮-- কিৰিৰিং কিৰিৰিং, কিৰিৰিং কিৰিৰিং ফোনটো বাজি আছে, কিন্তু তাই উঠোৱা নাই কিয়? একপ্ৰকাৰ অধৈৰ্য্য হৈ পৰিলো। হেল্ল' ইফালৰ পৰা মাত আহিল। হয় নৱনীতাৰে মাত।

কি হ'ল লাইন কাটি দিলি যে?

-জান-বাহিৰত হঠাতে এটা প্ৰচণ্ড শব্দ হৈছে, একদম ব'ম্ব ফুটাৰ দৰে। সেয়ে বাহিৰলৈ ওলাই গৈছিলো। তাই ফোপাই ফোপাই ক'লে।

কি দেখিলি বাহিৰত?

ক'ৰবাত কিবা হৈছে বুজিছ? মানুহবোৰে দৌৰাদৌৰি কৰিছে ভীষণ হুলস্থূল। বাৰু থওঁ বুজিছ- তাইক বাধা দি মই ক'লো ৰ'চোন। পিছে ট্ৰেইনখন?

কালিলৈ ক'ম। তাই লাইনটো আকৌ কাটি দিলে। ময়ো লাহে লাহে ৰিচিভাৰটো থৈ দিলো। তেন্তে গল্পটো কালিলৈ আৰু দিয়াই নহ'ব।

-কিন্তু এইযে ব'ম্ব ফুটাৰ দৰে শব্দই মোৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা নাই কিয়? মৃত্যু সকলোৰে বাবেইতো যন্ত্ৰণা দায়ক। সকলোৰে তেজৰ ৰং ৰঙা। মাত্ৰ মৃত্যুৰ ধৰণটোহে ভিন্ন। কোনো লোক বৃদ্ধ হৈ মৰে, কোনো গুলীৰ আঘাতত। কাৰোবাক ডিঙি চেপি হত্যা কৰা হয়, কাৰোবাক দাৰে। কিন্তু মৃত্যু জানো কাৰোবাৰ আনন্দৰ কাৰণ হ'ব পাৰে? যদি পাৰে তেন্তে ঘাতক কেতিয়াও তেজ মঙহৰ হব নোৱাৰে সিহঁত মানুহ নহয় পিশাচ দৈত্য বৰ্বৰ নৰখাদক--। মই আৰু ভাবিব নোৱাৰিলো দুইহাতে বুকুখন খামোচি ধৰিলো কানত থাকিল 'ব'ম্ব ফুটাৰ দৰে শব্দ'। কালিলৈৰ ফোনত তাই যেন নকয়, মই যেন নুশুনো তাইৰ অপেক্ষিত ট্ৰেইনখন লাইনচ্যুত হ'ল অথবা তাইৰ শিৰৰ সেন্দুৰ--। নাই, মই আৰু

# শৈক্ষিক পৰিৱেশ আৰু আমাৰ মহাবিদ্যালয়

বেবীছায়া পাতিৰি
স্নাতক দ্বিতীয় বৰ্ষ

শিক্ষা হৈছে মানৱ সভ্যতাৰ জখলাস্বৰূপ। আদিম যুগৰ পৰাই মানৱ জাতিয়ে বিভিন্ন ধৰণৰ পৰিবেশ-পৰিস্থিতিত পোৱা বিভিন্ন ধৰণৰ অভিজ্ঞতাৰ আলমত এই জাগতিক পৃথিৱী আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ বিষয়ে জ্ঞান লাভ কৰি বৰ্তমানৰ এই পৰ্য্যায়ত উপনীত হৈছেহি। জ্ঞান লিপ্সা মানুহৰ সহজাত প্ৰবৃত্তি। জ্ঞান পিপাসু সেই অদম্য স্পৃহাই আমাৰ চৌদিশৰ পৰিবেষ্টিত ঘটনাসমূহৰ প্ৰতি অনুসন্ধিৎসু মনোভাৱ জগাই তুলে। জীৱ শ্ৰেষ্ঠ মানৱ জাতিয়ে সেই ঘটনাৰাজি সমূহৰ পৰা আহৰণ কৰা জ্ঞান সমূহ উত্তৰ-পুৰুষৰ বাবে অৰ্জন কৰি থৈ গৈছে যাতে সেইবিলাকৰ সমুচিত শিক্ষাৰে বিশ্ববাসী আৰু এখাপ উন্নতিৰ পথত আগুৱাই যাব পাৰে।

শৈক্ষিক পৰিবেশ বুলিলে এটা সুস্থ আৰু শান্তিময় পৰিবেশত বৌদ্ধিক আৰু নৈতিক জ্ঞান বৰ্ধনৰ বাবে একাগ্ৰতাৰে অধ্যয়ন কৰাকে বুজায়। এক সুস্থসবল শৈক্ষিক পৰিবেশে প্ৰকৃত সুনাগৰিক গঢ়াত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। বৰ্তমানৰ প্ৰচলিত সমাজ ব্যৱস্থা শিক্ষাৰ মানবৈশিষ্ট্যৰ ওপৰত প্ৰতিষ্ঠিত। এগৰাকী সুনাগৰিকৰ যোগ্যতাৰ মাপকাঠি তেওঁৰ শিক্ষাৰ মানপত্ৰৰ ওপৰত নিৰ্ভৰ কৰাত শৈক্ষিক পৰিবেশৰ গুৰুত্ব আৰু অধিক প্ৰয়োজন হৈ পৰিল।

পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত শিক্ষাই হ'ল একমাত্ৰ আহিলা যিয়ে জ্ঞান পিপাসু মানৱ জাতিক জ্ঞানৰ মৌ ৰস পান কৰাত ইন্ধন যোগাই আহিছে। পাঠ্যপুথিৰ জ্ঞানেই কেৱল মানুহক শিক্ষিত কৰে এনে

পৃথিৱীবাসীক চিন্তান্বিত কৰি তোলা যুদ্ধৰ বিভীষিকা, উগ্ৰপন্থী সমস্যা, পাৰিপাৰ্শ্বিকতাৰ তাৰতম্য, ৰাজনীতিৰ অৰাজকতা উশৃংখল সমাজ ব্যৱস্থা আদি সমস্যাই শৈক্ষিক পৰিবেশৰ ধাৰাবাহিকতাত কিঞ্চিত পৰিমাণে অৱক্ষয় ঘটাইছে।

আমাৰ দেশৰ বহুতো উন্নত ৰাজ্যসমূহৰ তুলনাত অসমৰ দৰে শিক্ষাৰ ক্ষেত্ৰত পিছপৰা ৰাজ্যৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠা একোটা অঞ্চলৰ উন্নয়নৰ মাইলৰ খুঁটি। সোণাৰিৰ দৰে মফচলীয়া অঞ্চলত সোণাৰি মহাবিদ্যালয়ে যে অন্য মহাবিদ্যালয়ৰ লগত ফেৰ মাৰিব পৰাকৈ উচ্চ শিক্ষাৰ যি অৱদান আগবঢ়াইছে ই অতি উল্লেখনীয়। ফুলে ফলে জাতিষ্কাৰ বৃক্ষ সদৃশ বৰ্তমান সোণাৰি মহাবিদ্যালয়ৰ এক ইতিহাস পোৱা যায় য'ত বহু স্বনামধন্য ব্যক্তিৰ অসীম ত্যাগৰ কাহিনী।

১৯৭০ চনৰ ৫ আগষ্ট। ই সমগ্ৰ সোণাৰিবাসীৰ বাবে স্মৰণীয় দিন। সেই দিনাই সোণাৰি ৰাজহুৱা খেল পথাৰৰ সমীপত অৱস্থিত জিমখানা ক্লাৱ ঘৰত আৰম্ভ হৈছিল সোণাৰি মহাবিদ্যালয়ৰ শুভ আৰম্ভণি। মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক পৰ্য্যায় অতি চৰুকলীয়া আছিল ই ধ্ৰুৱপ। মহাবিদ্যালয়ৰ আঁত ধৰোঁতা ব্যক্তি কেইগৰাকী ক্ৰমে সৰ্বশ্ৰী প্ৰণৱিৰাম বৰুৱা, ডিম্বেশ্বৰ গগৈ, কনক বৰুৱা, শান্তালাল আগৰৱালা, আফতাবুল হুছেইন দেৱক শ্ৰদ্ধাৰে আমি সোঁৱৰিব লাগিব। এওঁলোকৰ অশেষ অহোপুৰুষাৰ্থৰ অন্তত ৯৬ জন ছাত্ৰ-ছাত্ৰী আৰু ৬ গৰাকী শিক্ষক শিক্ষয়িত্ৰীৰে একোটা

সহায় সহযোগিতা অতি আদৰণীয় আছিল। সোণাৰি বাসী তথা অভিভাৱক সকলৰ নিজ সন্তানৰ উচ্চ শিক্ষাৰ প্ৰতি থকা সচেতনতাৰ সফল পৰিণতিৰ ফলস্বৰূপে হ'ল সোণাৰি মহাবিদ্যালয়।

সোণাৰি মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষৰ পদ অলংকৃত কৰিছিল বৰ্তমান অৱসৰ প্ৰাপ্ত শ্ৰী গোলাপ বৰগোহাঁই দেৱে। মহাবিদ্যালয়ৰ প্ৰতি থকা তেখেতৰ অৱদান মহাবিদ্যালয়ৰ ইতিহাসত স্মৰণীয় হৈ ৰব। তদুপৰি মহাবিদ্যালয় প্ৰাৰম্ভিক শিক্ষাগুৰু সকল শ্ৰী সুৰেশ দাস, ৰবীন কোঁৰ, প্ৰণৱ কুমাৰ খাউণ্ড, সোণমাই বৰা, কমলাৱতী শইকীয়া, ৰতিপ্ৰভা গগৈ ছাৰ বাইদেউৰ অৱদানৰ প্ৰতি আমি চিৰকৃতজ্ঞ হৈ ৰম।

কলা শাখাৰ জৰিয়তে পাঠদান আৰম্ভ হোৱা সোণাৰি মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰ হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল শ্ৰী প্ৰিয়তোষ চাংমাইয়ে আৰু প্ৰথম ছাত্ৰী হোৱাৰ গৌৰৱ অধিকাৰী হৈছিল শ্ৰীযুক্তা খুচি প্ৰাণমাণিকে। শ্ৰীযুক্তা খুচি প্ৰামাণিক বাইদেউ আমাৰ ছাত্ৰীসকলৰ বাবে আদৰ্শ হৈ ৰ'ব। কিয়নো অৱহেলিত নাৰী শিক্ষাৰ সকলো বাধা নেওচি বাইদেৱে যি সাহসৰ দৃষ্টান্ত দি গ'ল ই সচাঁকৈয়ে প্ৰশংসনীয় হৈ ৰব। সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সময়ত সীমিত শ্ৰেণীকোঠা, বেঞ্চ ডেস্কৰ অভাৱৰ মাজতো সুশৃংখলভাৱে পাঠদান গ্ৰহণ কৰিব লগা হৈছিল। তেনে এক প্ৰতিকূল পৰিবেশত যি সুস্থ শৈক্ষিক পৰিবেশৰ ৰচনা কৰি থৈ গৈছে ই আমাৰ বাবে অনুপ্ৰেৰণীয়।

১৯৭৩-৭৪ চনতহে আমাৰ মহাবিদ্যালয়ে এক পূৰ্ণাঙ্গ কলা মহাবিদ্যালয়ত পৰিণত হয়। ১৯৭৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰই প্ৰথম স্নাতক ডিগ্ৰী লাভ কৰে। সেই সময়ৰ পৰা বৰ্তমানলৈকে প্ৰতিবছৰে গড়ে ৩০-৪০ জন ছাত্ৰ-ছাত্ৰীয়ে স্নাতক ডিগ্ৰীৰ সন্মান লাভ কৰে। আমাৰ

গৌৰৱৰ বিষয়। স্নাতক ডিগ্ৰীধাৰী সকলৰ পৰৱৰ্তী কৰ্মৰাজিয়ে ব্যক্তিগত লাভালাভৰ লগতে সমাজ তথা দেশৰ উন্নয়নত চাহিদা যোগাই আহিছে।

বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত বিজ্ঞানক জনাৰ প্ৰয়াসেৰে আমাৰ মহাবিদ্যালয় প্ৰতিষ্ঠা দহ বছৰ অৰ্থাৎ ১৯৮৪-৮৫ চনত বিজ্ঞান শাখা আৰম্ভ হয়। অতি কম সময়ৰ ভিতৰত ব্যয়বহুল বিজ্ঞান শাখাৰ অঙ্কুৰণে পুনৰ বাৰৰ বাবে ছাৰ বাইদেউ আৰু ৰাইজৰ সহযোগিতাৰ কথা প্ৰমাণ কৰে। বৰ্তমান বিজ্ঞান শাখাত প্ৰাণীবিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান, কলা শাখাত ইংৰাজী, অসমীয়া, অৰ্থনীতি, বুৰঞ্জী, ৰাজনীতি আৰু শিক্ষা বিভাগত মেজৰ শ্ৰেণীৰ পাঠদান দিয়াৰ কাৰ্য্যই আমাৰ মহাবিদ্যালয়ৰ পূৰ্ণাঙ্গ ৰূপকে দাঙি ধৰে।

একবিংশ শতিকাৰ আবাসীৰূপে পৰিচয় দিয়াৰ পূৰ্বে আমি সকলোৱে যে আমাৰ সমাজত প্ৰচলিত কুসংস্কাৰ কালিমাসনা আৱৰণখন আঁতৰাই জ্ঞান-বিজ্ঞানেৰে সমৃদ্ধ হৈ এটা নিকা ভাৱধাৰাৰে পৰিপুষ্ট হব লাগিব। ই সম্ভৱ হৈ উঠিব যেতিয়াই শিক্ষাক মানুহে অন্তৰকণেৰে আদৰি লব। সকলোৱে শিক্ষাৰ মূল্য বুজিবলৈ এটা সুস্থ শৈক্ষিক পৰিবেশৰ আৱশ্যক। এনে এক শৈক্ষিক পৰিবেশ সৃষ্টি কৰাত আমাৰ মহাবিদ্যালয়খনে অহোপুৰুষাৰ্থ চলাই আহিছে। আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ শৈক্ষিক পৰিবেশটোক পৰ্য্যায়লোচনাৰ দ্বাৰা উনুকিয়াই চলি জাৰি চালে তাৰ আনুসাংগিক ফলাফল পোৱা যাব।

বৰ্তমান গ্ৰন্থ অধ্যয়নে সমগ্ৰ বিশ্বতে এক বিপ্লৱৰ সূচনা কৰিছে। তেনে এথ ক্ষণত আমাৰ মহাবিদ্যালয়ত অৱস্থিত পুথিভঁৰালটোৱে ছাত্ৰ-ছাত্ৰীসকলক একাধিকপৰ্য্যায়ত নহলেও সীমিত পৰিমাণে জ্ঞান বিকাশত সহায়ক হৈছে বুলিব পাৰি। মহাবিদ্যালয়খনৰ আৰ্থিক পুঁজিলৈ লক্ষ্য ৰাখি পুথিভঁৰালৰ কিতাপ যোগান ধৰাৰ ক্ষমতা সচাঁকৈয়ে অতি প্ৰশংসনীয়।

গ্ৰাম্যাঞ্চলৰ। তেওঁলোকৰ পৰিয়ালৰ আৰ্থিক অৱস্থা ইমান টনকীয়াল নহয় যে অভিভাৱক সকলে সকলো পাঠ্যপুথিৰ কিনি দিব পাৰিব। তেনে ছাত্ৰ-ছাত্ৰীয়ে কিন্তু আমাৰ মহাবিদ্যালয়লৈ অতি হেপাহেৰে শিক্ষা গ্ৰহণৰ বাবে আহে। সেইসকল ছাত্ৰ-ছাত্ৰীৰ অভাৱ দূৰ কৰাত পুথিভৰাঁলটোৱে যে কৃতকাৰ্য্য হৈছে তাক প্ৰত্যেক দিনাই পুথিভৰাঁলত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰে বুজায়। দেশবিদেশৰ বা-বাতৰি পোৱা তেনে ছাত্ৰ-ছাত্ৰীৰ বাবে অতি দুৰ্লভ। কিন্তু পুথিভৰাঁলৰ পৰা যোগান ধৰা ভিন্ন ভাষাৰ বাতৰি কাকত, আলোচনী সমূহে সেই অসুবিধা দূৰ কৰাত যথেষ্ট সহায় কৰিছে। পুথিভৰাঁলৰ ভিতৰৰ পঢ়া পৰিবেশে ছাত্ৰ-ছাত্ৰীৰ অফ পিৰিয়ডৰ সময়বোৰ অপচয় হোৱাৰ পৰা ৰক্ষা কৰে। মহাবিদ্যালয়ৰ কতৃপক্ষ, গ্ৰন্থাগাৰ বাইদেউ আৰু ইয়াৰ কৰ্মচাৰীসকলৰ সহযোগীতাই আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এটা সুশৃংখল,শান্তি বাতাবৰণ সৃষ্টিৰ দ্বাৰা এক সুস্থ শৈক্ষিক পৰিবেশ গঠনত সদায় সহায় আগবঢ়াই আহিছে।

আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা ফুটি উঠাৰ একমাত্ৰ মাধ্যম হৈছে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহে প্ৰতিবছৰে আমাৰ মাজৰ শ্ৰেষ্ঠ প্ৰতিভাক অন্বেষণ কৰি পুৰস্কিত কৰা কাৰ্য্যই আমাক যথেষ্ঠ উৎসাহিত কৰে। খেলা-ধূলা, সাহিত্যচৰ্চা আৰু সংগীত নাটকৰ চৰ্চাৰ জৰিয়তে আমাৰ ছাত্ৰী-ছাত্ৰী সকলৰ মাজত বন্ধুত্ব আৰু একতাৰ মনোভাৱ দৃঢ় কৰাৰ উপৰিও মহাবিদ্যালয়ৰ চৌপাশে এটা সুস্থ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাত সহায়ক হয়।

আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভাক স্বীকৃতি প্ৰদান আন এক প্ৰচাৰ মধ্যেম হল আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা আৰু বছেৰীকায়া আলোচনীখন। ইয়াত আমাৰ লেখনি আৰু চিন্তাধাৰাক অধিক প্ৰাধান্য প্ৰদান কৰা হয়। ইয়াৰ লগতে প্ৰকাশ হোৱা ছাৰ বাইদেউৰ বহুমূলীয়া লেখনি সমূহেও আমাক আলোচনীখনক আমাৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ মাধ্যম বুলিব পাৰি।

আমাৰ মহাবিদ্যালয়ৰ আটাইতকৈ আদৰৰ হ'ল নৱাগত 'আদৰণি সভা'। নৱাগত আদৰণি সভাক ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলন অনুষ্ঠান বুলি কলেও ভুল কোৱা নহব। অতীতক বিদায় দি বৰ্তমানক আদৰি লোৱা প্ৰকৃতিৰ চিৰাচৰিত নিয়ম। প্ৰকৃতিৰ সেই নিয়মকে অনুকৰণ কৰি আমাৰ মহাবিদ্যালয়ৰ পুৰণি ছাত্ৰ-ছাত্ৰীসকলে নতুন ছাত্ৰ-ছাত্ৰী সকলক আদৰিবলৈ প্ৰস্তুতি চলায়। কিন্তু বৰ্তমান এই "পৰিচয় পৰ্ব" বিভিন্ন পৰিবৰ্তনৰ দ্বাৰা "ৰেগিং" নামৰ এটা বিভীষিকাৰ অপবাধলৈ পৰিবৰ্তন হ'ল। ভাল মহাবিদ্যালয় সমূহত ৰেগিংৰ জ্বৰে নতুন ছাত্ৰ-ছাত্ৰীক বাৰুকৈ পানী খুৱাইছে। মেধাৱী ছাত্ৰ-ছাত্ৰী সকলে ৰেগিংৰ প্ৰকোপ সহিব নোৱাৰি সিমানতে শিক্ষা জীৱনক বিপৰ্যয়ত পেলাই ঘৰলৈ গুচি আহিব লগা অৱস্থা হয়। কিন্তু আমি ন দি ক'ব পাৰো যে আমাৰ মহাবিদ্যালয় ৰেগিংৰ দৰে ধ্বংস কামী ব্যাধিৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত। গতিকে ৰেগিং মুক্ত আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশে ছাত্ৰ-ছাত্ৰীক এটা সুন্দৰ পঢ়াৰ পৰিবেশ দিছে। আমাৰ মহাবিদ্যালয়ত অগ্ৰজ আৰু অনুজ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ভ্ৰাতৃত্বৰ মনোভাৱ দেখা যায়। আদৰণি সভাত অগ্ৰজ সকলে নতুন ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়লৈ স্বাগতম জনাই এই মহাবিদ্যালয়ৰ যোগেদি তেওঁলোকৰ অনাগত শিক্ষা জীৱন সফল হোৱাৰ কামনা কৰে। নৱাগত আদৰণি সভালৈ আমন্ত্ৰণ কৰি অনা অতিথী বক্তাসকলেও তেওঁলোকৰ বহুমূলীয়া উপদেশমূলক ভাষণে ছাত্ৰ-ছাত্ৰীৰ সোণালী ভৱিষ্যত অনুপ্ৰেৰণাদায়ক হয়।

ছাত্ৰ একতাসভাৰ নিৰ্বাচন প্ৰত্যেক বিদ্যালয়, মহাবিদ্যালয়ৰ অবিচ্ছেদ্য অংগ। সমাজ তথা দেশৰ প্ৰতিনীধি স্বৰূপ ছাত্ৰসমাজৰ প্ৰতিনীধিত্বৰ প্ৰথম সতাক ছাত্ৰ-ছাত্ৰীৰ মতামত প্ৰদৰ্শন আৰু অধিকাৰ সাব্যস্ত কৰা মাধ্যম হিচাপে গণ্য কৰিব পৰা যায়।

সম্প্ৰতি কিছু বছৰ ধৰি আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা "আলোচনা চক্ৰত আলোচিত গভীৰ বিষয়সমূহে ছাত্ৰ-ছাত্ৰীৰ আধৰুৱা জ্ঞান আহৰণত সহায় কৰিছে।

মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰাৰ উদ্দেশ্যে বিভিন্ন বিষয়ত প্ৰথম শ্ৰেণী আৰু প্ৰথম স্থান লাভ কৰোঁতা সকললৈ কিছুমান আৰ্কষণীয় উপহাৰ দিয়াৰ ব্যৱস্থা কৰিছে। অতি গৌৰৱৰ বিষয় যে এইবাৰ স্নাতক কলা শাখাত দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী অধিকাৰ কৰি সমূহ ছাত্ৰ-ছাত্ৰীক যথেষ্ট উৎসাহিত কৰাৰ লগতে অনুপ্ৰাণিত কৰিছে। ছাত্ৰ-ছাত্ৰী দুগৰাকীৰ সাফল্যই বিশ্বৰ দৰবাৰত সোণাৰি মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিবেশ দাঙি ধৰিবলৈ সক্ষম হ'ল।

মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিবেশ গঠনত অধ্যাপক সকলৰ ভূমিকা লেখত লবলগীয়া। আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলে আমাক সহায় আগবঢ়াবলৈ সদায় প্ৰস্তুত। শ্ৰেণী পাঠদানৰ সময়ত ছাৰ বাইদেউসকলে আমাৰ লগত এনে এটা পৰিবেশৰ সৃষ্টি কৰে যেন তেওঁলোকে আমাক শিকোৱা নাই আমাৰ লগত বিষয়টোৰ ওপৰত আলোচনাহে কৰিছে। আমাৰ বোধগম্য নোহোৱা বিষয়সমূহ শ্ৰেণীৰ বাহিৰতো বুজাবৰ বাবে কুণ্ঠাবোধ নকৰে। আমাৰ ছাৰ বাইদেউ সকলৰ উপদেশসমূহ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত তথা ব্যক্তিগত জীৱনত সদায়েই সহায়ক হ'ব।

আমাৰ মহাবিদ্যালয়খন সোণাৰিৰ দৰে মফচলীয় অঞ্চলৰ উচ্চশিক্ষাৰ একমাত্ৰ স্থান। কিন্তু ই আমাৰ বাবে আশীৰ্বাদৰ স্বৰূপ। কিয়নো ইয়াত দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলেই অধ্যয়ণৰ বাবে আহে। দ্ৰব্য, উশৃংখলতা আদি সমস্যাসমূহৰ পৰা মুক্তই বুলিব পাৰি। বৰ্তমান অসম ৰাজ্যৰ অশান্ত বাতাবৰণে আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশক অনিষ্ট কৰিব পৰা নাই যদিও 'অসম বন্ধ'ৰ দৰে বন্ধৰ কাৰ্য্যসূচীয়ে দূৰৰ ছাত্ৰ-ছাত্ৰীক প্ৰভাৱ পেলাইছে।

সোণাৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বাহাল ৰখাত আমি ছাত্ৰ সমাজেই শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

১। ছাত্ৰ-ছাত্ৰী সকলে অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ সকলো সক-বৰ কৰ্মচাৰী সকলৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ, অগ্ৰজসকলে অনুজসকলৰ প্ৰতি স্নেহ, প্ৰীতি আৰু উৎসাহ আৰু সহপাঠী সকলৰ পৰস্পৰৰ মাজত সৌহাদ্য স্নেহ প্ৰদৰ্শন কৰিব লাগিব।

২। নিয়মিতভাৱে পাঠদান কাৰ্য্যত উপস্থিত থাকি শিক্ষনীয় খিনি গ্ৰহণ কৰাৰ লগতে অধ্যাপকসকলক তেওঁলোকৰ পাঠদান কাৰ্যসূচি চলাই যোৱাত সহায় সহযোগ কৰিব লাগিব।

৩। বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বহুল প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি সকলো ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানসন্মত পদ্ধতিৰে শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰাহন্বিত হব লাগিব।

৪। সকলো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত মাৰ্জিত আচৰণ বাহাল ৰাখিব লাগিব।

৫। পৰীক্ষাগৃহত নকল কৰাৰ দৰে অক্ষমণীয় চৌৰ্য্যব্যাধিৰ পৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে মুক্ত হব লাগিব।

৬। ছাত্ৰ একতা সভাই সময় সুবিধা চাই তৰ্ক কুইজ আদিৰ দৰে প্ৰতিযোগিতা পতা উচিত যাতে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱ জাগি উঠে।

সদৌশেষত সোণাৰি মহাবিদ্যালয়ৰ

# “বায়নৰ খোল” নাটৰ ওপৰত এটি আলোকপাত

মিনাক্ষী কটকী
স্নাতক ৩য় বৰ্ষ

“ধৰ্মীয় ভাৱৰ জীপত সংস্কৃতি লহপহকৈ বাঢ়ে। ধৰ্মৰ কান্ধ সোলোক ঢোলোক হ’লে সংস্কৃতি বিজতৰীয়া হ’বলৈ চেলু পাই। তেনে সুযোগ মিলিলে, বিজতৰীয়া সংস্কৃতিয়ে ৰঘুমলাৰ দৰে ঘাই গছজোপা ছাতি পেলায় অৱক্ষয় পাতনি মেলে।”

এইয়ে বায়নৰ খোল নাটক জন্মৰ মূল কাৰণ। যুগল দাসৰ ৰচিত নাট বায়নৰ খোল মূখ্যতঃ আমাৰ পৰম্পৰাগত অসমীয়া সংস্কৃতিৰ গৌৰৱময় ঐতিহ্যৰ ভেটিত প্ৰতিষ্ঠিত। আমাৰ অসমীয়া সমাজত পূৰ্বৰে পৰা চলি অহা কিছুমান ধৰ্মীয় উৎসৱ, নীতি নিয়ম পূজা পাতলে অসমীয়া সংস্কৃতিক বান্ধি ৰাখিছে অবিছিন্নভাৱে। সংস্কৃতি এনে এটা বস্তু য’ত নিহিত হৈ থাকে মানৱ জীৱনৰ অন্য এক কলাত্মক দিশ যাক লৈ মানুহে গৌৰৱ অৰ্জন কৰিব পাৰে। সংস্কৃতিয়ে এখন সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰে, এজন ব্যক্তিৰ ব্যক্তিত্ব ৰক্ষা কৰে। ঠিক তেনেধৰণৰ অসমীয়া সংস্কৃতিৰ লাইখুটা নামঘৰতে প্ৰথম স্থাপন কৰিছিল শ্ৰীমন্ত শংকৰদেৱে। অসমীয়া সংস্কৃতিত বাৰে ৰহনীয়া সৌন্দৰ্য্যৰ সুষমাই অসমীয়া জনজীৱনৰ ভেটি জাক্‌জমকীয়া কৰি তুলিছে। সেই অসমীয়া সংস্কৃতিৰ আটাইতকৈ ডাঙৰ তথা মহিমামণ্ডিত ধৰ্মানুষ্ঠান হৈছে ‘নামঘৰ’ সেই নামঘৰৰ মজিয়াতে জন্ম লাভ কৰিছিল ভাওনা, খোল, তাল, মৃদঙ্গ, নাম প্ৰসঙ্গৰে সু-সজ্জিত এক ধৰ্মীয় বান্ধোনৰ। শংকৰ মাধৱৰ গুণ গৰিমাৰে মুখৰিত এই ধৰ্মানুষ্ঠানৰ গাতে ভেজা দি যুগল দাসে অসমীয়া সংস্কৃতি আৰু বৰ্তমান ইয়াৰ অৱক্ষয়ৰ কথা ‘বায়নৰ খোল’ নাটকৰ যোগেদি উপস্থাপন কৰিছে। লেখকে আড়ম্বৰ তাকে নিখুঁতভাৱে অৱগত কৰিছে।

নাটকখনিৰ আৰম্ভণি অৰ্থাৎ পাতনিতে উল্লেখ কৰা ‘নল মৰি গজালি ওলায়’ এই অৰ্থপূৰ্ণ চিৰন্তন সত্য বাক্যশাৰীয়ে মূলতঃ সংস্কৃতিৰ কথাকে সাঙুৰি লৈছে। পুৰণি সংস্কৃতিৰ গাতে ভেজা দিহে পুনৰ নতুন একোটা সংস্কৃতিৰ উদ্ভৱ হয়। তেতিয়াই পুৰণি সংস্কৃতিৰ কিছু পৰিমানে অৱক্ষয় ঘটে নতুনৰ হাতত। বৰ্ত্তমান সমাজত সাহিত্য সংস্কৃতিকে আদি কৰি বিভিন্ন দিশবোৰে নতুন আলোড়নৰ সৃষ্টি কৰিছে। যাৰ বাবে পৰম্পৰা পুৰণি ধ্যান ধাৰণাই সেও মানি আঁতৰি থাকিবলৈ বাধ্য হৈছে। এনে এক সন্ধিক্ষণতে যুগল দাসে অসমীয়া ভাওনাৰ বৰ্ত্তমান যি অৱহেলিত দৃষ্টি তথা মনোভাৱ তাকে উপস্থাপন কৰিবলৈ গৈ নাটকৰ মাধ্যমেৰে ‘বায়নৰ খোল’ লিখিছে। ইয়াত তেওঁ ভাওনাৰ বিষয়ে সাৱলীলভাৱে বৰ্ণনা কৰিছে। আৰু সেই বৰ্ণনাৰ মাজেৰে সমাজৰ এচাম প্ৰগতিকামী যুৱকৰ যি অভিলাস তাৰ লগে লগে বুঢ়া মেথাসকলৰ পৰম্পৰাবাদী মনোভাৱৰ কথা সুন্দৰভাৱে বৰ্ণনা কৰিছে। তেওঁ সমাজৰ পৰিবৰ্ত্তন বিচাৰে কিন্তু পুৰাণি দা-দস্তুৰক নেউচি নহয়, বৰঞ্চ সেই অতীতক আশীষ তথা আধাৰ হিচাবে লৈহে নতুনত্ব বিচাৰে।

নামঘৰেই হ’ল ধৰ্মীয় সমাজৰ লাইখুটা মহাপুৰুষ শংকৰদেৱৰ কালৰ পৰাই নামঘৰত অসমীয়া সংস্কৃতিৰ প্ৰতিটো দিশ সাঙুৰ খাই আছে। গাঁৱৰ বুঢ়া মেথাসকলে ডেকাসকলক তথা আন আন লোকক ধৰ্মীয় ৰীতি-নীতি নিয়ম কানুনৰ বিষয়ে দোহাই কয়। কিন্তু সেই নামঘৰত বিজতৰীয়া পাশ্চাত্য প্ৰভাৱৰ একাষৰীয়া হ’ল, স্থান পালে থিয়েটাৰে। নাম ঘৰৰ মণিকোটৰ সন্মুখত নাম প্ৰসঙ্গৰ পৰিৱৰ্ত্তে উদ্ভৱ হ’ল এচাম ভদ্ৰ সমাজৰ অভদ্ৰ কাৰ্য্যকলাপ। গাওঁখনক ধৰি থকা বুঢ়া মেথাসকলক অৱমাননা কৰি নতুন সৃষ্টিৰ পোহাৰ পাতিলে। সেই নতুন সৃষ্টিকে দেখুৱালে থিয়েটাৰ স্বৰূপে য’ত পূৰ্বতে আছিল নাম-গুণ ভক্তিৰে ভৰপূৰ ভাওনা। নাট্যকাৰে দেখুৱাই দিলে ভাওনাৰ পৰিবেশত থিয়েটাৰৰ প্ৰস্তুতিক।

এটা শ্লোকেৰে আৰম্ভ কৰা নাটখনৰ মূলবস্তু হ’ল ভাওনা। ইয়াত ‘বামবিজয়ৰ’ যিটো শ্লোক অনা হৈছে তাৰ মাজেৰে ‘ৰামবিজয়’ নাটকক প্ৰতীক ৰূপে লৈ এক বিশেষ সাদৃশ্য সৃষ্টি কৰাৰ হেপাহ নাট্যকাৰৰ উদ্দেশ্যত নিহিত হৈ থকা দেখা যায়। ‘ৰামবিজয়’ৰ দ্বাৰা যেন ভাওনাৰ সঞ্জীৱনীহে ঢালিছে। নাট্যকাৰে একনিষ্ঠ সাধকৰূপে বায়নক সজাইছে। গায়ন আৰু বায়নে বিজতৰীয়া সংস্কৃতিৰ বিৰুদ্ধে থিয় দিছে। সেয়ে নাটকখনত এফালে বায়ন আৰু আনফালে জয়ৰামৰ চৰিত্ৰই মানসিক তথা শাৰিৰীক ভাৱে সচেতন ব্যক্তি ও প্ৰতিদ্বন্দী হিচাপে থিয় দিছে। জয়ৰাম নতুন যুগৰ আদৰ্শৰ প্ৰতীক আনফালে বায়ন আঁকোৰ গোজ পুৰণি সংস্কৃতিৰ ওপৰত।

সোনালীপামত ভাওনা পাতিবলৈ সিদ্ধান্ত লৈছে মহাপুৰুষজনাৰ তিথিত। সেইমতে গাওঁৰ বুঢ়া মেথা সকলে সকলো বোৰ কাম কাজ আগুৱাই নিবলৈ উঠি পৰি লাগিছে। এই খিনিতে ভুমুকি মাৰিছে জয়ৰাম ও তগৰৰূপী আধুনিক নীতিবোধে। তগৰ শিক্ষিতা, হ’লেও নীতিবোধ, পৰম্পৰাৰ প্ৰতি তগৰৰ লগতে জয়ৰাকৰো দৃষ্টি সম্পূৰ্ণ বিপৰীত নহয়। যিহেতু নতুনত্বই সদায় পৰিৱৰ্ত্তন বিচাৰে। এখন সমাজক প্ৰগতিৰ পথত আগুৱাই যাবলৈ, নতুনত্ব আনিবলৈ শিক্ষিত যুৱক-যুৱতীৰ দৰে তগৰ জয়ৰাম হঁতেও চেষ্টা কৰে। ঠিক তেনেদৰে সিহঁতে সফল হয় পুৰণিক মিলাবলৈ মাষ্টৰ, সাতোলা, মেধি, গায়ন সকলো সৈমান হ’ল যদিও বায়ন কিন্তু অলৰ অচৰ। এইয়ে হ’ল পৰম্পৰাবাদী এটা মূৰ্ত্তিমান ৰূপ। গাওঁৰ আটাইবোৰ আলচ কৰি থিয়েটাৰ পতাটো স্থিৰ কৰিলেও বায়নে কিন্তু অকলেই ভাওনা পতিলে নিজৰ ঘৰতে। বায়নৰ মতে অন্ততঃ মহাপুৰুষজনাৰ তিথিত ভাওনা এখন হ’লেও পাতিব লাগে। কিন্তু তেওঁৰ কথাত কোনেও আনকি নিজৰ জীয়েক তগৰেও অৱমাননা কৰি থিয়েটাৰ পতাত তেওঁ থিৰেৰে ৰব নোৱাৰিলে। আধুনিকতাৰ গৰাহত থলুৱা সংস্কৃতি মৃতপ্ৰায় হোৱা অৱস্থা দেখি আৱেগ প্ৰৱণতাত তেওঁ অশোভনীয় বাক্যবাণও নিক্ষেপ কৰিছে হ’লেও ই নীতি বিবৰ্জিত নহয়। বৰঞ্চ নতুন চামৰ বাবে দিয়া এক সকিয়নীহে।

নাটকখনিৰ আদিভাগতে আমি তগৰ আৰু জয়ৰামৰ প্ৰকৃতস্থ প্ৰেমৰ বিষয়ে উমান পাওঁ। এই প্ৰেম ৰোমান্তিক নহয়, সহজ সৰল গাঁৱলীয়া প্ৰেম। যাৰ বাবে পিতাকৰ বিপৰীতে থিয়েটাৰত নামিবলৈ ভয় কৰা নাই। ইয়াৰোপৰি ছোৱালীয়ে ভাওনা নকৰা, ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ থকা দেউতাকে নিজৰ ছোৱালীয়ে ৰন্ধা ভাত নোখোৱা আদিৰ কথাবোৰ প্ৰকাশ পাইছে। জয়ৰামে কিন্তু তগৰক ইয়াৰ পৰা মুক্ত কৰিব বিচাৰিছে। ভাওনা সকলোৱে বেয়া পায়, জয়ৰামহঁতৰ দৰে। হ’লেও কিন্তু জয়ৰামে শেষত উপলব্ধি কৰিছে নগ্ন বাস্তৱ তথা ক্ষয়িষ্ণু বৰ্তমানৰ সংস্কৃতিক অন্ধ অনুকৰণ কৰি পুৰণি সংস্কৃতি, পৰম্পৰাক বাদ দিয়াটো বাতুলতাহে। যাৰ বাবে শপত খাই কৈছে ‘আমি আৰু গাঁৱত থিয়েটাৰ নাপাতো, আমি আগলৈ তিথিত ভাওনাহে পাতিম’। ভাওনা আমাৰ বাপুতি সাহোন, গুৰুজনাই দিথৈ যোৱা বস্তু। ইয়াৰ পৰম্পৰা আছে, মাটিৰ গোন্ধ আছে লাগিলে ধূলি মাকতি গুছাই ধুই পখালি ল’বি।

সংঘাতহে বুলিব পাৰি। ভাওনাক মাত্ৰ মাধ্যম হিচাপেহে লোৱা হৈছে ইয়াৰ দ্বাৰা কেৱল ভাওনাই নহয় আপুৰুগীয়া সম্পদবোৰো যে নতুনৰ তথা আধুনিকতাৰ সোঁতত জাহ গৈছে তাকো পৰোক্ষ ভাৱে বুজোৱা হৈছে। অসমীয়া সংস্কৃতি, ধৰ্ম আচৰণ, ৰীতি নীতিৰ মৌ-কুঁহ সোমাই আছে পুৰণি সংস্কৃতিৰ দেহত। মাত্ৰ তাক বিচাৰিব নাজানি পাশ্চাত্য কৃত্ৰিম আমোদ প্ৰমোদৰ মাজত, জাক্-জমকৰ মাজত হেৰাই গৈছে আজিৰ সমাজ সংস্কৃতি। সমাজৰ কম শিক্ষিত এচম লোকে বাহিৰলৈ ওলাই গৈ নিজকে ভদ্ৰ সজাই সমাজখনত জধে-মধে আধুনিকতা সজাব বিচাৰে। যাৰ ফলত হোজা গাঁৱলীয়া এচাম লোক মোহ গৈ পাছত বিপদত পৰে। আমাৰ সমাজত ৰঘুমলাৰূপী এচাম লোকে এনেদৰেই কাল কটাইছে।

আমাৰ অসমীয়াত এষাৰ কথা আছে 'বুঢ়াৰ কথা নুশুন ডেকা টানত পৰি কিয় কেকা' সেইদৰেই ডেকাচামে সময়ত ভুল বুজি, টানত পৰি পুনৰ পুৰণি ঐতিহ্যৰ ওচৰতে মূৰ দোৱাব লগা হ'ল। থিয়েটাৰ পথাৰ পৰা আহি বায়নৰ ঘৰৰ মনিকূটৰ সলনি এগচি বন্তিৰ আগত বায়নৰ চৰণত আঠু ল'লে। পিছত বায়নে সকলোকে আশীষ দিছে, ভাওনা সংস্কৃতি ৰাখিবৰ বাবে কাকূতি কৰিছে। বায়নে নতুনকো আদৰিবলৈ কৈছে। অৰ্থ্যাৎ থিয়েটাৰ পাতিবলৈ কৈছে, কিন্তু গুৰুজনাৰ তিথিত ভাওনা পাতিবলৈ বাৰে বাৰে সঁকিয়াই দিছে। সেইমতে ডেকাসকলেও মান্তি হৈছে। বায়নৰ যি উদ্দেশ্য তাক ডেকাসকলে পাছতহে উপলব্ধি কৰিব পাৰিছে।

যুগল দাস এই নাটখনিৰ দ্বাৰা আমাৰ তথা আমাৰ প্ৰজন্মৰ প্ৰত্যাশা, নতুনত্বৰ ৰেঙনি আৰু গৌৰৱময় অতীতত দোহাৰি নতুন পথত পথত আগুৱাই যোৱাৰ সন্ধান পথ উলিয়াই পুৰণি আৰু নতুনৰ সম্বন্বয়ৰ সেতু গঢ়াৰ ই এক জলন্ত নিদৰ্শন।□□

## মহৎলোকৰ বাণী

কেৱল খাই-বৈ জীয়াই থকাটোৱে মানৱ জীৱন নহয়। জ্ঞান আহৰণ কৰি মানসিক শক্তিৰ বিকাশ ঘটাব লাগে।

-চক্ৰেটিছ।

যদি তুমি পৃথিৱীখন সলনি হোৱাটো বিচাৰা তেনেহ'লে প্ৰথমতে নিজকে সলনি কৰা, তেতিয়া পৃথিৱীখন আপোনা- আপুনি সলনি হব।

- থ'লেচ।

জীৱনটো কষ্টকৰ -সহ্য কৰা, জীৱনটো এটা কৰ্তব্য পালন কৰা, জীৱনটো এটা মুকুট- পিন্ধা।

- আব্ৰাহাম ৰেয়ম।



# ছাঁ আৰু পোহৰৰ শেতেলিত

জ্যোতিপ্ৰসাদ ফুকন
প্ৰৱক্তা সোণাৰি মহাবিদ্যালয়

হাতত থকা চিগাৰেটটো জ্বলি অৰিন্দমৰ হাত পুৰিলেহি তেতিয়াহে সি বাস্তৱ জগতলৈ ঘূৰি আহিল। সি চাৰিওফালে এপাক ঘূৰি চাই দেখিলে পাৰ্কত থকা মানুহবোৰ ঘৰাঘৰি গৈ প্ৰায় শেষেই হ'ল অ'ত ত'ত জুপুহাৰ আঁৰত পোহৰৰ পৰা আতৰি দুই এটা Pair লাজ লগাকৈ ব্যস্ত আছে। তাৰ বাবে আজি কালি এইবোৰ তেনেই সাধাৰণ ঘটনা। বেঞ্চখনৰ পৰা থিয় হৈ সি পুণৰ এটা চিগাৰেট জ্বলাই নিজকে সতেজ কৰিলবলৈ যত্ন কৰিলে যদিও তৰ দেহ মনত এক আলস্যতা লাগিয়েই থাকিল। তথাপিও সি থিয় হৈ স্থিৰ কৰিব পৰা নাই এই সময়ত সি কলৈ যাব? তাৰ নিজা বুলিবলৈ থকা এই মানুহেৰে প্ৰদূষিত চহৰৰ তাৰ সৰু কোঠাটোলৈ নে টকাৰ বাবে হলেও তক ক্ষণমান সময়ৰ বাবে নিজকে সম্পূৰ্ণ এৰি দিয়া, তক সম্পূৰ্ণ চিন্তা ভাৱনাৰ পৰা আতৰাই ৰাখিবলৈ যত্ন কৰা, যি নিজৰ বিষয়ে নিজেই নজনা সমাজৰ কলংক বুলি কোৱা ১৯/২০ বছৰীয়া পূজাৰ ওচৰলৈ। স্থিৰ নকৰাকৈয়ে সন্মুখত পোৱা প্লাষ্টিকৰ বটলটো জোৰেৰে গোৰ এটা মাৰি সি পাৰ্কৰ পৰা ওলাই আহিল। টেমাটো জোৰেৰে টক্ টক্ কৈ ওফৰিযোৱা বিক্ষিপ্ত শব্দটোৱে যেন কৈ যাব বিচাৰিছে তাৰ জীৱনত ঘটি যোৱা কাহানিও নভবাকৈ ঘটি যোৱা ঘটনাবোৰৰ কথা।

অভিজিত ফুকন, অসমৰ এখন তেনেই অখ্যাত গাঁৱৰ মেধাবী ছাত্ৰ আছিল। গাঁৱৰ ধূলী বালি বোকাঁ পানীৰ সতে ওমলি ফুৰিছিল যদিও নিজৰ মনত এক তীব্ৰ প্ৰতিদ্বন্দিতাৰ ভাব পুহি ৰাখিছিল। গাঁৱৰ বিভিন্ন ধৰ্মৰ ভাষাৰ ল'ৰা ছোৱালী লগতে শৈশৱ পাৰ কৰাৰ অৱস্থাতে পঢ়াৰ মাজতে নিজৰ দাদায়েকৰ পৰা শিকি পেলাইছিল গীটাৰ বজাবলৈ। সৰুতেই গীটাৰ বজাই গাঁৱৰ সকলো মানুহৰ পৰা মৰম বুটলাৰ

স্কুলৰ শেষ পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈ এখন নামী College ত নাম ভৰ্ত্তি কৰিছিল। সেই একেই স্বভাৱ। যৌৱনৰ উচ্চলতা আৰু এটা সুন্দৰ স্বাস্থ্যৰ লগতে গীটাৰৰ সুন্দৰ সুৰে নিজকে সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় কৰি তুলিছিল। আটাইতকৈ ডাঙৰ কথা হ'ল অভিজিত ফুকনৰ নামটোৱেই ছোৱালীবোৰৰ বাবে Romance ৰ আছিল। অভিজিত ফুকনে ইয়াৰ লগতে পাৰ কৰিছিল এক বেপৰুৱা জীৱন। কালৈকো কেৰেপ নকৰে। কেতিয়াবা ৰাতি ১২ বজাতো গীটাৰ লৈ ওলাই যায় কলেজৰ কাষতে থকা ডাঙৰ নদীৰ ওপৰৰ দলংখনলৈ যাৰ কাষত ছোৱালী Hostel আৰু বিভিন্ন Mess । আৰম্ভ কৰে গীটাৰ বজাবলৈ। গীটাৰৰ সুৰে মতলীয়া কৰে সকলোকে। লাহে লাহে Hostelৰ খিৰিকি খুল খাবলৈ ধৰে। সকলোৱে অভিজিতক সহাৰি জনাই, আমি তোমাৰ গীটাৰৰ সুৰত মুগ্ধ। তেনেদৰে জীৱন আগবাঢ়োতেই অভিজিতৰ জীৱনলৈ অন্য এটা সুৰৰ আগমন ঘটে। সুদুৰ তেজপুৰৰ পৰা অভিজিতৰ Collegeত পঢ়িবলৈ অহা অনন্যাই অভিজিতৰ জীৱনত এক নতুন সুৰৰ সৃষ্টি কৰিবলৈ ধৰে। অনন্যাৰ আহ্বান সৰলতা আৰু সৌন্দৰ্য্যই অভিজিতৰ জীৱনত আগেয়ে ঘটা সকলো ঘটনাকে পাহৰি যাবলৈ বাধ্য কৰাৰ দৰে হ'ল। তথাপিও অনন্যাৰ অনুপস্থিতিত অভিজিতে অতিবাহিত কৰে বেপেৰুৱা জীৱন। সময়ৰ গতিৰ লগে লগে দুয়ো মহাবিদ্যালয়ৰ শিক্ষা পাৰ কৰি বিশ্ববিদ্যালয় পালেগৈ। অনন্যাই সাধাৰণ শিক্ষাক বাদ দি একে চহৰতে Journalism পঢ়িলে। দুয়োৰে সম্পৰ্কই মহাবিদ্যালয়ৰ স্তৰতকৈ বেছি ঘনিষ্টতা লাভ কৰিলে। আচলতে তেনে সময়ত দুয়ো নিজকে নিয়ন্ত্ৰণ কৰাত যথেষ্ট কষ্ট হৈছিল। জীৱন আগবাঢ়ি গৈছিল। অৱশেষত দুয়ো শিক্ষা সাং কৰাৰ পাছত প্ৰত্যেকে নিজৰ ক্ষেত্ৰত সংস্থাপন লাভ কৰি যুগ্ম জীৱন

অৰিন্দম আৰু ভায়েক। দেউতাকে গাঁৱৰ পৰা আহি College ৰ ওচৰতে এডোখৰ মাটি লৈ ঘৰ লৈছিল। পাৰ হৈ যোৱা সময়ৰ সতে অৰিন্দমৰ দেউতাকে গাওঁ অঞ্চলৰ সকলো মানুহৰ সতে সম্পৰ্ক ছেদ কৰাৰ দৰে হৈছিল। নিজে গাঁৱত আছিল যদিও অভিজিত অনন্যাই বৰ্ত্তমান সময়ত গাঁৱৰ সমূহ চৰিত্ৰকে অৱজ্ঞাৰ চকুৰে চাইছিল। অভিজিত অনন্যাই পুত্ৰ অৰিন্দমক ইমান বেছি মৰম কৰিছিল যে সেই মৰমেই অৰিন্দমৰ বাবে কাৰাগাৰৰ দৰে হৈছিল। অৰিন্দমে নিজ ইচ্ছাৰে ফুৰিব খেলিব আনকি খাবও নোৱাৰিছিল। সকলোতে মাক দেউতাকৰ মৰমৰ অতিশাৰ্য্য। সমনীয়াৰ লগত খেলা ধূলাত মাক দেউতাকৰ বাধা। দুখ পালে যেন অৰিন্দম চিৰদিনৰ বাবে ঘূণীয়া হৈ যাব। তেনে কঠোৰ অৱজ্ঞতাৰ মাজত থাকিও অৰিন্দমে পঢ়া শুনাৰ লগতে নিজকে প্ৰায় প্ৰতি বিষয়তে কম বেছি পৰিমানে নিজৰ প্ৰতিভাৰ পৰিচয় দিছিল। দেউতাকৰ শাসন, আৱদ্ধতা মাকৰ মৰমৰ অতিশায্যই অৰিন্দমক পংগুৰ দৰে কৰি তুলিছিল। নিজৰ ওপৰতে নিজৰ বিশ্বাস হেৰুৱাই পেলাইছিল। এনেদৰেই আগবাঢ়িছিল জীৱন।

হাইস্কুল পৰীক্ষাত স্থান লাভ কৰি পাছ কৰিছিল যদিও অৰিন্দমক মাক দেউতাকে নিজৰ ইচ্ছামতে ওচৰৰে কলেজত পঢ়ালে। প্ৰাক স্নাতক শ্ৰেণীত গতানুগতিক। মাক দেউতাকে স্থিৰ কৰি দিয়া পদ্ধতিৰ মতে পঢ়িয়েই স্থান লাভ কৰি পাছ কৰিল।

ঠিক কৰিলে সি অসমৰ বাহিৰলৈ যাব। মাক দেউতাকেও তাৰ কৃতিত্বৰ স্বীকৃতি হিচাপে বাহিৰলৈ পঠাবলৈ ঠিক কৰিলে। বহু যোগাযোগৰ পাছত অৰিন্দমক Kolkata St. Lavies College ত নাম ভৰ্ত্তি কৰালে। অৰিন্দমৰ শিক্ষা আৰু তাত্বিক জ্ঞান যথেষ্ঠ আছিল যদিও প্ৰত্যাহিক জীৱনৰ বাস্তৱ অভিজ্ঞতা নাছিল। প্ৰথম অৱস্থাত অৰিন্দম দেউতাকে ঠিক কৰি দিয়া এটা ব্যক্তিগত Hoslelt ত থাকি পঢ়া শুনা আৰম্ভ কৰিবলৈ ললে। প্ৰথমৰে পৰা অৰিন্দমৰ মনত এটা বিদ্ৰোহী ভাৱৰ জন্ম লৈ আছিল বিভিন্ন বাধ্য বাধকতাৰ বিপৰীতে। তাতে মাক দেউতাকৰ মৰম

College ত নাম ভৰ্ত্তি কৰাৰ আৰম্ভণীৰে পৰা অৰিন্দমৰ মনত নিজৰ জীৱনক নিজৰ ইচ্ছানুসৰি উপভোগ কৰি চোৱাৰ হেপাহ হৈছিল। অৰিন্দমে পঢ়া শুনাৰ ওপৰিও জীৱনৰ অভিজ্ঞতা বুটলিবলৈ আৰম্ভ কৰিলে।

Nancy আছিল অৰিন্দমৰ একে কলেজৰে সহপাঠী। Kolkata ৰ পৰা আহি Nancy অৰিন্দমৰ Private Hostel ৰ কাষতে অন্য এটা Hostel ত আছিল। Nancy এ সুন্দৰ Mouth organ বজাব জানিছিল। College লৈ Nancy আৰু অৰিন্দম একে লগে অহাযোৱা কৰাৰ লগতে group dis-cussion আদিৰ লগতে অৰিন্দমৰ সংগীতৰ প্ৰতি থকা দুৰ্বলতাই অৰিন্দমক Nancy ৰ ওচৰ চপাই আনিছিল। দৈনিক জীৱনৰ গতিয়ে Nancy আৰু অৰিন্দমক আন্তৰিক সম্পৰ্কৰে বান্ধ খোৱাই পেলাইছিল। অৰিন্দমৰ জীৱনৰ গতি বাঢ়ি গৈছিল। Nancy আৰু অৰিন্দম জীৱনৰ উচ্ছলতাত উটি ভাহি ফুৰিছিল। মাক দেউতাকৰ কঠোৰ অনুশাসনৰ পৰা মুক্ত হৈ অৰিন্দমে নিজকে কেতিয়াবা পৰীক্ষা কৰি চাইছিল। বহু ক্ষেত্ৰত নিজকে এৰি দিছিল চহৰীয়া জীৱনৰ উচ্চলতাত। পৰীক্ষা কৰি চাব বিচাৰিছিল নিজৰ সিদ্ধান্তৰ শুদ্ধতাক। বহু ক্ষেত্ৰত নিজকে সক্ষম আৰু শুদ্ধ ৰূপত প্ৰমাণ কৰিছিল। জনা নজানকৈয়ে নান্‌চি আৰু নিজৰ জীৱনৰ সীমাৰেখা অতিক্ৰম কৰি গৈছিল।

হঠাৎ অৰিন্দমৰ দেউতাকৰ অসুস্থতাৰ খবৰ আৰু পৰীক্ষা শেষ হোৱাত গুচি আহিব লগা হৈছিল অলপদিনৰ বাবে। অন্যহাতে কলেজৰ পৰীক্ষা ও শেষ হৈছিল। নান্‌চিও ঘৰলৈ গৈছিল। ৰিজাল দিয়াৰ পাছত অৰিন্দম কলেজলৈ ঘূৰি গ'ল উচ্চ শিক্ষাৰ বাবে। গৈ নান্‌চিৰ ৰিজাল্টও পালে আৰু প্ৰায় চাৰি মাহৰ পাছত লাভ কৰিলে নাঞ্চিৰ পৰা এখন চিঠি। ঘৰৰ পৰা যোৱাৰ পাছত নাঞ্চিৰ চিঠিখনে অৰিন্দমক যথেষ্ঠ আনন্দিত কৰিলে। যদিও চিঠিখন পঢ়ি চাই অৰিন্দমে নিজকে বিশ্বাস কৰিব পৰা নাই। চিঠিখনৰ প্ৰত্যেক শব্দই অৰিন্দমৰ বিশ্বাসক আৰু দৃঢ়তাক ভাঙি চুৰমাৰ কৰি পেলালে।

দেউতাক এটা দুৰ্ঘটনাত পতিত হোৱাৰ পাছত হঠাৎ প্ৰয়োজন হোৱাত পৰীক্ষা নকৰাকৈ বিশ্বসত পৰিয়ালৰ এজন মানুহৰ পৰা নাঞ্চিয়ে তেজ লব লগা হৈছিল। পৰিবেশৰ পৰিবৰ্ত্তনৰ ফলত নাঞ্চি ঘৰলৈ যোৱাৰ পাছত হঠাতে তাই 'ডাইৰিয়াত' ভোগিব লগা হ'ল। দেহৰ ওজন অবিশ্বাশ্য ভাবে কমি যাব ধৰিলে। মুখত ঘাঁ লাগিছিল। পাছত পৰীক্ষাৰ ফলত প্ৰমাণ হৈছিল যে নাঞ্চি 'এইডচ'ত ভোগিছে। বহুত চিকিৎসাৰ পাছতো নাঞ্চি ভাল হৈ নুঠিল আৰু এদিন নাঞ্চি আতৰি গ'ল। অসুস্থ অৱস্থাতে নাঞ্চিয়ে চিঠিখন অৰিন্দমলৈ লিখিছিল। অৰিন্দমে বেজাৰতে কলকাতাৰ বিভিন্ন দিশে ইফালে সিফালে কৰি থাকোতে ইডেন পাৰ্কত ল'গ পাইছিল ১৯/২০ বছৰীয়া এজনী ছোৱালী। গঢ়ি উঠিছিল বন্ধুত্ব। এনেদৰে দুখে বেজাৰে দিনবোৰ অতি বাহিত কৰি থকাৰ পাছতে অৰিন্দমৰ ডিঙিত এটা গ্ৰন্থি ফুলি উঠিছিল। চিকিৎসকৰ উপদেশ মতে চিকিৎসা গ্ৰহণৰ পাছতো বহুদিন ভাল হোৱা নাছিল আৰু দেহৰ বিভিন্ন অংশত সৰু ফুহা উঠিছিল। ডাক্তৰে তেজপৰিশোধনৰ চিকিৎসা কৰাই বিভিন্ন ঔষধ দিয়াৰ পাছতো ভাল নোহোৱাত বিভিন্ন পৰীক্ষাৰ লগতে Elisa আৰু Western Flot নামৰ পৰীক্ষা দুটা কৰাবলৈ দিলে। অৰিন্দমৰ মনত লাহে লাহে সন্দেহৰ বীজ জন্ম হবলৈ ধৰিলে। কাৰণ সি তাৰ মৰমৰ নাঞ্চিৰ সতে এনে বহু অসতৰ্ক মূহুৰ্ত্ত পাৰ কৰিছিল যাৰ উপহাৰ তাৰ বাবে আজিৰ এই অসুস্থতা হব পাৰে। কাৰণ নাঞ্চি আজি তাৰ পৰা আতঁৰত থকাৰ মূল কাৰণটোও অৰিন্দমে জানি পেলাইছিল।

অৰিন্দম ইমান হতাশ হৈ পৰিছিল যে তাৰ সৰুলো সিদ্ধান্তই ভুল যেন লাগিছিল। তেনে সময়তে দুখোৰ মুখোৰ অৱস্থাত সি লগ পোৱা সেই ১৯/২০ বছৰীয়া ছোৱলী জনীৰ বন্ধুত্বই তাক দিছিল কণমান হলেও জিৰণী। দুয়োৰে বন্ধুত্ব গাঢ় হোৱাত এদিন সি পূজাক বিছাৰি পূজাৰ ঘৰ পালেগৈ। সি হঠাতে চক্‌খাই উঠিছিল যেতিয়া গম পালে যে পূজা এজনী দেহোপজীৱিনী। তথাপিও সি পূজাক লগ কৰিছিল এক গভীৰ বিশ্বাসেৰে। ঘূৰি অহাৰ পাছত সি নিজৰ দুৰ্বল দেহাৰে লাভ কৰিছিল ডাক্তৰৰ মেডিকেল ৰিপ'ৰ্ট। য'ত লিখা আছিল অৰিন্দমৰ দেহত HIV ৰ আক্ৰমণৰ বিষয়ে। অৰিন্দমে দৌৰি গৈছিল পূজাৰ ওচৰলৈ। পূজাৰ সান্নিধ্য আৰু শুশ্ৰূষাত অৰিন্দম কণমান সময়ৰ বাবে সুস্থ হৈ উঠিছিল কিন্তু তেনে অৱস্থাতে পূজাই আত্মসমৰ্পন কৰিছিল আৰু জনাইছিল যে তায়ো HIV Positive বহন কৰিছে।

এই ঘটনাত অৰিন্দমে সকলো ব্যৱস্থাৰ ওপৰত আস্থাহীন হৈ পৰি নিজে স্থিৰ সিদ্ধান্ত লব পৰা নাই। কি কৰিব সি নিজৰ জীৱনক লৈ। সি মাক দেউতাকৰো নহল নাঞ্চিৰো নহল বা সি নিজৰও হৈ নাথাকিল । এনেদৰে বহুদিন সিদ্ধান্ত লবনোৱাৰা অৱস্থাত আজি অৰিন্দম Nicco Park ৰ বেঞ্চ এখনত বহি ইটোৰ পাছত সিটো চিগাৰেট জ্বলাই আপোন ভোলা হৈ আছিল। পাহৰি গৈছিল নিজকে। সিদ্ধান্তবিহীন ভাবে সি পাৰ্কৰ পৰা ওলাই ভাবিলে হৈ যোৱা ভুলবোৰ শুদ্ধৰাব নোৱাৰিলেও অন্ততঃ সি নিজৰ জীৱনৰ অভিজ্ঞতাৰ বিষয়ে লিখি তাৰ বন্ধুবৰ্গক জীৱনৰ সিদ্ধান্ত লবলৈ অনুৰোধ কৰিব পাৰিব। অন্ততঃ কব পাৰিব প্ৰত্যাহিক জীৱনৰ অভিজ্ঞতাৰ প্ৰয়োজনীতাৰ কথা।

তাৰ অজানিতে সি আগবাঢ়ি গল Howrah Rail Station ৰ দিশে । হাতৰ ঘড়ীটোলৈ চাব বিচাৰিলে সময় কিমান হৈছে। দেখিলে ভাবৰ গভীৰতাত পাহৰি গল তাৰ হাতৰ ঘড়ীটো হেৰাই থাকিল। এটা মিচিকিয়া হাঁহি মাৰি পকেটত হাত দি চালে। তাৰ মৰমৰ Nancy এ Valentine day ত তাক উপহাৰ হিচাপে দি যোৱা নাঞ্চি ৰ স্মৃতি..মৰমৰ Mouth organ খন। সি নিজে নজনাকৈয়ে Mouth organ খন মোহাৰি চাফা কৰি মুখলৈ নিলে। অৰিন্দমৰ অজানিতে Mouth organ ৰ পৰা ওলাই আহিল "আনন্দ" চিনেমাৰ সেই বিখ্যাত সুৰটো-

"জিন্দেগী এক পহেলী------"□□

(মৰমৰ জোন, দীপা, প্ৰাঞ্জল আৰু প্ৰিয়ঙ্কাৰ নামত।)

# স্কুল কলেজত ইউনিৰ্ফমৰ প্ৰয়োজনীয়তা

অমলা গগৈ
স্নাতক ৩য় বাৰ্ষিক

এখন শিক্ষানুষ্ঠান আমাৰ প্ৰত্যেকৰে বাবে মন্দিৰস্বৰূপ। এই মন্দিৰত আমি প্ৰত্যেকেই পূজা-অৰ্চনা কৰো আমাৰ এটা সুন্দৰ ভৱিষ্যতৰ বাবে। এই পবিত্ৰ শিক্ষামন্দিৰত আমাৰ সকলোৰে বাবে এযোৰ নিৰ্ধাৰিত মাৰ্জিত সাজপাৰ থকাটো প্ৰয়োজনীয়। গতিকে স্কুল কৰ্তৃপক্ষই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে এটা মাৰ্জিত বাধ্যতামূলক পোছাক নিৰ্ধাৰিত কৰি দিয়ে। যিটো নিতান্তই আৱশ্যকীয়।

ইউনিৰ্ফমে প্ৰধানত এখন স্কুল বা কলেজৰ মৰ্য্যদা অক্ষুন্ন ৰখাত সহায় কৰে। এজন ছাত্ৰ-বা ছাত্ৰীয়ে নিয়মিতভাৱে পৰিধান কৰা ইউনিৰ্ফমযোৰতে ফুটি উঠে তেওঁলোকৰ নিয়মানুবৰ্তিতা আৰু ব্যক্তিত্বৰ স্বৰূপ। সম্ভৱতঃ ইউনিৰ্ফম নাথাকিলে স্কুল কলেজ বিলাক বিহুতলীৰ দৰে হৈ পৰিলহেঁতেন। ছাত্ৰ-ছাত্ৰী সকলেও অত্যাধুনিক ফেচনৰ সাজ পিন্ধাৰ ওপৰতহে অধিক গুৰুত্ব দিলেহেঁতেন। অৱশ্যে বৰ্তমানৰ পৰ্য্যায়ত সেইটো হবলৈ সুবিধা পোৱা নাই। তথাপিও দেখা যায় কেতবোৰ অবাধ্য ছাত্ৰ-ছাত্ৰীয়ে নীতি নিয়ম উলংঘা কৰি ইউনিৰ্ফমৰ পৰিবৰ্তে দেহাকৰ্ষনীয় পোছাক পিন্ধি নিজৰ সৌন্দৰ্য্য বিলাসৰ প্ৰচেষ্টা চলায়। এখন শিক্ষানুষ্ঠানত তেনে সাজযোৰে তেওঁলোকৰ সৌন্দৰ্য্য বঢ়াইনে? কব পাৰি সেইচাম ছাত্ৰ-ছাত্ৰীৰ নিম্ন আৰু ৰোগ্ন মানসিকতাৰ পৰিচয়হে দাঙি ধৰে। তাৰ বিপৰীতে ইউনিৰ্ফম পৰিহিতজনৰ দেহত ফুটি উঠে অপূৰ্ব গাম্ভীৰ্য্য।

ইউনিৰ্ফমে উচ্চ-নীচৰ প্ৰভেদ সমূহ আঁতৰ কৰাত সহায় কৰে। আৰ্থিকভাৱে দুৰ্বল ছাত্ৰীসকলৰ দৃষ্টিত হেয় প্ৰতিপন্ন হব লগা নহয় তাৰ বাবে উইনিৰ্ফম নিতান্তই প্ৰয়োজন। আজি এচাম ধনীলোকৰ সন্তানে যদি দামী সাজ পাৰ পিন্ধি স্কুল বা কলেজলৈ আহে তেন্তে আৰ্থিক ভাৱে অভাৱগ্ৰস্থ পৰিয়ালৰ ল'ৰা ছোৱালীয়ে পিন্ধিব কি? হয়তো এযোৰ কম দামী নতুবা জোৰা টাপলি দিয়া পোছাক। যাৰ বাবে সেই দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী কেইজনৰ মনত মানসিক অৰ্ন্তদন্দ্বই দেখা দিব। ফলত তেওঁলোকে স্বাভাবিকতে শিক্ষা আহৰণত বাধাগ্ৰস্থ হব। এযোৰ ইউনিৰ্ফমে সেই সমস্যাবোৰ আতঁৰ কৰিব পাৰে। যদিও ধনী ঘৰৰ জনে দামী ইউনিৰ্ফম পিন্ধে তথাপি একে পোছাক পিন্ধাৰ বাবে সিহঁতৰ মাজৰ প্ৰভেদটো সহজে কাৰো দৃষ্টিগোচৰ নহব আৰু ইয়াৰ পৰিবৰ্তে তেওঁলোকৰ মাজত ঐক্যতাৰ মনোভাৱ গঢ় লৈ প্ৰত্যেকৰে মাজত গঢ়ি উঠিব বন্ধুত্বৰ সম্পৰ্ক।

ইউনিৰ্ফমৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী সকলৰো কিছুমান কৰণীয় আছে বুলি কব পাৰি। যদি সকলো শিক্ষক শিক্ষয়িত্ৰীয়ে এযোৰ নিৰ্ধাৰিত পোছাক পৰিধান কৰে তেন্তে ছাত্ৰ-ছাত্ৰীসকলেও নিশ্চয় তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিয়মিত পোছাক পৰিধান কৰিব। ইয়াৰ জৰিয়তে শিক্ষক শিক্ষয়িত্ৰী সকলে তেওঁলোকৰ ত্যাগৰ পৰিচয় দাঙি ধৰিব পাৰে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে অনুকৰণপ্ৰিয় হবলৈ শিকিব আৰু ইউনিৰ্ফম পৰিধান নকৰা ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। বহু শিক্ষানুষ্ঠানত ইউনিৰ্ফমৰ অভাৱত সৃষ্টি হোৱা

প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজকে একোগৰাকী কৰ্তব্যনিষ্ঠ ছাত্ৰ হিচাবে প্ৰতিষ্ঠা কৰিবলৈ নিয়মিত ইউনিৰ্ফম পিন্ধাটো বাধ্যতামূলক। তাৰ পৰিৱৰ্তে যদি ভিন্ন ৰঙি দেহাকৰ্ষণীয় পোছাক পিন্ধি স্কুল বা কলেজলৈ আহে সেইয়া সকলোৰে বাবে ক্ষতিকাৰক। প্ৰকৃততে ভিন্ন ৰঙি সাজ-পাৰেৰে জানো প্ৰকৃত সৌন্দৰ্য্য ফুটি উঠে? আমি শিক্ষানুষ্ঠানৰ দৰে এটা পবিত্ৰ মন্দিৰত অশালিনতা ফুটাই তুলিবলৈ চেষ্ঠা কৰাটো আমাৰ বুৰ্বকামী নহ'বজানো? গতিকে এই পবিত্ৰ মন্দিৰত আমি এযোৰ মাৰ্জিত পোছাকেৰে অৰ্চনা কৰাটোতহে ফুটি উঠিব আমাৰ একতাৰ মধুৰ স্বৰ।

সাজপাৰে মানুহৰ ব্যক্তিত্ব বিভিন্ন পৰিবেশত বিভিন্ন ধৰণে সজাই তোলে। যিকোনো পৰিবেশতেই দেখা যায় ইউনিৰ্ফম পৰিহিত যিকোনো লোকক সেই পোছাকৰ সন্মানেৰে সন্মানিত কৰে সমাজৰ প্ৰতিগৰাকী লোকে। সেই ফালৰ পৰা চাবলৈ গ'লে ছাত্ৰ-ছাত্ৰীয়েও সমাজত নিজৰ পৰিচয় দাঙি ধৰাৰ প্ৰধান উপায় হ'ল ইউনিৰ্ফম। ইউনিৰ্ফম নিপিন্ধা এটা ল'ৰা বা ছোৱালীক কোনো ব্যক্তিয়ে সঠিককৈ পঢ়া ল'ৰা ছোৱালী হয়নে নহয় ঠাৱৰ কৰিব নোৱাৰে। এতেকে দেখা যায় ইউনিৰ্ফম অবিহনে আমি নিজকে আমুক কলেজৰ বা স্কুলৰ ছাত্ৰ-ছাত্ৰী বুলি গৌৰৱ কৰাৰ কোনো থল নাথাকে। যিদৰে একে পিতৃ-মাতৃৰ সন্তানৰ পৰিচয় তেওলোকৰ শাৰীৰিক গঠনত ঠিক তেনেদৰে একে স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰিচয় তেওঁলোকৰ ইউনিৰ্ফমযোৰত।

সঁচা অৰ্থত এই ইউনিৰ্ফম যোৰৰ মূল্য এপাহ স্নিগ্ধ গোলাপৰ দৰেই, যি শিক্ষাৰ পবিত্ৰ মন্দিৰত পূষ্পাঞ্জলি স্বৰূপে নিজৰ প্ৰাধান্য বিস্তাৰ কৰে। স্কুল কলেজৰ শ শ ল'ৰা ছোৱালীৰ মাজত ই ঐক্যতাৰ সেঁতু হৈ পৰে। ইউনিৰ্ফমে শিক্ষাৰ সুস্থ পৰিবেশ গঢ়ি তোলাৰ লগতে ফুটাই তোলে এটা সৌন্দৰ্য্যমুখৰ পৰিবেশও।

সেয়ে আমি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইউনিৰ্ফম পৰিধান কৰাৰ ক্ষেত্ৰত সচেতন হোৱাটো নিতান্তই প্ৰয়োজন। ভিন্নৰঙী সাজ পিন্ধি যাতে শিক্ষাৰ বাতাবৰণ প্ৰদূষিত কৰিব নোৱাৰে তাৰ প্ৰতি সচেষ্ট হোৱাটো উচিত। এখন স্কুল কলেজৰ মৰ্য্যদা আমি ছাত্ৰ-ছাত্ৰীবোৰে নাৰাখিলে ৰাখিব কোনে? □□

# ক ল ম

শ্ৰী বিটুল বুঢ়াগোঁহাই
স্নাতক ২য় বৰ্ষ

*কাক মাৰো কাক তৰো*
*এইয়ে মোৰ প্ৰাণৰ আকুতি।*
*যেনিয়েই নিবা*
*তেনিয়েই যাম*
*এইয়ে মোৰ জীৱনৰ শান্তি।*
*দয়া মমতা নাই মোৰ*

# অসমীয়া জাতিৰ স্ৰষ্টা চাওলুং চুকাফা

-ৰাজেন চেতিয়া
স্নাতক প্ৰথম বৰ্ষ

সুদূৰ অতীতৰ পৰা ক্ৰমাগত ভাৱে আগমন হোৱা বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ বিচিত্ৰ মানৱ গোষ্ঠীৰ অসম হ'ল এখন ক্ষুদ্ৰ পৃথিৱী। বিভিন্ন জনগোষ্ঠীৰ ই মিলনভূমি। ইতিহাসে ঢুকি নোপোৱাৰ দিনৰে পৰা অসমলৈ বিভিন্ন জনগোষ্ঠীৰ সোঁত বৈয়ে আছে। সময়ত নতুন আৰু পুৰণি মিলি এক হৈ গৈছে। অবিৰতভাৱে চলি অহা এই প্ৰক্ৰিয়াত সংঘাটৰ মাজেৰেই সমন্বয় সাধন হৈছিল। বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন কৃষ্টিৰ সংমিশ্ৰণত গঢ়ি উঠিছিল উমৈহতীয়া অসমীয়া জাতি,ভাষা,কলা আৰু সংস্কৃতি। বৰ লুঁইতৰ দুই বাহুৱে হয়তো তেওঁলোকক অহৰহ হাত বাউলি দি মাতিছিল আৰু আপোনভাৱে তেওঁলোকক দুবাহুৱে সাৱতি ধৰিছিল। সেই সকলে দেখুওৱাই যোৱা বাটেৰেই ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতেই এজন তাই কোঁৱৰে লগত এদল অনুগামীৰে সৈতে পাটকাই চেৰাই আহি কামৰূপৰ সোণালী শ্যামলী পথাৰত ভৰি দিলেহি। তেওঁৰ লক্ষ্য ইয়াত কেৱল বসতি স্থাপন কৰা নহয়, উদ্দেশ্য আছিল নিজাকৈ এখন সমৃদ্ধিশালী ৰাজ্য স্থাপন কৰি নিজেই তাৰ ৰজা হোৱা। বিভিন্ন ৰাজনৈতিক কাৰণত তেওঁ নিজা ৰাজ্য, নিজা জনমভূমি, নিজৰ আত্মীয় কুটুম এৰি আহিছিল। সেইজন কোঁৱৰেই আছিল মুংমাও নামৰ পাটকাই সিপাৰৰ এক ক্ষুদ্ৰ ৰাজ্যৰ যুৱৰাজ চাও লুং চুকাফা।

চুকাফা কোন আছিল ঃ- অসমত আহোম ৰাজ্য প্ৰতিষ্ঠাতা তথা অসমীয়া জাতিৰ সংগঠক চুকাফা মুং-ৰি-মুং-ৰাম ৰাজ্যৰ কোঁৱৰ। তেওঁৰ পিতৃৰ নাম আছিল ফু-চাং-কাং বা চেং নেউ আৰু মাতৃৰ ব্ৰহ্মদেশৰ লাকনি। চুকাফাৰ ককায়েক আছিল দুজন। পিতাকৰ ৰাজ্যখনৰ নাম হ'ল মুং-সিৎ-কুপ কিং। চুকাফাৰ মাক আছিল মাও-লুং ৰজাৰ জী।

চুকাফাই পুথায়েকৰ ঘৰত ১৯ বছৰ কাল থাকোতেই পুথায়েকৰ মৃত্যু হয়। সেই সময়লৈকে নিচায়েক পা-মেও-প্লুং ৰ কোনো সন্তান নাছিল। সেয়ে চুকাফাই সেই ৰাজ্যৰ সিংহাসনত বহিব লাগিব বুলি বুঢ়ী মাকে ডাঙৰ দীঘল কৰিলে। কিন্তু পা-মেও-প্লুং ৰ এটি পুত্ৰ সন্তান জন্মিল। পা-মেও-প্লুং ৰ মৃত্যুৰ পাছত এই শিশুটিয়েই চু-খাম-ফা নামেৰে সিংহাসনত বহিল। চু-খামফাই সিংহাসনত বহাৰ পিছত চুকাফাই মাওঁ লুং এৰিবলৈ সিদ্ধান্ত লয়। চু-খাম-ফাৰ লগত মতান্তৰ ঘটাত তেওঁ এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ মন মেলিলে। চুকাফাই চু-খাম-ফাক কলে বোলে একোটা চোঙত দুটা বাঘ নাথাকে। তাকে জানি মই নামনিলৈ যাওঁ। তুমি ৰজা হৈ থাকা। চু-খাম-ফাই চুকাফাক যাবলৈ কলে আৰু বছৰি বছৰি ধন দি থাকিবলৈ কলে। চুকাফাই নিজ মাতৃভূমি এৰি নামনিৰ ফালে যাত্ৰা কৰিলে। চু-খাম-ফাই নজনাকৈ এনায়েকে ৰাজ অলংকাৰ আৰু বিগ্ৰহ চোমদেও চুকাফাক দি পঠালে।

মাও লুং ৰাজ্য এৰি অহাৰ সময়ত চুকাফাই ককায়েক চু-খাম-ফাৰ আগত এনেকৈ প্ৰতিজ্ঞা কৰিছিল "কা কোন ফা বাও পিন নিন" অৰ্থাৎ আকাশখন যেতিয়ালৈকে পানী নহব "কোন নিন বাও পিন নাম অৰ্থাৎ মাটি যেতিয়ালৈকে পানী নহব" " নুকায়াং কাত নাম " অৰ্থাৎ বগলী যেতিয়ালৈকে " বিয়া গোম শিলবোৰ যেতিয়ালৈকে পানীত নুপঙিব তেতিয়ালৈকে তেওঁ লক্ষ্যৰ পৰা বিচলিত নহয়।

চুকাফাৰ অভিযান ঃ- আত্মীয়ৰ সৈতে ৰণ নকৰো বুলি অভিযান আৰম্ভ কৰাত চাও ফা চু মাল ফাই অনেক বয়বস্তু দি চাওলুং চুকাফাক পাটকাই পৰ্বতৰ পাদদেশলৈকে আগবঢ়াই দি গলহি। পাটকাইৰ পাদদেশ হল মাঘেৰিটাৰ পৰা বুঢ়ী দিহিঙ কিছু দূৰত অৱস্থিত অঞ্চলটো। কালক্ৰমত সেই ঠাইৰ পৰা চু-খাম-ফাৰ মানুহ উলটি যোৱাৰ বাবে তাৰ নাম ডাংমা, নৰা বা নৰা ওলোটা নামে খ্যাত হ'ল।

চুকাফাৰ পথৰ সংগী ঃ- চুকাফাৰ সেই দুঃসাহসিক জয়যাত্ৰাৰ সংগীৰ প্ৰকৃত সংখ্যা লিখিত ৰূপত কোনো বুৰঞ্জীয়ে দিব পৰা নাই। বিভিন্ন বুৰঞ্জীয়ে বিভিন্ন ধৰণে মতামত আগবঢ়াইছে। চুকাফাৰ লগত অহা মানুহ আদিৰ লেখ এটা টেকেলীত তিনিটা মানুহে ভাত সিজাব পাৰে। এনেকুৱা টেকেলী তিনি হাজাৰটা তামৰ টেকেলী তিনিশ প্ৰজা নশ দুস্তাল হস্তি খালমুং ১, মাখুন্দি ১, মাওঁ ফ্ৰাংপিন ১, চকুৰসা ঘোৰা ৪০০। ৰজাৰ লগত বৰ বৰুৱাৰ নাম-কুংখনৰ অধিকাৰী তাখুমকা ১, মুংখনৰ অধিকাৰী খুনকা ১, মুংখম ১, পৰম অধিকাৰী ফ্ৰালুং খুন্তং ১, মুংখৰ অধিকাৰী মুনকং১, থাও খেন চুংল ১, থাওমুং ১, বাটত লগ কৰি অহা মনত্যেত ১,। এইসকলৰ সৈতে এঘাৰশ সত্তৰ (১১৭০) জন মানুহেৰে ভটিয়াই আহিল। ১১৭২ শকত বাতৰুৱা ১১৭৩ ত হাতীমূৰীয়া, নগা ১১৭৫ ত মুং নং মুনাতি পালেহি। ১১৮০ শকত ঢকুৱা নগাৰ গাওঁ পাই আহি মুং কেওত বহিলেহি। অৰ্থাৎ ইয়াৰ পৰা বুজা হৈছে যে চুকাফাৰ লগত তিৰুতা অহা নাছিল। তেওঁৰ লগত অকল পুৰুষহে আহিছিল। কিন্তু মানুহক এনেকুৱা এটা দীঘলীয়া যাত্ৰাত তিৰুতা নাই অহা বুলি কলে কিছু অস্বাভাৱিক যেন লাগে। যিহেতু তেওঁ বিবাহৰ উপযুক্ত হৈছিল আৰু বিবাহ কাৰ্য সম্পাদন কৰিছিল বুলি কবলৈ থল আছে। সেয়েহে আন এখন বুৰঞ্জীয়ে কৈছে , চাও লুং চুকাফাই মুং সিৎ এৰি পশ্চিম ফালে নগাৰাজ্যলৈ দলে বলে আহিছিল। তেওঁৰ লগত আহিছিল তিনি গৰাকী ৰাণী আই-যে চাও লো, নাংচেন চুম ফা আৰু মিলো-ৱেংচিং চুম ফা আহিছিল। ইয়াৰ বাহিৰেও মাও খুংবানৰুই বুঢ়াগোহাঁই আৰু থাও মুং-কাং উন। বৰগোহাঁঞি মন্ত্ৰীদ্বয় খুন বা মুমফ্ৰং, মুৰ ৰিং মুনচেং আৰু ফুন কিন নামেৰে পাঁচগৰাকী ৰাজ পৰিয়ালৰ কোঁৱৰ, কেইজনমান উচ্চমানৰ বিষয়া আৰু বহুতো সেনাবাহিনী চুকাফাৰ লগত আহিছিল। ৯০০০ প্ৰজা,৩০০০ ঘোঁৰা চোৱা, খাম পেং নামে এটা দঁতাল হাতী চু-কিপ নামৰ এজনী মাখুন্দী ফ্ৰাং পেম নামে মাউত, ইষ্ট দেৱতাৰ চোম দেও মূৰ্ত্তি, চোম ফ্ৰা-ৰোং স্যাং চেং ৰোং ম্যুং দেও ধাইৰ থাও মুভ-লুভ কাউ মহনৰ থাও খেন লুভ, বাইলুঙৰ চাও ফ্ৰাং আৰু থাও মুঙ ম-চাই নামৰ চাৰিজন পূজাৰী চুকাফাৰ লগত আহিছিল। (অঃদেঃবু) ইয়াৰ উপৰিও চুকাফাৰ লগত সাতঘৰ সেৱক আহিছিল। এওঁলোকক সাতঘৰীয়া আহোম বুলি কোৱা হয়। (পুঃ অঃ বুঃ) চুকাফাৰ লগত খাৰ বাৰুদ সহ এবিধ হিলৈ বা টোপ আনিছিল বাটত হোৱা বিপদ আপদৰ পৰা হাত সাৰিবলৈ (নাঃফুঃবুঃ)।

চুকাফাৰ পথত ঃ- চুকাফাই বাটত বহুতো গাওঁ লগ পাইচিল। যেন- কাও,মভ, বান,মঙ-লা-মাভটি, থক-চাংৰিং-মিন। হাতী খকীয়াৎ, তাং-বিং মেন (ওপৰ চকুৱা), মভ-খাম, লাংমি-কৌ ফাকে-চেৰিং আদি অনেক। ইয়াৰ অন্তত পালেগৈ দৈ-খাম পতি আৰু খাম য়ংনৈখন দেখা পালে। এই নৈখন পাটকাই পৰ্বতৰ পৰা ওলাই নং খাং হ্ৰদত পৰিছে। ইয়াত চুকাফাই কিছুদিন জিৰণি লোৱাৰ কথা

ৰাজ্যৰ মিলিটাৰি ৰিপৰ্টত এই কথা মেজৰ চি, আৰু মেকস্ত্ৰিগৰে উল্লেখ কৰিছে। তেওঁ ১৮৮৪-৮৫ চনত এই অঞ্চলত জৰীপ কৰোতে উক্ত শিলটোত চুকাফাই লিখা আখৰ কেইটা দেখা পাইছিল।

নাংখাং হুদত জিৰণি লোৱা সময়খিনিৰ ভিতৰত তাৰ ওচৰে পাজৰে থকা তিখাং, বিংলাত লাতেমা, লাংপাং লুখাম, তাৰু লুকা আৰু তাপু তপ নামৰ নগাচাং বিলাক সহজে নিজৰ অধীনলৈ আনি আনিলে। এই সকলোকে লগ লগাই স্থাপন কৰিলে খাময়াং আৰু ইয়াৰ ৰাজখোৱা পাতিলে কাং-খ্ৰু মভক। এইটো শাসনৰ প্ৰথম গোট হিচাপেই পৰিগণিত হল। ইয়াৰ পাছত পুনৰ যাত্ৰা আৰম্ভ কৰিলে। কিন্তু চুকাফাই তাতে মানুহ লেখি চালে, মৰিল তিনিকুৰি সাতজন। পাছে ৰজাদেৱে বোলে - যি মৰে, যাক পাওঁ, বাটত যি কথা হ'ল পাওঁতে লিখি থবা। ভাৰতত বুৰঞ্জী লেখাৰ সেয়াই আৰম্ভণি। এইয়া চুকাফাৰ দূৰদৰ্শিতাৰ এক জলন্ত নিদৰ্শন।

খামজাং, অতিক্ৰম কৰি লগপালে আলৌ পাপুক, চৌংখাম, মুনদৈ, খুনটোং, চৌংচি আদি নগাৰ গাওঁ। চুকাফাই তেওঁলোকক ৰজা মানিবলৈ আদেশ দিলে, কিন্তু সিঁহতে চুকাফাক ৰজা নামানিলে। সেয়েহে চুকাফাই তেওঁলোকৰ লগত সংঘৰ্ষত লিপ্ত হ'ল। বশ্যতা নমনা নগাক পৰাস্ত কৰি শাস্তি দিলে আৰু বাকীখিনিয়ে ভয়তে চুকাফাক ৰজা মানি ল'লে।

দৈফাও ৰাং ৰ পৰা টোংচা, মাংলা খেন আৰু সমীপৰ গাওঁবোৰক সামৰি নামৰূপ নামৰ এটি অঞ্চল পাতি আৰু ইয়াত ৰাজখোৱা পাতিলে খুন টাভক। চুকাফাই প্ৰতিষ্ঠা কৰা এইটো শাসনৰ দ্বিতীয় গোট।

ইয়াতেই কিছুদিন থাকি পুনৰ চুকাফাই ভটিয়াই যাবলৈ ধৰিলে। কিছুদূৰ অতিক্ৰম কৰাৰ পাছত আৰু মঙ কাঙনক বৰ গোহাঁইৰ ৰাজকীয় পদত বহুৱালে আৰু ৰাজকাৰ্যৰ পাতনি মেলিলে। এয়ে শাসনৰ তৃতীয় গোষ্ঠী।

চুকাফাই বুজি পাইছিল যে সৌমাৰ পীঠত সৰু সৰু ৰাজ্যৰ ৰজা প্ৰজা নাৰী পুৰুষ সমন্বিতে সামৰি এক ৰাজ্য কৰিব পাৰিলেহে এখন শক্তিশালী ৰাজ্য স্থাপন আৰু বৃহৎ জাতি গঠনৰ প্ৰক্ৰিয়াটো শক্তিশালী ৰূপত আগবঢ়াব পৰা যাব। কিন্তু চুকাফাই হেং দানৰ ঋণ্ ঋণনীৰ বিপৰীতে ৰাজ্য স্থাপনৰ বাবে কৌশলী হাতৰ পৰশ লগাই আৰম্ভ কৰিছিল মিত্ৰ স্থাপনৰ প্ৰক্ৰিয়া।

চুকাফাই প্ৰথম অৱস্থাৰ পৰাই মৰাণ আৰু বৰাহী ৰজাক বন্ধুত্ব আৰু বৈবাহিক সূত্ৰে জয় কৰে। মৰাণ আৰু বৰাহী ৰজাই চুকাফাৰ ব্যক্তিত্ব আৰু মধুৰ ব্যৱহাৰত মুগ্ধ হৈ দুয়োজন ৰজাই চুকাফাৰ বশ্যতা স্বীকাৰ কৰে। বৰাহী ৰজাই চাৰি গৰাকী কুঁৱৰী চুকাফালৈ বিয়া দিয়ে। চুকাফাই দেখুওৱা পথেৰে ডাঙৰীয়া তথা অনুগামীসকলেও থলুৱা জনগোষ্ঠীৰ লগত সমন্বয়, বিনিময় ভাৱৰ আদান-প্ৰদান, ৰীতি-নীতিৰ পাৰস্পৰিক সংমিশ্ৰণত প্ৰতিষ্ঠা হৈছিল চুকাফাৰ সপোন নগৰী মুং-ডুন-চুন-খাম (সোণালী শস্যৰ দেশ) সেইদিনা আছিল ১২২৮ খ্ৰীঃৰ ২ ডিচেম্বৰ (১১৬০ শকৰ ১৬ আঘোণ)।

চুকাফাই মৰাণসকলৰ বহুলোকক বিভাৰী, বাৰীচোৱা, হাতীমূৰীয়া, চেতিয়া আদি ৰজাঘৰীয়া পদবী দিছিল। তেনেকৈ বৰাহীসকলক চাংমাই (ৰান্ধনী) কাঠকটীয়া, ধৰাধৰ বেজ, ভৰালী কুকৰা চোৱা আদি বিষয় বাব দিয়ে। এইদৰে চাও-লুং চুকাফাই কলা জাতি গঠণ প্ৰক্ৰিয়া প্ৰবৰ্ত্তন কৰে। চুকাফাৰ মৃত্যুৰ পাছত তেওঁৰ উত্তৰাধিকাৰী সকালেও চুকাফাৰ নীতি আৰু আদৰ্শ গ্ৰহণ কৰি উপযুক্ত লোকক ৰাজঘৰীয়া

কামৰূপ ৰাজ্য ভাগি সৰু সৰু ৰাজ্য গঠন হোৱাৰ কাৰণে সেই ৰাজ্য বিলাকৰ প্ৰজাবিলাকৰ কামৰূপী ভাষাটোৱেই আছিল জন-জাতি আৰু উপজাতি সমূহৰ ভাষা। কিন্তু উল্লেখনীয় কথা হ'ল চাও লুং চুকাফাই প্ৰতিষ্ঠা কৰা মুং-ডুন-চুন-খাম ৰাজ্যখনত নিজৰ মাতৃভাষা তাই ভাষাক অগ্ৰাধিকাৰ নিদি এই ভুখণ্ডত প্ৰচলিত তথা কথিত ভাষাটোক প্ৰচাৰ আৰু প্ৰসাৰৰ পৃষ্ঠপোষকতা কৰে। সকলো জাতি আৰু গোষ্ঠীৰ ভাষা দোৱানক লৈ জন্ম দিলে এক স্বকীয় ভাষা অসমীয়া। অতীতৰ সেই অসমীয়া ভাষা আজিৰ অসমীয়া ভাষাৰ মাজত কিছু পাৰ্থক্য থাকিলেও চুকাফাই দেখুওৱাই যোৱা বাটেৰেই আগবাঢ়িছে।

ধৰ্মীয় দৃষ্টিকোণ ঃ- ধৰ্মীয় দৃষ্টিকোণৰ পৰাও চুকাফাক এক উচ্চ শাৰীত স্থান দিয়া কাৰো দ্বিমত নাথাকিব। ধৰ্মনিৰপেক্ষতা নীতি আজিৰপৰা ৭৭২ বছৰৰ পূৰ্বে চুকাফাই উপলব্ধি কৰিব পাৰিছিল। তেওঁ কোনো ধৰ্মকে ৰজাঘৰীয়া ধৰ্ম কৰা নাছিল। আহোম ধৰ্মত হিন্দু ধৰ্মত থকা আমাৰ পুনৰ আৰ্বিভাৱৰ নিচিনা বৰ্দ্ধমূল ধাৰণাৰ স্থান নাই। আহোমসকলৰ নিজা ধৰ্মীয় পৰম্পৰা আছিল যদিও প্ৰজাৰ ওপৰত সেই ধৰ্ম জাপি দিয়া নাছিল বৰঞ্চ ৰজাই প্ৰজাৰ ধৰ্মৰ প্ৰতি উদাৰতা আৰু ধৰ্মীয় সহযোগিতাৰহে দৃষ্টান্ত দেখুওৱাইছিল। অৰ্থাৎ নিজৰ গোষ্ঠীক তাই তথা ফুৰা-লুং ধৰ্ম প্ৰচলন হোৱাৰ লগতে প্ৰজা সকলে নিজ নিজ সম্প্ৰদায়ৰ ধৰ্মপালন কৰাৰ সুবিধা পাইছিল। এনে উদাৰ আদৰ্শই শাসন ব্যৱস্থাৰ প্ৰতি বিকৰ্ষিত হোৱাৰ পৰিবৰ্তে আকৰ্ষিতহে কৰি তুলিছিল। অসমীয়া জাতিক এনে নীতিয়ে ঐক্য সংহতি সুদৃঢ় কৰি তোলাত সহায় কৰিছিল।

অসমীয়া জাতিৰ জনক চাও-লুং-চুকাফাৰ জনজাতিলোককে অস্পৃশ্য বুলি গণ্য নকৰিছিল। তেওঁ কোনো জাত-পাত, উচ্চ-নীচ আদি ভেদাভেদ নাৰাখিছিল। সকলোৱে লগতে একেলগে খোৱা-বোৱা, উঠা-বহা, যাগ-যজ্ঞ, পূজা-পাৰ্বণ কৰিছিল। আহোমৰ ৰমণী ব্ৰহ্মদেশলৈ বিয়া দিছিল আৰু নিজেও নগা, জয়ন্তীয়া, কছাৰী, বৰাহী, কোচ, মণিপুৰী আদি ৰমণী বিয়া কৰাই সকলোৰে মাজত সম্ভাৱ সম্প্ৰীতি বজাই ৰাখি এক সমন্বয়ৰ সেতু বান্ধিবলৈ সক্ষম হয়।

ভাৰতবৰ্ষত অসমীয়া তাতঁশাল আৰু ইয়াৰ শিপিনীৰ এক সুকীয়া বৈশিষ্ট্য আছে। অসমৰ দৰে ভাৰতৰ অন্য ৰাজ্যত কাপোৰবোৱা মানুহ (তাঁতী) নথকা নহয়। তেওঁ লোকে সমাজৰ সকলোৰে পৰা সম মৰ্য্যদা আৰু সন্মান নাপায়। কিন্তু অসমৰ ক্ষেত্ৰত এই কথাটো সুকীয়া। অসমীয়া সমাজৰ সকলো মহিলাই কাপোৰ বয়, তাঁতশালত সপোনৰচে। নানাধৰণৰ ৰং বিৰঙৰ প্ৰলেপ দিয়ে। আপোনজনৰ কাৰণে অতি মৰমেৰে সাঁচি থয়। উৎসৱ-পাৰ্ব্বন আহিলে নতুন কাপোৰ দিয়ে। ইয়াত শিপিনীৰ মান মৰ্য্যদা অতি উচ্চ। ধনী দুখীয়া সকলোৱে কাপোৰ বয়। শিপিনীকলৈ আজি অসমীয়া জাতি গৌৰান্বিত। এই পৰম্পৰাও চাও-লুং চুকাফাই প্ৰবৰ্তন কৰা বুলি কলেও বেছি কোৱা নহ'ব। অসমৰ নাৰীৰ তিনিপ্ৰকাৰৰ সাজ-পাৰ ৰিহা মেখেলা আৰু চাদৰৰ পৰম্পৰা মূলতঃ তাই আহোমসকলৰ দান। পুৰুষৰ ফাচুং (লুঙী) ফাচিত (গামোচা)ও তাই সকলেই দিছিল।

অসমীয়া সংস্কৃতিৰ মূলত বাঁহ সংস্কৃতি সমৃদ্ধ। বাঁহ বেতৰ কাৰু কাৰ্য আৰু তাৰ নিপুন কৌশলী চুকাফাই লগত আনিছিল। বাঁহৰ পৰা ঘৰকে আদি কৰি বিভিন্ন ধৰণৰ জীৱন ধাৰণৰ সজুলি তৈয়াৰ কৰা কৌশল তেওঁলোকে জানিছিল। ইয়াৰ স্থায়ী

পান, কলগছ, বাঁহ-বেত আদি ৰুই আত্মনির্ভৰশীল হোৱাৰ মহান আদর্শ চাও-লুং-চুকাফাই পোন প্ৰথমে দেখুৱাইছিল। ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ ফলমূলৰ গছ যেনে- মধুৰি, আম, কঠাল নানাবিধ শাক-পাচলি আদি নিয়াৰিকৈ ৰোৱাৰ নিদর্শন দেখুৱালে চাও-লুং-চুকাফাই। হাঁহ, কুকুৰা, গাহৰি, গৰু, মহ আদি পোহাৰ আদর্শত চুকাফাৰে দান। অসমীয়া জাতি অসমীয়া সমাজক অতি সুন্দৰকৈ গঢ়ি তোলাত চুকাফাই সঁচাকৈয়ে অদ্ভূট আঁচনি গ্ৰহণ কৰিছিল।

চাও-লুং-চুকাফাই সকলোৰে গ্ৰহণীয় এক কৰ্ম সংস্কৃতিৰ জন্ম দিয়ে। চুকাফাই কৃষি কৰ্মৰ লগত গভীৰ সম্বন্ধ ৰাখিছিল। কৃষিৰ উপযুক্ত মাটি বিচাৰি উন্নত প্ৰণালীৰে শস্য খেতি কৰি শস্যৰ ভঁৰাল মেটমৰা কৰাত তেওঁ গুৰুত্ব দিছিল। অৰ্থাৎ আন এক কথাত কবলৈ গলে চাও-লুং-চুকাফাক অবৈজ্ঞানিক যুগৰ এজন বৈজ্ঞানিক বুলি কব লাগিব। কৃষি পদ্ধতি আৰু ব্যৱস্থাৰ সম্পৰ্কে চুকাফাৰ বেচ ৰাপ আছিল। বৰ লুঁইতৰ দুই বাহুৰে তেওঁক পূৰ্ণ সমৰ্থন কৰিছিল। চুকাফাৰ এই কৰ্ম সংস্কৃতিৰ ফলস্বৰূপেই অসমীয়া শ্ৰমনীতি প্ৰস্তুত হ'ল। সৃষ্টি হ'ল কৰ্মপটু দৃঢ়, পৰিশ্ৰমী অসমীয়া জাতি।

চুকাফাই জাঁজী আৰু সোৱনশিৰিৰ পৰা সোণ কমাই সোণাৰিশালত সোণ ৰূপৰ অলংকাৰ গঢ়িছিল। কাঁহ-পিতলৰ শিল্প, হাতী দাঁতৰ সামগ্ৰী তৈয়াৰ কৰোঁতা সেই সময়ত অসমত অভাৱ নাছিল। কুমাৰ, কমাৰ, বাঢ়ৈ খনিকৰ হিলৈদাৰী, শিলাকূটীয়া, কাঠ-কটীয়া, আখৰ কটীয়া, জাপি সজীয়া, সোণাৰি আদি অনেক বৃত্তিৰ লোক অসমীয়া সমাজ আছিল। চুকাফাৰ আদর্শ আৰু প্ৰেৰণাত এই বিলাকেই নৱৰূপত সৃষ্টি হৈছিল।

সেয়ে দেখা যায় টাই আহোমসকলৰ

নাছিল। আমাৰ ভালখিনি গ্ৰহণ কৰি অদৰকাৰীখিনি পেলাই দিয়া নীতিহে তেওঁলোকে গ্ৰহণ কৰিছিল। চাও-লুং-চুকাফাই গ্ৰহণ কৰা এনেধৰণৰ উদাৰ নীতিৰ কাৰণে তেওঁক অসমীয়া জাতিৰ জন্মদাতা হিচাপে স্বীকৃতি দিবই লাগিব।

চাও-লুং-চুকাফা আছিল সমন্বয়ৰ প্ৰতীক। সাত ৰাজ মাৰি এক ৰাজগঢ়োতা আছিল তেওঁ। তেওঁ অহাৰ আগতে অসম বুলি ৰাজ্য বা ঠাই নাছিল। অসমীয়া ভাষা বা অসমীয়া জাতি বুলি কোনো এটা জাতি নাছিল। মৰাণ-বৰাহী সকলৰ মুখৰ পৰা উচ্চাৰিত হা-ছামৰ পৰাই পিছলৈ মুখবাগৰি আচাম, আসাম, আহোম হ'ল। ভিন ভিন ভাষা সংস্কৃতি, জাতি-জনজাতি, ৰীতি-নীতি, পূজা-পাৰ্বণ সকলোৰে এক কৰি তুলিলে। চু-কা-ফাই অসমীয়া জাতিটোক ভাষা, সমাজ, কলা-সংস্কৃতি সকলোখিনি দান কৰি থৈ গ'ল। অসমীয়া জাতি কোঁৱৰে সংমিশ্ৰণ ঘটালে নানা জাতি উপজাতিৰ মন আৰু প্ৰাণৰ। গঢ়ি তুলিলে এক বিশ্ব বিজয়ী অপৰাজেয় অসমীয়া জাতি।

এইদৰেই চু-কা-ফাই নিজৰ শক্তি, বুদ্ধি কৌশলেৰে বিনা ৰক্ত ক্ষয়ে পাটকাই চেনকণৰ নামনিৰ পৰা দিখৌ নৈৰ পূব পাৰলৈকে বিস্তৃত এলেকা খণ্ড ১২২৮ খ্ৰীঃৰ পৰা ১২৬৮ খ্ৰীঃ ম্যুং-দুন-চুম-খাম,ৰ ভিতৰত সাত ৰাজ মাৰি এক ৰাজ কৰি এক অসমীয়া জাতিৰূপে বিশ্ব বুৰঞ্জীৰ আগত পৰিচয় ডাণ্ডি ধৰিলে। মহান সহানুভুতি চু-কা-ফাই সুদীৰ্ঘ ৪০ বছৰ সাম্ৰাজ্য বিস্তাৰ কৰি ১১৯০ শকত (১২৬৮ খ্ৰীঃ) স্বৰ্গাৰোহন কৰে।

উল্লেখনীয় কথা হ'ল স্বৰ্গদেও চু-কা-ফাৰ জন্ম বা মৃত্যুৰ সঠিক তাৰিখ কোনো বুৰঞ্জীতে পোৱা হোৱা নাই। সেয়ে তেনে এজন অসমীয়া জাতি দেশ গঢ়োতা, দক্ষ প্ৰশাসক, দূৰদৰ্শি ৰাজনৈতিক

ৰাজ্য প্ৰতিষ্ঠাৰ বাবে খোজ দিয়া ১৬ আঘোন তথা ইং ২ ডিচেম্বৰ দিনটোকে তেওঁৰ সোঁৱৰণত চু-কা-ফা দিবস হিচাবে অসমীয়া ৰাইজে পাতি আহিছে। বৰ্ত্তমান চৰকাৰৰ পৃষ্ঠপোষকতাত অসম দিৱস হিচাবে উথাপন কৰিবলৈ সিদ্ধান্ত লৈছে। মহান নেতা, দূৰদশী, কৰ্মপটু প্ৰথম অসমীয়া হিচাপে পৰিচয় দিয়া হয় চাও-লুং-চুকাফাক। (ম্যুং-ডুন-চুন খাম আৰু আজিৰ অসম)

উপসংহাৰ ঃ- অতি পৰিতাপৰ কথা হ'ল সাম্প্ৰতিক চাও-লুং-চুকাফাই প্ৰতিষ্ঠা কৰা অসম ৰাজ্য আৰু অসমীয়া জাতিৰ বিভিন্ন জাতি জনজাতি সকলে অস্তিত্ব লুপ্ত হোৱাৰ আশংকাত ভুগিছে। কালৰ বিষম গতিত হেৰাই গ'ল (৬০০) বছৰে গঢ়ি উঠা অসমীয়া জাতি। অসমীয়া ভাষা আৰু অসমীয়া কলা সংস্কৃতি কিন্তু কিয়? ইয়াৰ বাবে প্ৰকৃত দায়ী কোন? কেৱল ক্ষুদ্ৰ স্বাৰ্থৰ পূৰণত দেশৰ ৰাজনৈতিক নেতা সকলে মনোনিবেশ কৰি দেশৰ সংগঠকৰ কাৰ্য্যত পিঠিয়া-পিঠি কৰিলে বাৰু দেশৰ হিত সাধিবনে? আজি অসমীয়াই নিজকে আহোম, বাহ্মণ, কলিতা,কোচ, বড়ো, ডিমাচা, কাৰ্বি আদি বুলি চিনাকি দিবলৈ লৈছে। প্ৰত্যেকেই নিজা ভাষা, ধৰ্ম সংস্কৃতিক অকলশৰীয়াকৈ বিচাৰিছে। ভাষা সংস্কৃতিকলৈ খোৱা কামোৰা লাগিছে। একোটা পৰিয়ালতেই একোটা ঘৰতে ভায়ে ভায়ে ৰক্তৰ পূজা পাতিছে। এইয়া চুকাফাৰ অসম হয়নে? এইয়া চুকাফাৰ, শংকৰ-মাধৱৰ দেশ নহয় এইয়া দুৰ্য্যোধনৰ কুৰুক্ষেত্ৰহে।

আজি অসমীয়া তথা নতুন প্ৰজন্মই এই জটিল পৰিস্থিতিত ঐক্য সংহতি আৰু সমন্বয়ৰ প্ৰতীক ৬০০ বছৰৰ প্ৰতিষ্ঠাতা সেই মহান পুৰুষ চাও-লুং-চুকাফাৰ আদর্শক অনুকৰণ কৰিব লাগিব। প্ৰত্যেকজন অসমীয়াই বুজিব লাগিব যে ভায়ে ভায়ে পতা তেজৰ খেলাই তথা জাতি জনগোষ্ঠীৰ প্ৰতিদ্বন্দিতামূলক মনোভাৱে, কেতিয়াও এখন সোণৰ অসম গঢ়া সম্ভৱ নহয়। ইজনে সিজনক মাৰি কাটি কোনেও বেছি দিন বাচি থাকিব নোৱাৰে। চু-কা-ফাৰ নীতিয়ে শান্তি-সম্প্ৰীতিৰে ইজনে সিজনৰ প্ৰতি আন্তৰিকতাৰে বান্ধ খাই হে এখন দেশ বা এটা জাতিয়ে আগুৱাই যাব পাৰে। তাৰ বাবে আজি যুৱ সমাজে বাদ দিব লাগিব উশৃংখলতাৰ পথ, উপৰুৱা সস্তীয়া প্ৰেম, ধ্বংসাত্মক চিন্তা-চৰ্চা আৰু ইজনে সিজনৰ প্ৰতি কৰি অহা অৱহেলা তথা হীনমান্যতা ভাৱ। সকলোৱে সাম্প্ৰদায়িক বা গোষ্ঠীগত চিন্তা-চৰ্চাৰ পৰা মুক্ত হৈ এক সু-সংঘবদ্ধ অসম আৰু এক অসমীয়া জাতি গঢ়াৰ সংকল্প ল'ব লাগিব।

বৰ্তমান অসমীয়া জাতিৰ ভাষা-সাহিত্য, সংস্কৃতি, ধৰ্ম, আৰু অসমীয়া সমাজত যি বিভেদ আৰু বিভাজন ঘটাইছে তাক অৱৰোধ কৰিবলৈ হ'লে অসমীয়া জাতিৰ জনক চাও-লুং-চুকাফাৰ দৰে উদাৰ দৃষ্টি ভংগীক আকোঁৱালী ল'ব লাগিব নহ'লে একেখন গাঁৱতে সাতটা নামঘৰ একোটা পৰিয়ালতে সাতটা চৰুৰ সৃষ্টি হ'ব। সৃষ্টিৰ নামত ধ্বংস, উন্নতিৰ নামত কলংক আৰু ভাষা সাহিত্য ধৰ্ম তথা সমাজৰ নামত এখন বিনাশ ৰূপী অসমীয়া দেশ সৃষ্টি হ'ব। (প্ৰৱন্ধটিত কেইবাখনো গ্ৰন্থ আৰু আলোচনীৰ ছাঁ পৰিছে।)□□

মনস্তাত্বিক গল্প

# যোগ্যতা

হীৰেন কোঁৱৰ
দ্বিতীয় বাৰ্ষিক

জীৱন সংগ্ৰামত জীয়াই থকাৰ বাসনাই মানুহক ক'ত কি কৰিবলৈ বাধ্য কৰাব পাৰে তাৰ জানো কিবা লেখ জোখ আছে, হ'ব পাৰে যে মানুহৰ এই বাহ্যিক ৰূপটোৰ কোনো মূল্য নাই। আত্মাই পৰমাত্মাৰ লগত একাত্ম হোৱাটোহে মানুহৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। তথাপি কিয় আমি এটা সুন্দৰ ঘৰৰ বাবে উত্ৰাৱল হৈ মৰিছো? মায়া মোহৰ এই বৃত্তটোৰ পৰা কিয় আমি মুক্ত হব পৰা নাই। এইবোৰ অনেক প্ৰশ্ন, অনেক কথা। তাৰ কেতিয়াবা সদ্যুত্তৰ পোৱা যেন লাগে, কেতিয়াবা এইবোৰ চিন্তাই ভাৰাক্ৰান্ত কৰি তোলে।

স্বৰ্গ, থাকিবও পাৰে নেথাকিবও পাৰে, আমি তাক দেখাও নাই বা কোনো অভীক্ষাৰ দ্বাৰা তাক আমি প্ৰমাণিতও কৰিব পৰা নাই। মানুহৰ জন্ম কিম্বা মৃত্যু হয় এই পৃথিৱীতেই। জীৱনটো ক্ৰমাত বিকশিত হয় এই পৃথিৱীতে। জীৱনত কিবা এটা কৰাৰ স্মৃতি ৰৈ যায় 'সময়বালিৰ' এই পৃথিৱীখনতেই। সেইবাবেই হয়তো ধাউতি আমাৰ এটা সুখৰ জীৱনৰ, এটা সুন্দৰ পৰিবেশৰ এটা সুন্দৰ ঘৰৰ...

মইও বিষয় বাসনাৰে জৰ্জৰিত তেনেই সাধাৰণ মানুহ। মোক আজি মায়া-মোহ এনেকৈ আগুৰি ধৰিছে যাক মই হাজাৰ প্ৰচেষ্টাৰ বলতো পৰিত্ৰাণ পোৱা নাই।

মোৰ দুটা ভাই আছে, এজনী ভনী। মই ঘৰখনৰ ডাঙৰ। মা-দেউতা আছে। দেউতা চিৰৰুগীয়া। দেউতাই জীৱনত একো কৰিব নোৱাৰিলে। যাৰ প্ৰতিফল ভোগ কৰিছো আমি ল'ৰা

আজি প্ৰায় চাৰিবছৰমানৰ আগতেই বি.এ পাছ কৰিলো। তাৰ পিছত দেউতা-মা বা মোৰ চিৰকাংক্ষিত 'চাকৰি'ৰ বাবে ঘুৰি ফুৰিছো ডলাৰ বগৰীৰ দৰে। ক'ত কিমান চাকৰি ওলাই ইণ্টাৰভিউ হয়- ক'ত মই দেখোন ক'তো সুবিধা এটা কৰিব পৰা নাই। কিমান ইণ্টাৰভিউ দিলো, কাক কিমান কাবৌ-কাকূতি কৰিলো, নাই কোনো ফল ধৰা নাই। ইণ্টাৰভিউবোৰ আজিকালি কিবা মিছা আয়োজনহে যেন লাগে। ইণ্টাৰভিউত প্ৰথম হোৱা কিমানজনে চাকৰি পাইছে। ইণ্টাৰভিউ নিদিয়াজনেও দেখোন চাকৰি পাইছে কিন্তু কেনেকৈ?

চাকৰি বিচাৰি বিচাৰি, দৰিদ্ৰতাৰ সতে যুঁজি যুঁজি আজি মোৰ জীৱনৰ মোহ হেৰাই গৈছে। সকলোতে দেখি পাওঁ কিবা এক কৃত্ৰিমতাৰ জাল। কেতিয়াবা ভাৱ হয় মই মৰিযোৱাই শ্ৰেয়। তথাপি জীয়াই আছো কিবা এটা পোৱাৰ কিবা এটা কৰাৰ কিবা এটা হোৱাৰ সপোনক সাৱটি।

হঠাতে সিদিনা শুনিলো গুৱাহাটীত কিবা এটা নতুন প্ৰতিষ্ঠান খোলাৰ কথা। উপযুক্ত লোকক বিচাৰি সেই প্ৰতিষ্ঠানটোৱে এখন বিজ্ঞাপন প্ৰচাৰ কৰিছে। তেওঁলোকে বিচৰাৰ দৰে মই তেওঁলোকৰ প্ৰতিষ্ঠানটোৰ বাবে উপযুক্ত ব্যক্তি। মই এক উত্তেজনা অনুভৱ কৰিলো। লগে লগে মোৰ মনত পৰিল দত্ত চাৰৰ কথা। তেওঁ এইকেইদিনতে গুৱাহাটীলৈ যোৱাৰ কথা আছে। বোধহয় তেওঁমোক কিছু সহায় কৰিব পাৰিব বুলি মই ভাবিলো। লগে লগে ৰৰ ওচৰলৈ মই দৌৰি ওলালো। চাৰ ঘৰতেই আছিল।

তেনে সময়তে বাইদেউৱে আমাক চাহ দি গ'লহি। চাৰে চাহকাপ হাততলৈ মোৰ বিপৰীতফালে মুখ কৰি কিছুসময় নিৰৱহৈ ৰ'ল। তাৰ পিছত তেওঁ লাহেকৈ ক'লে-"জানা হীৰেণ আজিকালি চাকৰি পোৱাৰ Process টো সলনি হৈছে। আগতে চাকৰি পাবলৈ যি যোগ্যতাৰ প্ৰয়োজন আছিল তাৰ লগত আজিকালি আৰু দুটা যোগ্যতাৰ প্ৰয়োজন হৈ পৰিছে-- (চাৰৰ কথা শুনিবলৈ মই কাণদুখন থিয় কৰি ৰাখিলো) সেই দুটাৰ এটা হ'ল হয় তোমাৰ 'হাতদীঘল' মানুহ থাকিব লাগিব নতুবা তুমি সিহঁতে বিচৰামতে 'টকা' দিব পাৰিব লাগিব। আজিকালি দৰ্খাস্তখন লিখোতে 'মই বৰ দুখীয়া ল'ৰা' বুলি লেখিলে নহব, তুবি লেখিব লাগিব 'মই ধনী মানুহৰ ল'ৰা' তেহে চাকৰি পোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ পিছতো চাৰে বহুত কথা কৈছিল। কিন্তু মোৰ অহৰহ বাজি থাকিল চাৰে কোৱা চাকৰি পোৱা নতুন Proces টোৰ কথা। মোৰ এনেলাগিল যেন মোক কেন্দ্ৰ কৰি মোৰ চৌপাশৰ বস্তুবোৰ অতি দ্ৰুত গতিত ঘুৰিব ধৰিছে। হে প্ৰভু; তুমি মোক ৰক্ষা কৰা।□□

---

এক মিনিটৰ গল্প।

# ছুপাৰ ছিক্স

যুগল চেতিয়া
স্নাতক প্ৰথম বৰ্ষ

'সুনীল বৰুৱা'। এসময়ৰ কলেজ ক্ৰিকেট টিমৰ 'মেচ উইনাৰ'। প্ৰতিখন মেচতে 'অপেনাৰ'। সুনীলৰ অবিহনে কলেজ টিমৰ খেল 'পানীত হাঁহ নচৰা' অৱস্থা। তাৰ বেটৰপৰা ওলোৱা 'বাউণ্ডেৰী','ছুপাৰ ছিক্স' আদিয়ে বিপৰীত দলৰ সমৰ্থকৰ পৰাও হাত চাপৰি, কিৰীলি আদায় কৰিছিল। সেয়ে কলেজত সকলোৱে সুনীলক 'বৰুৱাৰ' পৰিবৰ্তে 'গাভাস্কাৰ' বুলি আখ্যা দিছিল। গাভাস্কাৰ মানে সুনীল বৰুৱাৰ বেটৰ পৰা ওলোৱা 'চুপাৰ ছিক্স'ৰ প্ৰেমত পৰিয়েই অনিমাই সুনীলক বিয়া কৰাইছিল।

এনেদৰে দুয়ো পতি পত্নী হোৱাৰ পাছত সুনীলে ক্ৰিকেটৰ 'ফিল্ড' এৰি সংসাৰৰ ফিল্ডত খেলিবলৈ আৰম্ভ কৰিলে। পিছে কি হব!..... সংসাৰৰ 'Experience' তেনেই নাই। কাৰণ- ক্ৰিকেটৰ 'ফিল্ডত' খেলাৰ সময়ত সুনীলৰ মানে গাভাস্কাৰৰ কলেজ শিক্ষাৰ ফালে তেনেই 'ৰাণ আউট' হৈছিল আৰু তাৰ পাছতেই সংসাৰৰ ফিল্ডত 'এডমিশ্বন'।

এনেদৰেই সংসাৰৰ ফিল্ডত গাভাস্কাৰ অনিমাৰ মেচ 'লীগ' পৰ্য্যায়ত চলি আছে। প্ৰায়েই ৰাতি ঘৰত ঠাং-ঠুং কৈ কাঁহী-বাটি দলিওৱা-দলি মানে (ক্ৰিকেটৰ বেট বল খেলা) চলি থাকে। অৱশেষত কোনোবাদিনা ৰাতি সংসাৰৰ 'ফিল্ডত' সুনীলৰ 'বেটিং ৰ্ফম' ইমানেই মিলি যায় যে ফলা খৰিৰ কোবত অনিমা 'ছুপাৰ ছিক্স' হৈ ঘৰৰ বাউণ্ডেৰীৰ বাহিৰত ওৰে ৰাতি পৰি থাকিবলগীয়া হয়। কিয়নো সুনীল যে কলেজৰ প্ৰাক্তন 'মেচ উইনাৰ'।□□

কথা শিল্প

# তুমি আহিবা সেই পোহৰ সুৱাসৰ মাজেৰে

নিহাৰজ্যোতি সোনোৱাল
স্নাতক প্ৰথম বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

"এই সমীৰদা বিদায়ৰ সময়ত মই বাৰু আপোনাক কি দিম?"

"কি দিবি কওঁ"

"কওঁক"

"জীৱনত পাহৰি নোযোৱা প্ৰতিশ্ৰুতি, এইয়েই হ'ব মোৰ বিদায়ৰ সময়ত দিয়া মৰমৰ ভাইটিৰ উপহাৰ, আটাইতকৈ ডাঙৰ উপহাৰ।"

"সচাঁ, মই যে আপোনাৰ ভাইটি হৈ থাকিব পালে নিজকে ধন্য মানিম।"

"অই কিয় তেনেকৈ কৈছ, মই কি মহান ব্যক্তি নেকি যে তই মোৰ ভাই হ'লে ধন্য হবি।

"আনে মনত কি ভাৱে নাজানো, কিন্তু মোৰ বাবে আপুনি মহান। মোৰ বাবে আপুনি সদায়ে আদৰ্শ হৈ থাকিব।"

"থ' থ' তোৰ লেকচাৰ, মোক মহান বুলি কৈ লাজ নিদিবি বুজিছ।"

আজি হোষ্টেলৰ শেষ দিন। কালিয়ে পৰীক্ষা শেষ হ'ল। কিন্তু হোষ্টেলৰ বন্ধু সকলৰ অনুৰোধক উপেক্ষা কৰিব নোৱাৰি আজিও থাকিব লগা হ'ল। পোৱাৰে পৰা মনটো বৰ বেয়া লাগি আছে। সেয়া হোষ্টেলৰ পৰা বিদায় লব লগা হোৱাৰ বেদনা নে আন বেদনা মই কব পৰা নাই। আগবেলাতে অলপ উলাই গৈছিলো। ৰুমত সোমায়েই মনটো উৰুঙা উৰুঙা লাগিছে। বিছনাত অলপ শুবলৈ বুলি লওঁতেই ৰিপুৰ কথা মনত পৰিল। সচাঁই আজি ৰিপু থকা হ'লে মোক যে কিখন কৰিলে হয়। সঁচাই যদি তুমি আজি মোৰ কাষত থাকিলাহেতেঁন।" ক'ব নোৱাৰাকৈ মোৰ দুগালেদি চকুলো বাগৰি আহিল।

যোৱা বছৰ প্ৰিভিয়াছত নাম লগাই ৰিপু মোৰ ৰুমমেট হিচাপে মোৰ ৰুমলৈ আহিছিল। সি অহাৰ দিনটোৰ দৃশ্যবোৰ মোৰ দুচকুত এতিয়াও সতেজ হৈয়ে আছে। খুব ভয়ে ভয়ে মোৰ সতে চিনাকী হৈছিল।

"দাদা ম..মই আপোনাৰ সতে একেলগে থাকিব লাগিব।" দুৱাৰ খোলাৰ লগে লগে সি কৈছিল।

" হয় নে কি? আহা ভিতৰলৈ।"

হল্ডলটো আৰু আন আন বস্তুবোৰ সি ভিতৰলৈ লৈ আহিছিল।

"তোমাৰ নাম?"

"ৰিপুন ফুকন"

"Subject কি? কোন কলেজৰ পৰা আহিছা?"

"Subject Economics মই শিৱসাগৰ মানে জয়সাগৰ কলেজৰ পৰা আহিছো দাদা। বেয়া নাপায় যদি আপোনাৰ নামটো..?

"অ' মোৰ নাম সমীৰণ, সমীৰণ শইকীয়া। সকলোৱে মোক সমীৰ বুলিয়েই মাতে। তুমিও সমীৰদা বুলি ক'লেই হ'ব।

" Subject দুয়োৰে একেই যেতিয়া ভালেই হ'ল মোৰ নোট বোৰ ল'ব পাৰিবা।

"আপুনি মানে সমীৰণ শইকীয়া। এইবাৰ প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱা নাইনে।"

ফুকন আপোনালোকৰ লগৰে।"

"অ' তুমি আকাশৰ কথা কৈছা। তাৰ মানে তুমি তাৰ ভায়েক। তাৰ লগত আমাৰ সকলোৰে খুব ভাল বন্ধুত্ব আছে।"

এইদৰে প্ৰথম দিনা তাৰ সতে চিনাকী। মই কোৱাৰ বাবেই হোষ্টেলৰ কোনোৱে তাক ৰেগিং কৰা নাছিল। তাতে সি আকাশৰ ভায়েক।

এইদৰে দিনবোৰ গৈ আছিল। ঘৰৰ একমাত্ৰ সন্তান ৰিপুন সময়ৰ সময়ৰ লগে লগে মোৰ নিজৰ ভাইৰ দৰে হৈ পৰিছিল আৰু মই তাক 'তুমি'ৰ পৰা তই সম্বোধন কৰিছিলো। সিহঁতৰ ঘৰৰ সৈতেও মোৰ খুব ভাল সম্পৰ্ক গঢ়ি উঠিছিল। ৰিপুনে বৰ সুন্দৰ কবিতা লিখিছিল, গানও গাইছিল আৰু মাজে মাজে ছবিও আঁকিছিল। সি ৰচা প্ৰতিটো কবিতা মোক দেখুৱাছিল। বুজি নোপোৱা Economics ৰ অংকবোৰ মোৰ পৰা বুজি লৈছিল। মাজে সময়ে তাক দুই এষাৰ গালিও পাৰিছিলো তাৰ অসাৱধানতাৰ কাৰণে হোৱা ভুলৰ বাবে। অলপ সময় নিতাল মাৰি শুণৰ মোৰ দুচকুলৈ চাই আৰু ভুল নকৰো বুলি কাণত ধৰি কৈছিল। সচাঁই সি বৰ আলসুৱা সৰু ল'ৰাৰ দৰে কামবোৰ কৰিছিল। মোৰ খং উঠিলে হুচোৱাৰলৈ চেষ্টা কৰিছিল।

পঢ়ি থাকোতেই এদিন ৰাতি সি এটি কবিতা ৰচিছিল।

"বন্ধু,  
এডালি মমেৰে উজ্জ্বলাবা  
মোৰ সমাধি,  
থাকিছে এন্ধাৰে সাৱতে  
মোৰ জীৱন পঁজা।  
শেৱালি পাহিৰে সজাই তুলিবা  
সমাধি মোৰ,  
মৰিয়ে মৰতি যায় মোৰ

কবিতাটো পঢ়ি তাক মই এনে কবিতা লিখাৰ বাবে গালি পাৰিছিলো। কৈছিলো "তোৰ মৃত্যুৰ চিন্তা এতিয়াই আহিল নেকি?"

"ক'বতো নোৱাৰি; কাৰ কেতিয়া মৰণ আহে। হয়তু আজিও মৰিব পাৰো।

"হ'ব হব এই চিন্তাবোৰ বাদ দে আৰু কিতাপ পঢ়।"

সি হয়তু সচাঁই গম পাইছিল তাৰ মৃত্যুৰ আগজাননীৰ বিষয়ে। সেইদিনটোৰ এসপ্তাহৰ পিছতে মাকৰ অসুখৰ খবৰ পাই সি ঘৰলৈ গৈছিল। পাছদিনা সন্ধিয়া সময়ত লগৰ ল'ৰা এজনৰ ঘৰলৈ বুলি তাৰ Hero Honda বাইকখনলৈ ওলাই গৈছিল। কোনোবাই বাৰু জানিছিল নে সেইয়াই তাৰ জীৱনৰ শেষক্ষণ বুলি! দৈনিক বজাৰখন পাওঁ কি নাপাওঁতে সি চিটিকি পৰিছিল তাৰ বাইকখনৰ পৰা। এটি বোমা বিস্ফোৰণৰ প্ৰচণ্ড শব্দই ক্ষণিকতে লৈছিল বহুতৰে প্ৰাণ। বহুতেই আঘাট প্ৰাপ্ত হৈছিল গুৰুত্বৰ ভাৱে।

পিছদিনাৰ বাতৰিত খবৰ পায়েই দৌৰি গৈছিলো মেডিকেল কলেজলৈ। ইটো ৰুমৰ পৰা সিটো ৰুমলৈ দৌৰি শেষত পাইছিলোগৈ এখন চিনিব নোৱাৰা মুখেৰে সৈতে ৰিপুক। মোক দেখাৰ লগে লগে দুধাৰি লোতক বাগৰি আহিছিল তাৰ দুগালেদি। সি তাৰ ওঁঠ দুটি লৰাইছিল যেন সি মোক কিবা ক'ব! কিন্তু ব্যৰ্থ হৈছিল তাৰ সেই প্ৰচেষ্টা। ময়ো বোবা হৈ গৈছিলো, মৌনতাৰে মাথো চাই ৰৈছিলো তাৰ মুখলৈ।

পাঁচদিন এনেদৰেই মৃত্যুৰ সৈতে যুঁজি যুঁজি শেষত সি পৰাজিত হৈছিল। হেৰাই গৈছিল মোৰ সুখ-দুখৰ এবছৰীয়া কালৰ সংগী।

নিৰৱ দৰ্শক হৈয়ে প্ৰত্যক্ষ কৰিছিলো পুত্ৰ হাৰা মাতৃৰ ক্ৰন্দন। অস্ত্ৰহীন মই একো কৰিব নোৱাৰো।

# বৰ্ত্তমানৰ উশৃংখল যুৱমানসিকতা

মৌচুমী সোণোৱাল।
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

যুৱমানসিকতা বুলিলে আমাৰ মনত দৰা চলতে কি ভাবৰ উদয় হয় এক চিন্তনীয় বিষয়। আভিধানীক অৰ্থত যুৱ মানে যৌৱন প্ৰাপ্ত অৱস্থা আৰু মানসিকতা মানে হ'ল মনসম্বন্ধীয়। এতেকে যুৱমানসিকতা মানে যুৱক-যুৱতীৰ মনৰ মাজত চলি থকা এক অৱস্থা।

এজন যুৱক বা যুৱতীৰ মনৰ বৰ্ত্তমান অৱস্থা কেনেকুৱা আৰু অতীততে কেনেদৰণৰ আছিল এই কথা আমি ইতিহাসৰ পাতে পাতে পাওঁ। বেছি দূৰলৈ নগৈ সৌ সিদিনাৰ আহোম ইতিহাস মেলিলেই পাওঁ লাচিত বৰফুকনৰ মানসিক বলৰ কথা কিন্তু আজি আমি কি দেখা পাইছো? যুৱক-যুৱতী সকলৰ মনৰ কথা বাহ্যিক আচৰণত প্ৰকাশ পায়। এই আচৰণৰ পৰাই আমি ভৱিষ্যতৰ ভয়ানকতাৰ স্বাক্ষৰ পাওঁ। লাচিত-মূলাগাভৰুৰ একনিষ্ঠ সাধনাৰ সেউজ স্বাক্ষৰ আজি ম্লান হওঁ হওঁ অৱস্থা। আজিকালিৰ যুৱক-যুৱতিসকলৰ অত্যাধুনীক তথা প্ৰতিজনেই নিজকে বোলছবিৰ নায়ক-নায়িকা বুলি ভাবি লয়। ইয়াৰ কাৰণবোৰ অতিশয় গুৰুত্বপূৰ্ণ।

আজিৰ যুগৰ যুৱক-যুৱতী সকলৰ মানসিক অৱস্থা কলমেৰে ভাষা দি বৰ্ণনা কৰিব নোৱাৰি ।বাটে পথে, গাড়ীয়ে-মটৰে, বজাৰে-সমাৰে তেওঁলোকৰ নিজৰ মানসিক পৰিচয় দি আহিছে। বিশেষকৈ ভাৰতৰ সমূহ প্ৰান্তৰ যুৱক-যুৱতী বাদ দি অসমৰ সোণতৰা, সোণপাহী,ৰূপহী, ৰঙামূৱা,

যেনে-মেৰী,জেনী,উইলচন, এলিজা আদি নাম লৈছে) আজিকালিৰ যুৱকৰ গাত জনপ্ৰিয় বোলছবিৰ নায়কৰ দৰে অত্যাধুনিক দামী সাজ পোচাক , দেহত আমোল মোল সুগন্ধীৰ সুবাস,চকুত গাগলচ্, ভৰিত দামী জোতা,চুলিবোৰ কোনো এজন জনপ্ৰিয় বোলছবিৰ নায়কৰ দৰে কটা, লগত থাকিব এখন 'হিৰ'হোণ্ডা' অথবা 'বুলেট'। আনহাতে যুৱতী সকলৰ পিন্ধনত অতি ঠেক চুৰিদাৰ বা জিন্‌ছ পেন্ট। অতি চুটিকৈ কটা স্কাৰ্ট, পাতল দামী ব্লাউজ, ভৰিত হিলচ্, ওঁঠত লিপষ্টিক, চকুত কাজল, চেলাউৰীযোৰ দুয়োকাষে উঘালি যেনে তেনে ধেনুভিৰীয়া কৰা , মুখত উগ্ৰ প্ৰসাধন। তেওঁলোকে হাতত দামী ঘড়ী ৰেহৰূপৰ বাবে পিন্ধে তেওঁলোকৰ সময় অপচয়ে ইয়াকে সূচায় আজি কালিৰ যুৱতী বিলাকৰ চুলি প্ৰায় নায়েই। মেখেলা-চাদৰ আৰু দহবছৰৰ পিছত যাদুঘৰত সংৰক্ষণ কৰিব লাগিব। অসমৰ যুৱমানসিকতাৰ ইমান অধঃপতন ঘটিছে যে আজিৰ যুৱক যুৱতীয়ে ডাঙৰক সুস্থ-ব্যৱহাৰ কৰিবলৈ পাহৰি গ'ল। বিশেষকৈ প্ৰায়ে যুৱকসকলক দেখা যায় যে দোকানে সমাৰে অথবা তিনি আলিৰ চুকত থিয় হৈ চিগাৰেট হুপি থাকে আৰু তেওঁলোকে মাতৃ অথবা ভগ্নীকো অসৎধৰণে আচৰণ কৰে। আজিকালিৰ যুৱকসকলে বাটে-ঘাটে ছোৱালী জোকাই ফুৰাটো দেশাচাৰত পৰিণত হৈছে।

উদীয়মান যুৱক-যুৱতীসকলৰ নৈতিক চৰিত্ৰ স্খলনত সহায়ক হৈছে তেওঁলোকে অধ্যয়ণৰ নামত প্ৰায় নানাধৰণৰ সস্তীয়া অশ্লীল সাহিত্য।

বাধা দিওঁতাবো পিঠি দুফাল হ'ব লাগিব। আজিকালিৰ যুৱক -যুৱতীসকলে প্ৰতিটো বাক্যৰ মাজত দুই বা ততোধিক হিন্দী বা ইংৰাজী শব্দ কয়। কিন্তু শুদ্ধ কৈ হিন্দী বা ইংৰাজী ভাষা নজনাত নিজ মাতৃভাষাৰো অধঃপতন ঘটাইছে। বৰ্ত্তমান একশ্ৰেণীৰ যুৱকে সুবিধা পালেই আন দুজনক দুটামান ঘোঁচা দি দুপইচা সৰকাই, চিনেমা হ'লত টিকট ব্লেক কৰে আৰু এচাম যুৱতীয়ে টকাৰ বাবে দেহৰ ব্যৱসায় কৰে। অন্যহাতেদি কু-সংগৰ প্ৰভাৱত পৰিও বহুতো যুৱক-যুৱতীৰ মানসিক চৰিত্ৰৰ বিশৃংখলতাই দেখা দিছে। আজিৰ যুৱমানসিকতাত অৰ্থনৈতিক প্ৰভাৱ মনকৰিবলগীয়া। কিয়নো আজিৰ পৃথিৱীত টকাৰ জোৰত মানুহৰ চৰিত্ৰকো বেচা-কিনা কৰিব পাৰে। সোণতকৈ মানুহৰ দাম কমিছে। গতিকে প্ৰতিজন যুৱক-যুৱতী টকাৰ বলি হৈছে। বেছি টকা থকাৰ ঘৰৰ যুৱক-যুৱতীয়ে আধুনীকতাৰ বতাহত হালিছে-জালিছে। আনহাতে টকাৰ অভাৱৰ বাবে কিছুমান কালত যুৱমানসত মানদণ্ড মিলোৱা(Stander)ৰ কথা অতি প্ৰণিধানযোগ্য হিচাপে উদ্ভৱ হৈছে। আজিৰ যুগত ভাল সাজ-পাৰ নকৰিলে সমাজৰ এচামলোকে মানুহক লঘু হেয় দৃষ্টি দিয়ে। ৰাজনীতিৰ মেৰপাকতো আজিকালিৰ যুৱক-যুৱতী প্ৰায়ে আৱদ্ধ। বৰ্ত্তমান ৰাষ্ট্ৰখন হ'ল "কথাই প্ৰতি আন্দোলনৰ ৰাষ্ট্ৰ।" বৰ্ত্তমান বহুতো যুৱক-যুৱতীয়ে আত্মস্বাৰ্থ পূৰণতহে বেচিকৈ ব্ৰতী হৈ পৰিছে। তদুপৰি সংবিধান প্ৰণিত কিছুমান নীতি যেনে বৰ্ণভেদ বিচাৰ আদি বিভাগে বৃহৎভাৱে যুৱমানসিকতাত প্ৰতিক্ৰিয়া কৰি বহুসময়ত বিভাজন মুখী মনোভাৱ দেখা দিয়া যেন অনুভৱ হয়।

বৰ্ত্তমানৰ যুৱমানসিকতা পুতৌলগা অৱস্থাত উপনীত হৈছেহি। ইয়াৰ বাবে দায়ী কেৱল যুৱসমাজেই নহয়। কিছু পৰিমাণে অভিভাৱক সকলো দায়ী বুলিব পাৰি আৰু পৰিবেশ অনুযায়ী মানসিকতা গঢ় লয় বাবে আংশিকভাৱে পৰিবেশকো জগৰীয়া কৰিব পাৰি আৰু কিছু পৰিমাণে শিক্ষানুষ্ঠানকো দোষ দিব পাৰি। অৱদমিত শিক্ষাপৰিবেশত যাতে হীনাত্মক মনোভাৱ গঢ় লৈ উঠিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ অকৃতকাৰ্য্যতাত নিৰুৎসাহজনক মনোভাৱ আৰু সমালোচনা কৰিব নালাগে। তেওঁলোকৰ মনত উদ্ভৱ হ'ব পৰা যিকোনো মানসিকৰোগৰ দূৰীকৰণৰ সম্বন্ধেও অভিভাৱকৰ ধাৰণা থাকিব লাগে।

মুঠৰ ওপৰত উশৃংখল যুৱমানসিকতাৰ প্ৰতিকাৰ কৰিবলৈ হলে মাক দেউতাক, অভিভাৱক, শিক্ষক- শিক্ষয়িত্ৰী, সমাজৰ আগশাৰীৰ কৰ্মী নিকা হৈ থাকিলে সেই সমাজৰ উঠি অহা ল'ৰা ছোৱালীবোৰো আগবাঢ়িব পাৰিব। তেহে বৰ্ত্তমান যুৱসমাজ দেশৰ প্ৰগতিৰ সহায়ক হ'ব।□□

### মহৎলোকৰ বাণী

"তোমাৰ যি ধৰণৰ ভাগ্য নহওঁক তাক তুমি গ্ৰহণ কৰিবা। যদি বেয়া হয়, তাক ভাল হোৱাৰ আশা কৰিবা।"

-গ্ৰীক দাৰ্শনিক চেনেকা

"আঠু কাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় দি থকা চহা খেতিয়ক এজন বেছি ডাঙৰ।"

চিন্তা শিল্প

# বিকাৰগ্রস্থ যুৱ মানসিকতা নিৰাময়ত শঙ্কৰী ধৰ্ম সংস্কৃতিৰ ভূমিকা

প্রশান্ত ৰাজখোৱা
স্নাতক দ্বিতীয় বৰ্ষ

দুষ্ট কলি সৰ্পে সবাকো দংশিলে
হৰাইল চেতন জ্ঞান ।
ইহাৰ ঔষধ সূধা ৰাম নাম
বিনে নাহি আন আন॥
২০১(নামঘোষা)

সময়ৰ কুটিল গতিত নানা ধৰণৰ সমস্যাৰে জর্জৰিত হোৱা মানৱ সমাজৰ প্রতি মহাপুৰুষ মাধৱদেৱৰ এয়া অমূল্য উপদেশ। জ্ঞান,বিজ্ঞান, চিন্তা-চর্চা, শিক্ষা-দীক্ষা আদি সকলো বিদ্যাৰে ভূষিত হোৱা স্বত্বেও আজিৰ সমাজত চলি থকা হত্যা-লুণ্ঠন, ধর্ষণ, অপহৰণ, ঠগ-প্রৱঞ্চনা আদি নানা ধৰণৰ অপসংস্কৃতিয়ে মানৱ সমাজক বাৰুকৈয়ে আঘাট হানিছে। ইয়াৰ প্ৰথম কাৰণ হৈছে সমাজত মানবীয়তা আৰু অধ্যাত্মিকতাৰ অপমৃত্যু ঘটা। দ্বিতীয়তে মানুহৰ মাজত ভোগ বিলাসৰ প্রতিযোগিতাই নিজক বিজয়ী কৰাৰ প্ৰয়াস আৰু তৃতীয়তে সমাজৰ একাংশলোকে আত্মসচেতনতা আত্মসন্মান বজাই ৰখাৰ অপাৰগ হোৱাতো। সমাজৰ এনেবোৰ ভাৱ-চিন্তাই যুৱ সমাজৰ মানসিকতাত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। ফলশ্রুতিত যুৱমানসিকতাৰ বিকাৰ গ্ৰস্ততা তুঙ্গত উঠিছে।

কিন্তু এই বিকাৰগ্রস্থ যুৱমানসিকতা নিমূল কৰাৰ উপায় আছেনে? কোনে বাৰু এই যুৱ মানসিকতা নিমূল কৰিব পাৰিব? পাৰিব দেশৰ ভৱিষ্যতৰ কর্ণধাৰ স্বৰূপ শতকৰা নবৈব তৰুণ সকলেহে। কিন্তু এই কথা ভাবি আকৌ ভয় লাগে কেনেদৰে?

সমাজৰ এই নানান ধৰণৰ সমস্যা নিৰাময়ৰ আদর্শ আমাক গুৰুজনাই অনেক দি থৈ গৈছে আমি মাত্র গ্রহণ কৰিবলৈ শিকা নাই।

এই বিকৃত মানসিকতাৰ বাবে আমি যুৱ সকলেই কেৱল নিজে দোষী নহয়। সামগ্রিক ভাৱে দেহাতো ৰোগাক্রান্ত হ'লে আমি যেনেদৰে এটা বা দুটা অঙ্গক দোষ দিব নোৱাৰো, তেনেদৰে যুৱমনৰ বিকাৰ গ্ৰস্ততাৰ বাবে আমাৰ অগ্রজ সকলো সমানে দায়ী।

গুৰুজনাৰ শিক্ষা আদৰ্শ অনুসৰণ আচৰণ কৰি আমি এই বিকৃত যুৱমানসিকতা ৰোধ কৰিব লাগিব। গুৰুজনাই দি থৈ যোৱা কৃষ্টি-সংস্কৃতি, দর্শন আদি বিষয়ৰ বিস্তৃত অধ্যয়ন কৰি আমি যুৱ-মনৰ বিকৃত ৰোধ কৰিব লাগিব।

গুৰুজনাই ৰচনা কৰা গীত নৃত্য-বাদ্যৰ অভ্যাসৰ দ্বাৰা আমাৰ সংস্কৃতিৰ বিকাশ ঘটিব। সাংস্কৃতিক শিক্ষাই আমাৰ পথ পোহৰ কৰিব। এই বিকাৰ গ্রস্থ যুৱ মানসিকতা ৰোধ কৰিবলৈ হ'লে নানান সাংস্কৃতিক শিক্ষাদর্শ গ্রহণ আচৰণ কৰিব লাগিব। আমি আবেলি ক্লাবলৈ নগৈ ওচৰতে থকা নামঘৰটোলৈ গৈ বৰগীত খোল বাদ্য, ভাওনা আদিৰ আখৰা কৰিব পাৰো। তেতিয়া হয়তো আমাৰ কনিষ্ঠসকলেও সেই আদৰ্শকে গ্রহণ কৰিব। আৰু তেতিয়াই আমাৰ এই বিকাৰগ্রস্ত সমাজ জীৱন পৰিৱৰ্তন

শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই দি থৈ যোৱা আদর্শত অনুপ্রাণিত হৈ তাৰ প্ৰচাৰ প্রসাৰত আমি যুৱ চামেই আগভাগ লব লাগিব। মহাপুৰুষজনাই আমাৰ বাবে এভঁৰাল সাহিত্য এৰি গৈছে। সেইবোৰ আমি বিস্তৃত ভাৱে অধ্যয়ন কৰিলেহে গুৰুজনাক আমি বুজিব পাৰিম। তেৰাৰ আদর্শ অনুধাৱন কৰিব পাৰিম। আজি যুৱ সমাজ পাশ্চাত্য সাহিত্যৰ প্রতি আকর্ষিত হৈছে। আজি মহাপুৰুষ জনাই দি থৈ যোৱা ঘোষা, বৰগীত, কীৰ্ত্তন, ভাওনা, নাটক আদিৰ সমাদৃত হৈছে। আজিও ঠায়ে ঠায়ে এই গীত-নাট সমূহ প্ৰচলন হৈ আছে যদিও সি এনেকুৱা বিকৃত ৰূপ লৈছে যে সেইবোৰ গুৰুজনাৰ সৃষ্টি বুলি কবলৈকে টান লাগে কিয়? এনেকুৱা হোৱাৰ বাবে দায়ী কোন? দায়ী আমিবোৰেই আৰু আমিবোৰেই এই ভুল ত্রুটিবোৰ শুদ্ধ ৰূপলৈ আনিবলৈ চেষ্টা কৰিব লাগিব। নহলে গুৰুজনাই দি থৈ যোৱা এই অমৃত পাশ্চাত্যৰ প্রভাৱত নিঃশেষ হৈ যাব।

গুৰুজনাই দি থৈ যোৱা আদর্শ আমি শ্রদ্ধা সহকাৰে গ্রহণ কৰি অনুপ্রাণিত হব লাগিব। তেতিয়াহে আমি সমাজখনক শুদ্ধ ৰূপত সজাব পাৰিম। সমাজৰ প্ৰতিটো কাম গুৰুজনাই দি থৈ যোৱা আদৰ্শেৰে কৰিবলৈ চেষ্টা কৰিবলৈহে আমাৰ এই উশৃংখল বা বিকৃত যুৱমানসিকতা ৰোধ হ'ব বুলি আশা কৰিব পাৰি।

এইদৰে গুৰুজনাই শিক্ষাদর্শ ধাৰণ, পালন, আচৰণ কৰি আমাৰ যুৱ সমাজে সুস্থ মানসিকতা গঢ় দিব পাৰিব। তেতিয়াই আমাৰ সমাজ অৰ্থাৎ মানৱ সমাজৰ কল্যাণ হ'ব।□□

## সময়ৰ আহ্বান

মৌচুমী গগৈ।
স্নাতক ৩য় বৰ্ষ



*আৰু বেছি দিন নাই!*
*সো সিদিনা আহিছিলোহে,*
*মনতেই আছে*
*কিন্তু যোৱাৰ সময় পালেহিয়ে দেখুন*
*তিনিটা মাথো বছৰৰ ব্যস্ততা*
*এই ব্যস্ততাই যি দিশলৈ লৈ যায়*
*সেই দিশে যাবই লাগিব!*
*এইয়াই সময়ৰ আহ্বান।*
*যাক কোনেও অতিক্রম কৰিব নোৱাৰে*
*মই, তুমি, সকলোৱে।*
*আমাৰ দৰেই আহি আছে*
*আৰু আমাৰ দৰেই এদিন যাবগৈ*

# চাহ জনগোষ্ঠীৰ সমাজব্যৱস্থা আৰু যুৱ মানসিকতা

মিণ্টু তাঁতী
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া বিভাগ)

আধুনিক সভ্যতাৰ এনাজৰীৰে বান্ধখাই প্ৰত্যেকেই সমাজ পাতি বাস কৰে। পাৰস্পৰিক বুজাপৰাৰে সমাজ পাতি বসবাস কৰা পদ্ধতিয়েই প্ৰতিপন্ন কৰে যে মানুহ এক সমাজিক জীৱ। ই সকলো জীৱতকৈ শ্ৰেষ্ঠ। সমাজত বসবাস কৰা কাৰ্য্যটোৱে মানৱজাতিক বহু শিখৰলৈ নি এক উচ্চ আসনত বহুৱাইছে। এই কথা সৰ্বজনবিদিত যে ভিন্ন গোষ্ঠীৰ সামাজিক ব্যৱস্থা, গতিবিধি, পদ্ধতি ভিন্ন ধৰণৰ।

চাহজনজাতিসকল অসমৰ এক বিচত্ৰ আৰু বিৰাট জনগোষ্ঠী। অসমৰ জনসংখ্যাৰ এটা বুজন অংশ এই চাহজনজাতিয়ে আধিপত্য কৰি আছে। এই চাহজনজাতি সকলৰো এখন বহল সমাজ আছে। কিন্তু তেওঁলোকৰ যি মানসিক দৃষ্টিভংগী (বিজ্ঞানৰ আধুনিকতাৰ যুগত) সেয়া নিচেই ঠেক। সি যি কি নহওঁক এই বিৰাট জনগোষ্ঠীটোৰ সমাজ ব্যৱস্থাৰ সম্পৰ্কে কিছু বিতং কৈ জানিবলৈ হ'লে অসমৰ চাহ বাগিচাসমূহলৈ এভুমুকি মাৰিলেই আমি চাহ-জনজাতিসকলৰ সমাজ ব্যৱস্থানো কেনে ধৰণৰ সেই সম্বন্ধে এক সুস্পষ্ট জ্ঞান পাবলৈ সক্ষম হ'ল। চাহজনজাতিসকলৰ সমাজ ব্যৱস্থা, নীতি সংস্কৃতি অসমৰ আদিবাসীসকলৰ লগত প্ৰায় মিল দেখা যায়। শ্বেত বৰণৰ চাহাববোৰে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা বনুৱাসকলক গৰু ছাগলীৰ দৰে আনি সোমোৱাই ৰাখিছিল গড়াল সদৃশ ক্ষুদ্ৰ ক্ষুদ্ৰ একো একোটা পজাঁঘৰত। যাৰ চাৰিসীমা আছিল অত্যন্ত সীমিত। নঘটিল বুলি কলেও হয়তো বঢ়াই কোৱা নহ'ব। চাহবনুৱাসকলৰ থকা ঘৰ আৰু লাইনৰ গোন্ধময় বাট-পথবোৰেদি বাৰিষাৰ কালত যিসকল এইবোৰলৈ প্ৰৱেশ কৰিছে তেওঁলোকেহে ইয়াৰ সুস্থ পৰিৱেশৰ দুষ্প্ৰাপ্যতাৰ বিষয়ে উপলব্ধি কৰিব পাৰিছে। শ্ৰমিক লাইনবোৰৰ দুৰ্গন্ধময় পৰিৱেশত বাস কৰি অসুস্থ বায়ু সেৱন কৰি নানা ৰোগ্ সাবটি লৈছে। ইয়াৰ মূলতে চাহ-জনজাতিৰ সমাজখনত শিক্ষাৰ পোহৰৰ অভাৱ। তাৰে দুই এজনে কিছু ক্ষীণকৈ পাইছে যদিও সি এপাচি শাকত এটা জালুক। বৰ্তমান দেশত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা সৰহ হলেও অভিভাৱকসকলে সিহঁতৰ ঠেক মনোভাৱৰ কাৰণতেই হওঁক বা আৰ্থিক কাৰণতেই হওঁক বা অন্য কিবা কাৰণতেই হওঁক নিজ সন্তানক বিদ্যালয়ৰ চাৰিবেৰৰ মাজত থকা সময়কনৰ পৰিৱৰ্তে বাগিচাৰ কামত খটুৱাইছে। জীৱন ধাৰণৰ ন্যুনতম জ্ঞানখিনি নথকাৰ বাবেই হয়তো অন্ধকাৰ পৰিৱেশত থাকি পশুৰ দৰে জীৱন ধাৰণ কৰি পাল পাল ল'ৰা ছোৱালীৰ জন্ম দি দেশত এক জটিল সমস্যাৰ সৃষ্টি কৰিছেহি। যিটো যুগত মানুহে চন্দ্ৰৰ দেশত পদাৰ্পন কৰি কাৰ্য্য কৰাৰ পন্থা হাতত লৈছে সেই যুগত কোনো ৰকমে দুবেলা দুমুঠি খায় দেশৰ বিদ্যমান পৰিস্থিতিলৈ কাণসাৰ নকৰি কেৱল এখন ঘৰৰ কথাকে ভাৱি দিনবোৰ অতিবাহিত কৰি থকা সমাজখন প্ৰকৃততে কিমান পিছপৰা তাক সহজে অনুমান কৰিব পাৰি। অসমৰ জনগোষ্ঠী সমূহলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে বৰ্তমান সময়ত অন্য সমাজতকৈ চাহ-জনজাতিৰ সমাজখন শিক্ষা-দীক্ষা, আৰ্থিক, সামাজিক ইত্যাদি দিশৰ পৰাই পিছপৰা যিহেতু এজন সন্তানক সৎপথৰ গৰাকী কৰাৰ মূল দায়িত্ব মাতৃ গৰাকীৰ। মাতৃগৰাকী যদি নিৰক্ষৰতা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰে পূৰ্ণ থাকে তেন্তে তাৰ ল'ৰা ছোৱালীৰ ভৱিষ্যতো তেনে হোৱাতো ধুৰূপ। আনক দেখি চাহশ্ৰমিকসকলে পোন্ধৰ দিনৰ মূৰত বা বছৰেকত নিয়মীয়া বেতন আৰু ব'নাচ হাতলৈ অহাত ধনৰ যোগেদি আধুনিক সা-সৰঞ্জামৰ লগত চিনাকী হৈছে সচাঁ; কিন্তু তাৰ সৎব্যৱহাৰ হোৱা নাই। ইয়াৰ মূল কাৰণ হয়তো শিক্ষাৰ অভাৱ।

চাহ জন-জাতিসকলৰ সংস্কৃতিৰ দিশটোকো গুৰুত্বসহকাৰে বিবেচনা কৰিলে দেখা যাব যে চাহজনগোষ্ঠীৰ সংস্কৃতি বিচিত্ৰ ধৰণৰ। বাৰটা মাহত তেৰটা পূজা পাৰ্ব্বণ চাহ জনজাতি সকলৰ মাজত উদ্‌যাপিত হোৱা দেখা যায়। বৰ্তমান চাহ জনগোষ্ঠীৰ মাজত গছ, সাপ, শিল ইত্যাদিৰ পূজা-পাতলবোৰ দেখা যায়। সেই পূজা পাৰ্ব্বণবোৰত বলি-বাহন দি তেজ উৰ্চা কৰা, দেও উঠা, লাওপানীৰ ব্যৱহাৰ, অস্তিত্ব স্বীকাৰ ইত্যাদি ধৰণৰ নিয়ম-নীতিবোৰ চাহজনগোষ্ঠীৰ সমাজত দেখিবলৈ পোৱা যায়। লোকবিশ্বাস আৰু প্ৰাচীন পৰম্পৰা চাহজনগোষ্ঠীৰ সমাজত অতি স্পষ্ট। কোনোবা অনিসন্ধিৎসুলোকে কিবা জানিবৰ কাৰণে প্ৰশ্ন কৰিলেও 'মানলেই শিৱ নামানিলেই শিল' ইত্যাদি ধৰণৰ আকোঁৰগোজ মনোভাৱ প্ৰদৰ্শন কৰে। বৰ্তমান বিজ্ঞানৰ যুগ আৰু এনে যুগত এই পূজা পাৰ্ব্বণবোৰ আধুনিক জীৱনযাত্ৰাৰ লগত কিমান খাপখোৱা বা এই বোৰৰ সাংস্কৃতিকমূল্য কিমান? এই কথাৰ সন্দেহ থাকিলেও আগৰ পৰা চলি অহা বাবেই চাহমজদুৰসকলৰ মাজত এই পূজা পাৰ্ব্বণবোৰ উদ্‌যাপিত হোৱা দেখা যায়। নিয়ম বিলাকত বিভিন্নতা দেখিবলৈ পোৱা যায়। ধৰ্ম আৰু বিয়াবাৰু ক্ষেত্ৰত এওঁলোকে কঠোৰ নীতি অৱলম্বন কৰা দেখা যায়। দুটা ভিন্নজাতিৰ মাজত কেতিয়াও বিয়াবাৰু হব নোৱাৰে। ইয়াক সমাজে স্বীকৃতি নিদিয়ে। হলেও তাক সেই সমাজৰ পৰা বহিঃষ্কৃত কৰি দিয়া হয়। এওঁলোকৰ মাজত জাতি আৰু কৰ্ম অনুসৰি উচ্চ নীচৰ ভেদভাৱ দেখা যায়। শিক্ষাৰ অভাৱত বা সামাজিক ভেদাভাবৰ কাৰণত এওঁলোকৰ মাজত প্ৰায় ঠেক মনোবৃত্তি লোকৰ সংখ্যাই অধিক। উচ্চ জাতিৰ লোক এজনে নীচ জাতিৰ ঘৰত বা হাতত পানী এটোপাও নাখায়। অথচ পাৰিপাশ্বিকতাৰ পৰা চাবলৈ গ'লে দুয়োৰে অৱস্থা একেই। দুয়োৰে সমাজিক, আৰ্থিক ইত্যাদিৰ অৱস্থা একেই। চৌদিশৰ বায়ুত উঠি ফুৰা উভয়ৰ ময়লা, প্ৰসাৱ ইত্যদিৰ দুৰ্গন্ধক চেৰ পেলাই এওঁলোকে কেৱল জাতি আৰু বিভিন্নতাৰ গোন্ধহে পায়। হাঁহি উঠা লগতে দুখ লগা কথা। এনে নিৰক্ষৰতাৰ অন্ধকাৰ বন্ধ পৰিৱেশত বিজ্ঞানৰ পোহৰ সোমাব নোৱাৰা এইখনেই অৱহেলিত, ঘৃণিত, অতি পিছপৰি থকা চাহজনজাতিৰ সমাজ।

বৰ্তমান বিজ্ঞানৰ ক্ষীণ পোহৰ আহি চাহ শ্ৰমিকৰ গাত পৰাত কিছু হলেও বৰ্তমান এই সমাজৰ তাৰতাম্য হোৱা দেখা যায়। মৰ্তমানৰ উঠি অহা যুৱক-যুৱতী চাম কিঞ্চিৎ পৰিমাণে হলেও শিক্ষাৰ প্ৰতি সচেতন হ'ল। যি প্ৰক্ৰিয়াৰে অসমীয়া জাতি আৰু সংস্কৃতিৰ গঠন আৰু ক্ৰমবিকাশ ঘটিছে, সেই প্ৰক্ৰিয়াৰেই বৰ্তমান চাহ বনুৱাৰ সমাজ আৰু সংস্কৃতিও গঢ় লৈ উঠিছে। পূৰ্বতে আদিবাসী চাহজনজাতিসকলে তেওঁলোকৰ যি অৰ্থনৈতিক আৰু সামাজিক দাৰিদ্ৰ্যতাৰ কথা তেওঁলোকে সংস্কৃতিৰ মাজেদি দেখুৱাবলৈ চেষ্টা কৰে। আকৌ কিছুমান ক্ষেত্ৰত অৰ্থাৎ কিছুমান গীতৰ

চাহমজদুৰ হৈ থাকিম, যেন চাহ মজদুৰী তেওঁলোকৰ জন্মস্বত্ব ইত্যাদি কথাকেই আমি প্ৰকাশ কৰিবলৈ নাযাওঁনে? যি কি নহওঁক বৰ্তমানৰ যুগ বিজ্ঞানৰ চৰম প্ৰগতিৰ যুগ। এই যুগৰ লগত খাপ খোৱাকৈ আমি আমাৰ চিন্তাধাৰা,কৰ্ম ও আদৰ্শক পৰিবৰ্ত্তন কৰিব লাগিব। বৰ্তমান উঠি অহা আমাৰ চাহ জনজাতিৰ যুৱক-যুৱতী চামে এই সমাজখনক পৰিবৰ্ত্তিত কৰাত, ইয়াৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক ইত্যদিৰ সমস্যা সামাধানত আৰু এই চাহ জনজাতিৰ সমাজখনক শৈক্ষিক সমাজত পৰিণত কৰাত তৎপৰ হৈছে। কিছুমানে দুই এজনে তেওঁলোকৰ মানসিক কঠোৰ পৰিভ্ৰমৰ ফলত দুই এখন পুথি, প্ৰৱন্ধ, কবিতা ইত্যাদি সৃষ্টি কৰি সেইবোৰৰ মাজেদি চাহজনজাতিৰ প্ৰকৃত সমাজখনৰ প্ৰকৃত স্বৰূপটো উদঙাই দেখুৱাইছে। যাৰ ফলত চাহ জনজাতিৰ মানসিক শক্তিৰ উৎকৰ্ষ সাধনত সহায়ক হৈছে। এই চাহজনজাতি সমাজখনৰে বৰ্তমান অসমীয়া সাহিত্যত দুই এজনে কবি-সাহিত্যিক হিচাপে স্বীকৃতি পাইছে। চাহমজদুৰ সকল আজি বহু সমস্যাৰে জৰ্জ্জৰিত, অৱহেলিত, নিষ্পেষিত জনতাক পোহৰৰ বাট দেখুৱাব পাৰিব আগুৱাই নিব পাৰিব একমাত্ৰ শিক্ষাই। বৰ্তমানত দুই এজনে শিক্ষাৰ পোহৰ পাই আন দহোজনৰ গালৈ ইয়াৰ পোহৰ ছটিয়াবলৈ তৎপৰতা অৱলম্বন কৰিছে এই চাহজনজাতি যুৱক-যুৱতী চাম। চাহমজদুৰৰ যি কথিত ভাষা সেই ভাষাৰ আমি (চাহ শ্ৰমিক যুৱক-যুৱতী) সংস্কাৰ বা উন্নতিৰ বাবে কৰা চেষ্টা প্ৰশংসনীয়। যিয়ে আমাৰ শিক্ষিতচামক যৎপৰোনাস্তি সম্বল যোগাব। কিন্তু আমাৰ প্ৰয়োজনীয়তা আমাৰ ভৌগোলিক অৱস্থিতি আৰু শিক্ষাৰ মাধ্যমৰ ফালৰপৰা বিচাৰ কৰি চালে দেখা যায় যে আমি অসমীয়া, অসমতেই আমি ডাঙৰ দীঘল হৈছো। এই ভাষাৰ মাধ্যমেৰেই শিক্ষা গ্ৰহণ কৰিছো আৰু ভৱিষ্যতেওঁ আমি অসমৰে অসমীয়া হৈ থাকিব লাগিব। অসমীয়া ভাতৃ-মিত্ৰক সমলোকে লৈ আমি মিলা-প্ৰীতিৰে এক বৃহৎ অসম গঢ়িবলৈ আৰু অসমীয়া ভাষাই আমাৰ ভাষা আৰু অসমীয়া ভাষাৰ উন্নতিয়েই আমাৰ ভাষাৰ উন্নতি। নিজৰ মানসিকতা হেৰাই যাবলৈ নিদি আত্মনিৰ্ভশীলতাৰে সুপ্ত আত্মাৰ মলি পবিত্ৰতাৰে ধুই নিকা কৰিবলৈ ওলাই আহক। এই মহান উদ্দেশ্য যাতে সফল হওঁক তাৰ বাবে হে চাহ শ্ৰমিক বন্ধুবৰ্গসকল এই পৱিত্ৰ ক্ষণত মিলিত হওঁ আহক।□□

" ভ্ৰাতৃৰ দৰে মিলিজুলি থকিবা নহ'লে মুৰ্খৰ দৰে বিনাশ প্ৰাপ্ত হ'বা।"

-মাৰ্টিন লুথাৰ।

"যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা কান্দি কান্দি আহিছিলা আৰু ওচৰ চুবুৰীয়াই হাঁহিছিল। তুমি এনে কাম কৰিবা যাতে তুমি হাঁহি হাঁহি পৃথিৱীৰ পৰা যাব পাৰা আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।"

-হেমচন্দ্ৰ গোস্বামী।

চিন্তা শিল্প

# সমাজ পৰিবৰ্ত্তণত সুন্দৰৰ পূজাৰী

পূৰ্ণকান্ত কোঁৱৰ।
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)।

সমাজিক বান্ধোনে মানুহক আন জীৱ-জন্তুৰ পৰা পৃথক কৰি ৰাখে। এই বান্ধোনৰ প্ৰধান হেতু হ'ল- মানুহৰ চিন্তা শক্তি ও ক্ৰমবৰ্দ্ধমান, পৰিস্থিতি সাপেক্ষে ব্যাপক আৰু গভীৰ। সহিষ্ণু চিন্তাই হ'ল পৰিবৰ্ত্তণৰ ঘাই কাৰণ। পৰিবৰ্ত্তণৰ গুৰিতে নিহিত আছে মানুহৰ প্ৰগতিবাদী অভিব্যক্তি। মানৱ সমাজ গতিশীল আৰু উৰ্দ্ধমুখী। মানুহৰ জীৱন ধাৰাৰ প্ৰাচীন ইতিহাসৰ পাত লুটিয়ালেই ইয়াৰ সত্যটো ওলাই পৰে। প্ৰাচীন যুগত সামজিক পৰিবৰ্ত্তণৰ ধাৰা মন্থৰ গতিৰ আছিল। কিন্তু ঐতিহাসিক যুগৰ পৰা এই গতি ক্ৰমশঃ বাঢ়িবলৈ ধৰে। মানুহৰ বৰ্দ্ধিত সংখ্যা, সুবিধা ভোগৰ ইচ্ছা, গোষ্ঠী সমূহৰ মাজত প্ৰতিযোগিতামূলক প্ৰবৃত্তি আৰু চেতনা বোধে 'পৰিবৰ্ত্তন'ৰ দুৱাৰ মুকলি কৰি দিয়ে।

তথ্য আৰু তত্বৰ দিশৰ পৰা দেখা যায় যে সামাজিক পৰিবৰ্ত্তণ সদায় উৰ্দ্ধমুখী। কিন্তু আমি চকৈ চালে বুজোঁ যে যিকোনো শ্ৰেণীৰ সচেতন ব্যক্তিৰ লগত শিল্পী-সাহিত্যিকৰ ভূমিকা গুৰুত্ব পূৰ্ণ। সমাজ পৰিবৰ্ত্তনত সুন্দৰৰ পূজাৰীৰ উদ্দেশ্য হ'ল জন মানসৰ বিকাশ সাধন কৰি পৃথিৱীত এক শান্ত সমাহিত স্বৰ্গৰাজ্য স্থাপন কৰা। সমাজৰ প্ৰগতি পথত মানৱ হিতৈষী শিল্পী-সাহিত্যকে সমাজ নাওঁৰ গুৰি ধৰা ধৰা টো বাঞ্ছনীয়। সম্প্ৰতি আমাৰ সমাজখনৰ পৰিবৰ্ত্তনত শিল্পী সাহিত্যিকে কেনেদৰে ভূমিকা লৈ আহিছে তাকে চমুকৈ আলোচনা-কৰি চোৱা প্ৰয়োজন।

অসমীয়া সমাজ ভাৰতীয় সমাজৰে অংশীভূত সমাজ। তথাপি ভৌগোলিক পৰিবেষ্টনে আৰু বিভিন্ন জন গোষ্ঠীৰ মিলনে ইয়াক সুকীয়াত্ব ত্ৰিপুৰী,মৰাণ, চিংফৌ, খামটি, আদি, অকা, ডফলা, আহোম, চুতীয়া, দেউৰী, তুৰুং, নগা, খাচি, টিংটং, নেপালী, ভোট, বামুণ, কায়স্থ, কলিতা, শালৈ, কেওট, নাথ, শুড়ি, কোঁচ, কৈৱৰ্ত্ত, হীড়া প্ৰভৃতি অনেক সম্প্ৰদায়ৰ লোক আছে। ঐতিহাসিক যুগত ক্ষমতাশালী ৰজা সকলে একে শাসনৰ তললৈ আনি এখন দেশৰ সমাজৰ ৰূপ দিছিল। আঞ্চলিক, ভেদ থাকিলেও এটা উমৈহতীয়া ৰূপ ফুটি উঠিছিল। খৃষ্টীয় ৭ম শতিকাৰ কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মাই এই গোষ্ঠী সমূহক বা মূল গোষ্ঠীৰ উত্তৰাধিকাৰী সম্প্ৰদায় সমূহক একেখন পতাকাৰ তলত ৰাখিছিল। ৬৪৩ খৃষ্টাব্দত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেনচাঙে পুৰণি কামৰূপ ৰাষ্ট্ৰৰ বিষয়ে যি বিৱৰণ লিখি থৈ গৈছে তাত অকল আৰ্য্য গোষ্ঠীয় মানুহ খিনিৰহে কথা নাছিল। অনা-আৰ্য্যগোষ্ঠীয় মানুহৰ কথাও আছিল। হিউৱেন চাঙে কৈছে যে ৰজা ভাস্কৰ বৰ্মা বৰ বিদ্যোৎসাহী আৰু তেওঁ প্ৰজাবৰ্গও শিক্ষাৰ প্ৰতি বৰ অনুৰাগী। খৃষ্টীয় ৫ম শতিকাৰ পৰা খৃষ্টীয় ১২শ শতিকালৈকে কামৰূপৰ কেবাজানো হিন্দু ৰজাই খোদিত কৰোৱা কেবাখনো শিলালেখ আৰু তামৰ ফলি পোৱা গৈছে। সেইবোৰৰ লেখক নিসন্দেহে সংস্কৃতজ্ঞ পণ্ডিত আছিল। তেওঁলোকে শিলৰ ফলি, তামৰ ফলি আদিত লিখাৰ উপৰিও আন আন সংস্কৃত শাস্ত্ৰ বুলি ধাৰণা শিক্ষাবিদ শৰৎচন্দ্ৰ গোস্বামী ( Journal of.. the Assam .. Rescarch Socicty,... 1936, Vol III Mo. 4) আৰু বুৰঞ্জীবিদ কনক লাল বৰুৱাই (J.A.R.S. 1938-39. VOI.vi, Nos. 3 & 4) প্ৰচীন কামৰূপৰ ভালে মান গ্ৰন্থকাৰ

উন্নতি পথলৈ আগুৱাই নিছিল। পুৰন্দৰ পাথে কামৰূপী প্ৰাকৃত ভাষাত 'নীতিকুসুম' বুলি শাসন তন্ত্ৰৰ পুথি এখন পৰম্পৰাগত ভাবে লিখিছিল। খৃঃ অষ্টম শতিকাৰ পদ্মবজ্ৰৰ বা অনঙ্গবজ্ৰৰ গ্ৰন্থ 'হেবজ্ৰ তন্ত্ৰ', খৃঃ ১০ম শতিকাৰ ৰচনা "কালিকা পুৰাণ" চতুৰ্দশ শতিকাৰ পৰা আমি ধাৰাবাহিক ৰূপে বৰ্ত্তমানলৈকে অসমীয়া সাহিত্যিক আৰু তেওঁলোকৰ সাহিত্য ৰাজিৰ বিষয়ে জানি আহিছো। সাহিত্যৰ বিকাশত পৃষ্ঠপোষকতা কৰা বৰাহী-কছাৰী ৰজা মহামাণিক্য, কোঁচ ৰজা নৰনাৰায়ণ, বলিনাৰায়ণ, ধৰ্ম নাৰায়ণ ডিমাছা কছাৰী ৰাণী চন্দ্ৰ প্ৰভা, ইন্দুপ্ৰভা, ডিমাছা ৰজা শূৰদৰ্পনাৰায়ণ, কৃষ্ণসিংহ, বৰজা ফুলেশ্বৰী কুৱঁৰী, ৰাজেশ্বৰ, ৰাজেশ্বৰ সিংহৰ প্ৰভৃতিৰ নাম পাই আহিছোঁ। মধ্যযুগীয় অসমৰ সমাজ পৰিৱৰ্ত্তনৰ প্ৰসঙ্গত এই সকল সাহিত্যিক আৰু পৃষ্ঠপোষককাৰীৰ বৰঙণী নিসন্দেহে উল্লেখযোগ্য। বিশেষ ভাৱে উল্লেখযোগ্য হ'ল মহান সাহিত্যিক মাদৱ কন্দলি, হৰিবৰ বিপ্ৰ, শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, পীতাম্বৰ দ্বিজ, অনন্ত কন্দলি, ৰাম সৰস্বতী, মনকৰ, দূৰ্গাবৰ, সুকবি নাৰায়ণদেৱ বৈকুণ্ঠনাথ ভট্টদেৱ, গোবিন্দ মিশ্ৰ, ৰঘুনাথ মহন্ত ইত্যাদি। এই সকলৰ লেখনিয়ে সমাজত বিশেষ ক্ৰিয়া কৰিছিল। এই সকলৰ ভিতৰত শিল্পী, সঙ্গীতজ্ঞ হিচাপে মহাপুৰুষ শংকৰদেৱে অগ্ৰণী আছিল। তেওঁ ৰচিত বৰগীত, ভটিমা, পদ আদিয়ে পঞ্চদশ ষোড়শ শতিকাৰ অসমীয়া সমাজৰ ধৰ্মীয় ধাৰাই সলনি কৰি দিছিল। পূৰ্বৰ পৰা চলি অহা শৈৱ, শাক্ত, বৌদ্ধ, তান্ত্ৰিক, আদি ধৰ্মভাৱাপন্ন অলেখ মানুহক শংকৰদেৱে নাট ভাওঁনা আৰু বৰগীত ভটিমাৰ দ্বাৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট কৰি আহিছিল। সপ্তদশ শতিকাৰ অসমত বৈষ্ণৱ পন্থী লোকৰ সংখ্যা আৰু সত্ৰ নামঘৰ স্থাপনৰ যাত্ৰা ইমান বেছি হৈছিল যে শক্তিশালী আহোম ৰাজসিংহাসন ভিতৰি ভিতৰি কঁপি উঠিছিল। মোৱামৰীয়া বিদ্ৰোহ উৎস বৈষ্ণৱ ধৰ্মহে।

উনৈশ শতিকাৰ আৰম্ভণিৰ লগে লগে অসমত নতুন যুগ আৰম্ভ হয়। ১৮২৬ খৃঃ ৰ ২৪ফেব্ৰুৰাৰীত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত্ত অনুযায়ী অসম বৃটিছৰ অধীন হয়। বিদেশী ইংৰাজ আৰু অন্যান্যলোকৰ দ্বাৰা অসম ভৰি পৰে আৰু নানা দিশৰ প্ৰভাৱ পৰি অসমীয়া সমাজ বিজতৰীয়া হয়।

কুৰি শতিকাত অসমৰ শিল্পী সাহিত্যিক প্ৰমুখ্যে সমাজৰ বিভিন্ন স্তৰৰ লোকে ৰাজ্যখনৰ উন্নতিৰ হকে নানা প্ৰকাৰে কাম কৰে। বিদেশী ইংৰাজক ভাৰতৰ পৰা খেদি স্বাধীন ভাৰত গঢ়াৰ কল্পনা, না-না ব্যৱস্থা গ্ৰহণ কৰিছিল। শিল্পী সাহিত্যিক সকলে তেজোদ্দীপক লিখনিৰে জনগণক জাগ্ৰত কৰি তুলিছিল। গাৱেঁ-নগৰে শিক্ষিত অশিক্ষিত ধনী দুখীয়া, জাতি ধৰ্ম ভাষা-নিৰ্বিশেষে সকলোৱে 'বন্দে মাতৰম' 'ভাৰত মাতা কী জয়' 'স্বাধীনতা আমাৰ জন্মগত স্বত্ব' ইত্যাদি ধ্বনিৰে ভাৰতৰ আকাশ বতাহ মুখৰিত কৰিছিল। ভাৰতৰ পয়ত্ৰিশ কোটি জনতাক সুপ্ত অৱস্থাৰ পৰা উদ্দীপ্ত কৰি তোলাত সমগ্ৰ সমাজখন ৰূপান্তৰ ঘটোৱাত আমাৰ শিল্পী সাহিত্যিক সকলে মুখ্য ভূমিকা লৈছিল। তেওঁলোকৰ কণ্ঠ আৰু কলমেই আছিল স্বাধীনতা ৰণৰ পাশুপাত অস্ত্ৰ। গায়কসকলৰ সংগীতে অসমবাসীৰ শিৰাই-উপশিৰাই তপ্ত ৰুধিৰ ব্যাপ্ত কৰিছিল আৰু সাহিত্যিকে সমালোচনামূলক লেখনিৰ যোগেদি প্ৰয়াসীমনলৈ দৃঢ়তা সাহস আৰু ত্যাগৰ মনোভাৱ আনি দিছিল। কবি নাট্যকাৰ আৰু অভিনেতা সকলেও অসমৰ সামন্ত যুগীয়া অন্ধ বিশ্বাস, কু-অভ্যাস আদি অসাৰতা দেখুৱাই আধুনিক যুগৰ উপযোগী আদৰ্শ দাঙি ধৰিছিল। এইদৰে কুৰিশতিকাৰ আৰম্ভণিৰে পৰাই অসমীয়া সমাজ পৰিৱৰ্তনৰ পথত আগবাঢ়িছিল।

এই সমাজিক পৰিৱৰ্ত্তণ সাধনকাৰী সকলক আমি সীমিত অৰ্থত লৈছোঁ। স্থাপত্য ভাস্কৰ্য্য বিশাৰদসকলক এই প্ৰসংগলৈ টনা নাই। যদিও সেই

কথা শিল্প

# '৪২ৰ বিপ্লৱত তেওঁ আৰু আমি'


তপন তাঁতী
স্নাতক প্ৰথম বাৰ্ষিক




'হ'ৰ.....হ'ৰ....' শব্দ কৰি প্ৰতিটো টৌৱেই পুৱাৰ নিজান নিতাল নিদ্ৰাত মগ্ন পৰিৱেশটোক এটি মৃদু ধ্বনিৰে জগাই তুলিবলৈ বাৰে বাৰে চেষ্টা কৰিও যেন বিফল হৈছে। পূব দিশৰ ৰঙা বেলিটিয়ে চতুৰ্দ্দিশে একাজলি কিৰণ বিলোৱাত বনৰ পক্ষীবোৰে মুখত মনগীত লৈ ব্ৰহ্মপুত্ৰৰ ওপৰেৰে উৰা মাৰিছে দূৰ দিগন্তৰ নীলা আকাশখন চুবলৈ। মলয়া বতাহজাকেও নজোৱা বাঁহীৰ মধুৰ ধ্বনিত পানীৰ টৌবোৰেও যেন ৰঙা সুৰুযৰ ৰঙীন কিৰণৰ ন-সাজ পিন্ধি আনন্দত নাচি-বাগি ফুৰিছে যেন কোনোবা উৎসৱৰ উলাহত আনন্দত মতলীয়া হৈ আত্মহাৰা হৈ পৰিছে।

প্ৰতিদিনে ব্ৰহ্মপুৰাতে প্ৰকৃতিৰ সোৱাদ লোৱাৰ দৰে আজিও শ্ৰীমান পৱন বৰঠাকুৰে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ঘূৰি ঘূৰি মৃদু বতাহজাকৰ লগতে প্ৰকৃতিৰো সোৱাদ লৈছেহি। বৰঠাকুৰৰ বয়স বৰ্তমান ৫৩ বছৰ। চুলিবোৰ প্ৰায় পকিছে। পৰিধানত ছুৰীয়া, পাঞ্জাৱী ধুতি আৰু ছাৰ্টৰ ওপৰতে মূল্যৱান বগা চাল এখন। চকুত চছমা। এনেকৈয়ে বহুপৰ শান্ত নিৰিবিলি পৰিবেশত ঘূৰি ফুৰি থাকোতে 'দেউতা...অ' দেউতা... দেউতা' ধ্বনিৰে দূৰৈৰ পৰা মাত এষাৰ ভাঁহি আহিল। মাতজাৰতেই ধৰিব পাৰিলে এইষাৰ সোণপাহিৰ মাত। মানে পল্লৱী বৰঠাকুৰ। তাইয়েই মাক-বাপেকৰ সৰ্ব্বস্ব। সেয়েহে তাই বাল্যৰপৰাই মাক-দেউতাকৰ পৰা যি বিচাৰে অৱশ্যে তাকেই পাই আহিছে। তাই এম, এ পাছ কৰি বৰ্তমান ওচৰৰে বেংক এখনত চাকৰি কৰে। সোনপাহিয়ে ফোপাই জোপাই দেউতাকৰ ওচৰলৈ দৌৰি আহিল। দেউতাকে মিহি খঙেৰেই ক'লে, কি হ'ল? দূৰৈৰ পৰা চিঞৰি আহিছ যে কোনোবা মৰিল নেকি?' 'নাই কোনো মৰা নাই, মানে ঘৰলৈ আলহী আহিছে।' 'ইমান ৰাতিপুৱাই ক'ৰ আলহী আহিছে অ'?' তাই কৈ গ'ল 'পৰাগ, পৰাগ আহিছে, তেওঁক মা আৰু পেহীদেউৰ লগতে চিনাকী কৰাই দি আপোনাকে মাতিবলৈ আহিলোহি। 'তই বল.. বল মই গৈ আছো।'

বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিয়েই পল্লৱীয়ে চিনাকী হৈছিল পৰাগ শৰ্মা নামৰ সুন্দৰ চেহেৰাৰ যুৱকজনৰ লগত। প্ৰথম চিনাকিৰ মাধুৰ্যৰ চমক নৌকাটোতেই তাই বুজি উঠিছিল পৰাগক তাইৰ ভাল লাগিছে। সেয়েহে প্ৰথমতে বন্ধুত্ব আৰু তাৰ পিছতেই প্ৰেম। বৰ্তমান পৰাগ দৰং জিলাৰে এজন ভাৰপ্ৰাপ্ত পুলিচ অফিচাৰ। তেওঁ আজি বিয়াৰ প্ৰস্তাৱ লৈয়ে পল্লৱীহঁতৰ ঘৰলৈ আহিছে।

বৰঠাকুৰে ঘৰলৈ আহি পৰাগৰ ওচৰতে চকী এখন টানি বহিল। পল্লৱীয়ে দেউতাকক পৰাগৰ লগত চিনাকী কৰাই দি পেহীদেউৰ লগত ভিতৰলৈ যায়গৈ। বৰঠাকুৰ, বৰঠাকুৰৰ পৰিবাৰ আৰু পৰাগ তিনিওজন কথা-বতৰাত ব্যস্ত হৈ পৰে।

অলপ পৰতে কল্পনাই (বৰঠাকুৰৰ ভনীয়েক)

একেলগে খাবলৈ বহে। চাহ খোৱা অন্ত পৰাত কল্পনা আৰু পল্লৱী দুয়ো পুনৰ ভিতৰলৈ যায়গৈ। এনেতে পৰাগে মাত লগাই 'খুড়াদেউ'। বৰঠাকুৰে পৰাগৰ ফালে মূৰ তুলি চাই কয়, 'অ' কোৱা..'। পৰাগে কৈ গ'ল খুড়াদেউ মই মানে বিশেষ কাৰণ এটাতহে আপোনালোকৰ ইয়ালৈ আহিছিলো। পৰাগে পল্লৱীক চিৰজীৱনৰ সংগিনী হিচাপে পাব বিচৰাত বৰঠাকুৰে মাত লগালে,' পৰাগ তুমি এম. এ পাছ কৰি বৰ্তমান কি কৰি আছা?' এম. এ পাছ কৰাৰ পাছত এ,পি,এছ,চি পাছ কৰি বৰ্তমান পুলিচ অফিচাৰ কৰি থকা বুলি জানি বৰঠাকুৰৰ হৃদয়খন ভাগি পৰিছিল আৰু তেওঁ এপলকৰ বাবে নিমাত হৈ পৰিছিল। কিছু ক্ষণৰ পাছত যেন পুনৰ জ্ঞান ঘূৰাই পোৱাত বিদীৰ্ণ হৃদয়েৰে খঙৰ ভমকতে ভ্ৰম বকি গৈছিল ' অসম্ভৱ, এইয়া হ'ব নোৱাৰে পৰাগ এইয়া কেতিয়াও হ'ব নোৱাৰে।' দেউতাকৰ ডাঙৰ ডাঙৰ শব্দ শুনি দুয়ো পুনৰ ভিতৰৰ পৰা ওলাই আহে। 'তুমি যি বিষয়ৰ অধীন তেনে বিষয়া লৈ মোৰ ছোৱালী দিবলৈ মই অবাধ্য।' কথাষাৰ শুনি সকলোৱে আচৰিত হৈ পৰিল। সকলোৰে ইচ্ছা আছিল যদিও বৰঠাকুৰৰ কথাষাৰত সকলোৱেই কিছুক্ষণৰ বাবে নিমাত হৈ ৰ'ল। হঠাতে দেউতকৰ এনে অৱস্থা দেখি পল্লৱীয়ে একো বুজিব নোৱাৰিলে। মাকে মাত লগাই 'আপুনি এইবোৰ কি কৈছে, পুলিচ অফিচাৰ হোৱা বুলি জানি আপুনি ইমান কিয় জ্বলি পকি উঠিছে?' কথাষাৰ শেষ নহওঁতেই সোণপাহিয়ে মাত লগাই, 'দেউতা, পৰাগৰ কিবা ভুল হৈছে নেকি? একেষাৰ কথাকেই পৰাগেও কয়।

'নাই.. নাই পৰাগ এইয়া কেতিয়াও সম্ভৱ নহয়।' বৰঠাকুৰৰ ওঠ দুটি কঁপি উঠিছিল। 'এজন পুলিচ বিষয়ালৈ মোৰ ছোৱালী দিবলৈ মই অবাধ্য। খলকনিৰে এক জোকাৰণিৰ সৃষ্টি হ'ল। অৱশ্যে পৰাগৰ কোমল বক্ষমূলো বিষাই গ'ল। পল্লৱীয়ে কৈ উঠিল 'কিয় দেউতা কিয়?' 'আই তুমি মোক পেহীদেউৰ জীৱনৰ বিষয়ে সুধি থাকা নহয়, মই অতীতৰ সেই স্মৃতিবোৰ মনত পেলাবলৈ যেন অপাৰগ হৈছিলো আৰু তোমাক সেইবোৰৰ বিষয়ে কবলৈ বৰ এটা উচিত ভবাও নাছিলো।'

'দেউতা পেহীদেউৰ জীৱনৰ লগত পৰাগৰ কি সম্বন্ধ আছে?' 'আছে বহু সম্বন্ধ আছে, শুনা আই শুনা।" এনেতে কল্পনাই মাত লগাই 'দাদা আপুনি ....।' 'মোক কবলৈ দিয়া কল্পনা মোক কব'লৈ দিয়া, মই আজি সকলো বুকু উজাৰি ক'ম।' বৰঠাকুৰৰ মাতবোৰ যেন আৰু বেছিকৈয়ে কঁপি উঠিছিল। অতীতৰ সেই স্মৃতিবোৰ যেন পৰাগেই আজি মোক উদঙাই দেখুৱাইছে। বৃটিছৰ পুলিচৰ লগত সেই ভাৰতীয় পুলিচ কেইজন--।' কণ কণ ল'ৰা -ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা-গাভৰু, ককা-আইতা সকলৰ সেই বিদীৰ্ণ হৃদয়ৰ কান্দোনৰ ৰোল।' আজি বৰঠাকুৰে পয়ত্ৰিশ (৩৫) বছৰ পূৰ্বৰ স্মৃতিবোৰ মনত পেলাবলৈ যেন বেছিকৈয়ে সুবিধা পাইছে।

"বৃটিছ চৰকাৰৰ লগত প্ৰত্যক্ষ সংগ্ৰাম কৰাৰ উদ্দেশ্যৰে ১৯৪২ চনত 'ভাৰত ত্যাগ' আন্দোলন আৰম্ভ হয়। আন্দোলনৰ মূল উদ্দেশ্য আছিল বৃটিছে ভাৰত ত্যাগ কৰি নোযোৱালৈকে আন্দোলন চলাই যোৱা। এই আন্দোলনতে গান্ধীজীয়ে 'কৰিম নাইবা মৰিম' বাণীৰে ভাষণ দিছিল। এই বাণীয়ে ভাৰতীয় জনসাধাৰণক অতিশয় অনুপ্ৰাণিত কৰে। আন্দোলনৰ জুই দেশৰ বিভিন্ন প্ৰান্তত জ্বলি উঠিছিল।

ভাৰতৰ অন্যান্য অঞ্চলৰ দৰে আমাৰ অসমেও ইংৰাজৰ বিৰুদ্ধে ১৯৪২ ৰ গণবিপ্লৱত সক্ৰিয় ভাৱে, বৰ উদ্গনিৰে অংশ গ্ৰহণ কৰে। অসমৰ নেতা শৰ্মা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু আন বহুতেই ইংৰাজৰ বিৰুদ্ধে বীৰত্ব দেখুৱাবলৈ গৈ কাৰাবৰণ কাটিবলগীয়া হৈছিল। চৰকাৰীভৱন, ডাকঘৰ, ৰেলষ্টেচন, পুলিচ থানা, কছাৰীঘৰ, অনুষ্ঠান আদি জ্বলাই বিপ্লৱৰ পৰিৱেশটো আৰু বেছি গমগমীয়া কৰি তুলিছিল। কুশল কোঁৱৰ, ঠগীসুত, লক্ষ্মী হাজৰিকা, বলো বৰা, ভোগেশ্বৰী ফুকননী, কমলা মিৰি আদি বোৰেও দেশমাতৃৰ উদ্ধাৰৰ অৰ্থে যুঁজি এই বিপ্লৱতে প্ৰাণ আহুতি দিছিল। দৰং জিলাৰ গহপুৰ থানাত ত্ৰিৰঙ্গা পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ গুলীয়ে কণকলতাৰ দেহ তেজেৰে ৰাঙলী কৰাত মুকুন্দ কাকতিয়েও সেই ত্ৰিৰঙ্গা পতাকা লৈ আগবাঢ়ি যাবলৈ চেষ্টা কৰাত দুয়ো পুলিচৰ গুলীত শ্বহীদ হয়। বহুতো লোক পুলিচৰ গুলীত চিৰদিনৰ কাৰণে ঘূণীয়া হৈছিল, বহুতে জৰিমনা দিয়াৰ উপৰিও পুলিচৰ অত্যাচাৰত আহত হৈছিল।"

সকলোৱে বৰঠাকুৰৰ কথাবোৰ যেন একান্ত মনেৰে শুনি গৈছিল। বৰঠাকুৰেও অতীত স্মৃতিবোৰ দোহৰিয়ে গ'ল। "এনেতে ১৭/১৮ বছৰীয়া কেইজনমান ছাত্ৰ-ছাত্ৰীৰ দল এটি লৈ গণবিপ্লৱলৈ ওলাই আহিছিল বিপ্লৱ কাকতি নামৰ ১৮ বছৰীয়া যুৱকজন। আনফালে গাওঁবাসীক উদ্গনি দি গাওঁবাসীৰ লগতে আগবাঢ়িলো মই আৰুকল্পনা। দুয়োটি দলৰ একেটি উদ্দেশ্য দেখি বিপ্লৱ কাকতিৰ লগত মোৰ এক সম্বন্ধই গঢ় লৈ উঠিছিল।

বিপ্লৱ আছিল শ্ৰীমান ৰণজিৎ কাকতি আৰু শ্ৰীমতী হেমলতা কাকতিৰ একমাত্ৰ পুত্ৰ। মিঃ ৰণজিৎ কাকতি সেই সময়ৰ অসমৰে এজন ধনী মানী ব্যক্তি আছিল। তেওঁৰ কেইবাখনো চাহ-বাগিচাৰ লগতে চাহৰ কল-কাৰখানাও আছিল। মিঃ কাকতি আৰু তেওঁৰ পৰিবাৰ শ্ৰীমতী হেমলতা কাকতি ধনৰ বলত হৈয়ো বিপ্লৱে চাহ মজদুৰসকলৰ লগত বিপ্লৱৰ ধুনীয়া মিতিৰালি আছিল। আমাৰো ৰোগীয়া বুঢ়ীমাৰ বাহিৰে অন্য আপোনজন বুলিবলৈ আন কোনো নাছিল। বুঢ়ীমায়েই গাঁৱে গাঁৱে খুজি-মাগি অতি জ্বালা-যন্ত্ৰনা ভুগি মানুহৰ বৰ কথা শুনি আমাক দুয়ো ভাই-ভনীকে অতি কষ্টৰে ভৰণ পোষণ দি ডাঙৰ দীঘল কৰিছিল। মোৰ আৰু বিপ্লৱৰ মাজৰ দিনবোৰ যিমানেই বাগৰি গৈছিল সিমানেই আমাৰ বন্ধুত্ব আৰু মিলা-প্ৰীতিও বাঢ়ি গৈছিল।

এদিন ময়েই বিপ্লৱক আমাৰ ঘৰত ভাত খোৱাৰ নিমন্ত্ৰণ জনালো। যদিও মই কিবা কামত অন্য এঠাইলৈ যাব লগা হ'ল। সন্ধিয়া ছয়মান বজাতে বিপ্লৱ আমাৰ ঘৰলৈ আহিল। ' অ' পৱন পৱন আছ' নে নাই' আন্দোলনৰ পৰা আহি ঘৰৰ যাৱতীয় কাম কাজবোৰ কৰি আলহীৰ পিঠা পনা, চিৰা খুন্দা, লগতে তেওঁক মাতিছো যেতিয়া কুকুৰা এটাও যোগাৰ কৰি কল্পনাই গোঁসাই ঘৰতে চাকি গছি জ্বলাই আছিল; মাতষাৰতে ধৰিব পাৰি। বাহিৰলৈ ওলাই আহি আদৰ-সাদৰ কৰি তেওঁক বহিবলৈ দিলে। ইতিমধ্যে মাও ওলাই অহাত কল্পনায়ে মাৰ লগত তেওঁক চিনাকি কৰাই দিলে। 'পৱন নাই নেকি? 'নাই, কিবা কামত অলপ আগতে দাদাই ঘৰৰ পৰা ওলাই গৈছে।' চাহ-জলপান খোৱাৰ পাছত কল্পনাই ভাত বান্ধিবলৈ বান্ধনীহালত সোমাল'। কিছু সময়ৰ পাছতে ৰান্ধিবাঢ়ি তেওঁক খাবলৈ দি তায়ো ওচৰতেই পীৰা এখন লৈ বহাত তেওঁ মাত লগালে 'কল্পনা তুমিও খোৱা আক মোৰ অকলে খাই ভাল লাগিব জানো?' ইমান সহজ আৰু উদাৰ হৃদয়ৰ যেন লাগিছিল বিপ্লৱক তাইৰ সিদিনা। দুয়ো একেলগে খাই থাকোতে বিপ্লৱেই মাত লগাই 'কল্পনা তুমি এগৰাকী নাৰী হৈ দলৰ পথ প্ৰদৰ্শক ৰূপে আগবাঢ়ি

কনকলতাই যেতিয়া নিৰ্ভয়ে দেশ মাতৃৰ উদ্ধাৰৰ হকে যুঁজি পুলিচৰ গুলীত প্ৰাণ আহুতি দিলে, তাতে মোৰ ভয় কৰিবলগীয়া আছে কি মইতো এতিয়া ষোল্লবছৰীয়া''। 'বাৰু হ'ব হ'ব দিয়া।' ভৰ যৌৱনত ভৰি দিয়েই তাইক বিপ্লৱৰ স্বভাৱ চৰিত্ৰই বেছিকৈয়ে মোহিত কৰিছিল আৰু তাই তেওঁক ভাল পাই পেলাইছিল। অৱশ্যে তেওঁ তাইক ভালপাই ছাগে। কিন্তু উভয়ে কবলৈ সাহস কৰা নাছিল।

এদিন আবেলি আন্দোলনৰপৰা ঘৰমুখী হওঁতে বিপ্লৱেই কল্পনাক কৈছিল, কল্পনা কথা এটা কওঁ বেয়া পাবা নেকি? 'কি কথা বিপ্লৱ দা?' 'কল্পনা মই তোমাক ভাল পাওঁ। মই তোমাক চিৰজীৱনৰ সংগিনী হিচাবে পাব বিচাৰোঁ।' তাই তেওঁক অকনো বাধা নিদিলে। অৱশ্যে তাই পাহৰিয়েই গৈছিল যে তাই এজনী দুখীয়া পৰিয়ালৰ ছোৱালী আৰু তেওঁ..। পাহৰি গৈছিল তাই দুয়োটাৰ মাজত থকা আকাশ পাতালৰ প্ৰভেদ।

সেই সময়ত আৰু বেছিকৈ আন্দোলনৰ জুই দেশখনত জ্বলি উঠিছিল। তীব্ৰৰ পৰা তীব্ৰতৰলৈ গতি কৰিছিল এই গণ আন্দেলনে। চাৰিওফালে গুলীৰ শব্দ, বাৰুদৰ ধোঁৱা। কণ কণ ল'ৰা ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা গাভৰুলৈকে হাতে হাতে পষ্টাৰ, ত্ৰিৰঙ্গা পতাকা লৈ সমদলেই শ্লগান গাই আগবাঢ়ি আহিছিল দেশমাতৃৰ উদ্ধাৰৰ বাবে। দেশমাতৃক উদ্ধাৰ কৰিবলৈ যাওঁতেই চিৰদিনৰ বাবে হেৰুৱাব লগা হৈছিল কোনোবাই পুত্ৰ, কোনোবাই মিত্ৰ, কোনোবাই হেৰুৱাব লগা হৈছিল ভাতৃ, কোনোবাই হেৰুৱাইছিল মাতৃ। পুলিচ, চি আৰ পি'ৰ ৰাইফল, বুটৰ খুন্দা আৰু টিয়াৰগেছৰ ... দাত বহুতো চিৰপঙ্গু হৈ জীৱন অতিবাহিত কৰিছিল।

সদায়ে যোৱাৰ দৰে আজিও বিপ্লৱে খৰখৰকৈ ভাত সোপা খাইয়েই ঘৰৰ পৰা ওলাই যাওঁতেই 'বিপ্লৱ ক'লৈ যোৱা?' 'য'লৈ প্ৰতিদিনে গৈ আছো মা' এনেতে মিঃ কাকতিও ৰুমৰ পৰা ওলাই আহিল। খঙৰ ভমকতে মাকে কৈ যাবলৈ ধৰিলে, বিপ্লৱ তোৰ লাজ নালাগে বাগানৰ লেবাৰকিটাৰ লগত লটি-ঘটি কৰিবলৈ, ৰাস্তাই--ৰাস্তাই পতাকা লৈ পগলা কুকুৰৰ দৰে চিঞৰিবলৈ। ঘৰৰ মান-সন্মানৰ প্ৰতি তোৰ অলপো সহানুভূতি নাইনে?'

'মা মানুহ মানুহ একেই। বাগিচাৰ মজদুৰসকলে কেৱল গোটেই দিন ৰ'দে বৰষুণে, শীতে-তাপে হাড়-ভঙা পৰিশ্ৰম কৰি নিজৰ পৰিয়ালক ভৰণ-পোষণ দিয়াৰ বাবেই তেওঁলোকক জানো আমি নীচ চকুৰে চোৱা উচিত! হব পাৰে তেওঁলোকৰ থাকিবলৈ আমাৰ দৰে অট্টালিকা নাই, খাবলৈ ভাল ভাল বস্তু নাই, পিন্ধিবলৈ ভাল কাপোৰ নাই সেই বুলিয়েইতো তেওঁলোকক জানো আমি তুচ্চ জ্ঞান কৰা উচিত। উপলুঙা কৰা উচিত! অৱজ্ঞাৰ চকুৰে চোৱা উচিত। এতিয়া সময় নাই জাতি ধৰ্ম-সম্প্ৰদায় বিচাৰ কৰিবলৈ। সময় নাই কোন ধনী কোন নিধনী তালৈ চকু ফুৰাবলৈ।

আৰু মা, আপুনি মান-সন্মানৰ কথা কৈছে, বিদেশীৰ তলত থাকি জানো সচাঁকৈয়ে আমাৰ মান মৰ্য্যদা আছে। আনৰ তলতীয়া হৈ, দাস হৈ জীৱন অতিবাহিত কৰাত মান মৰ্য্যদাৰ কোনো অস্তিত্ব নাই মা, কোনো অস্তিত্ব নাই। ধনৰ চহকী হলেই মান সন্মান বাঢ়ি নাযাই। কেৱল ভদ্ৰতাৰ মুখা পিন্ধি জনতাৰ ওপৰত বৰ মানুহ বোলালেই নহয়।' মা আৰু দেউতাই যেন এপলকৰ বাবে স্তব্ধ হৈ গ'ল। বিপ্লৱে কৈয়ে গ'ল 'আৰু জানা মা তোমাৰ দৰে লাখ লাখ মহিলাই অসমীয়া সংস্কৃতি ৰক্ষাৰ্থে, দেশমাতৃৰ উদ্ধাৰৰ অৰ্থে মূগা মেখেলা পিন্ধি হাতত ত্ৰিৰঙ্গা পতাকা লৈ 'জয় আই অসম' 'ভাৰত মাতা কি জয়' ধ্বনি দি ৰাজপথলৈ ... সংগ্ৰামীয়ে ৰাতি ৰাতি অস্থিৰ অকান্ত মনেৰে উজাগৰে জীৱন ৰক্ষাৰ বাবে হিম চেঁচা জাৰতো গছৰ তলত আত্মগোপন কৰিবলগীয়া হৈছে, আনফালে আপোনালোকৰ দৰে ভদ্ৰৰ মুখা-পিন্ধা বহুতেই লেপৰ তলত সোমাই গভীৰ প্ৰশান্তিৰে টোপনি গৈছে।'

'ষ্টুপিড মাম্মী ডেডীৰ আগত কেনেকৈ কথা পাতিব লাগে তাৰ প্ৰতি তোৰ জ্ঞান নাই' বুলি মাকে খঙৰ ভমকতে বিপ্লৱৰ গালত ঠাচ্ ঠাচ্কৈ কেইগাত মান চৰ সোদাই দিলে। বিপ্লৱে একো মাত নামাতি ঘৰৰ পৰা ওলাই আহি আমাৰ ঘৰলৈ আহিল। সিদিনাখন আমাৰ ৰোগীয়া বুঢ়ী আইৰ আৰু বেছিকৈয়ে যেন গা বেয়া কৰাত মায়ে অস্ফুট স্বৰেৰে কেঁকাই কেঁকাই মৃত্যুক্ষণ গণি আছিল। মই যাবলৈ বিচাৰিছিলো যদিও মাৰ এনে অৱস্থা দেখি বিপ্লৱে মোক যাবলৈ বাধা দিছিল। অৱশ্যে ময়ো তেওঁৰ বাধা নেওচি যাব পৰা নাছিলো। অৱশেষত বিপ্লৱে আমাক দুয়ো ভাই-ভনীক ঘৰতে থাকিবলৈ কৈ তেওঁৱেই সিদিনা আন্দোলন কৰিবলৈ আগবাঢ়ি গ'ল।

পশ্চিম আকাশত ৰঙা সূৰুযে ডুবু ডুবু অৱস্থাতেই চাহ বনুৱা লোক এজন আমাৰ ঘৰলৈ দৌৰি আহি মাত লগালে 'পৱন দাদা, পৱন দাদা বিপ্লৱ দাদা---।' 'কি হ'ল বিপ্লৱৰ?' আন্দোলন কৰি থকা অৱস্থাতে পুলিচে লাঠি চালনা কৰাত ৰাইফলৰ খুন্দা আৰু বুটেৰে মৰাত কেইজনমানৰ লগতে বিপ্লৱো হস্পিটেলতে বুলি শুনি মই হস্পিটেললৈ দৌৰ দিলো। হস্পিটেলৰ দুৱাৰ ডলি পোৱাওঁতেই বিপ্লৱৰ আত্মাই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে কোনোবা অজান দেশলৈ উৰা মাৰিছিল। ডাক্তৰে তেজেৰে ৰক্তাক্ত বিপ্লৱৰ নীৰৱ নিথৰ প্ৰতিমাক তেতিয়া শুদ্ধ বগা কাপোৰেৰে ঢাকি দেশ প্ৰেমীৰ চকুৰ পানীৰে বিপ্লৱৰ আতমাৰ হকে শ্ৰদ্ধাঞ্জলী জনালে।

বিপ্লৱৰ কৰুণ মৃত্যুত কল্পনাও জীৱনত বিয়া নহওঁ বুলি চিৰ প্ৰতিজ্ঞ হৈ যৌৱনৰ ৰঙীন জীৱনক ত্যাগ দি চিৰজীৱনৰ বাবে বিধৱা বগা কাপোৰকে আকোঁৱালী ল'লে।

'আমাৰ বিপ্লৱৰ ওপৰত কি যে অত্যাচাৰ, বৃটিছৰ লগত আমাৰ সেই ভাৰতীয় পুলিচ কেইজন। বিপ্লৱেতো কাৰো অন্যায় কৰা নাছিল। তেওঁতো শান্তৰ মাধ্যমেৰে আমাৰ স্বাধীনতা বিচাৰিছিল। তেন্তে তেওঁ কিয় ইমান নিৰ্মম অত্যাচাৰ ভুগি মৃত্যুক সাবটি লব লগা হৈছিল? পুলিচে বন্দুকেৰে নমৰা হ'লে বুটেৰে নগচকা হ'লে মোৰ বন্ধু বিপ্লৱ আজিও জীয়াই থাকিলেহেঁতেন। কি যে চি. আৰ. পি, কি যে পুলিচ সিহঁতৰ দোষী-নিৰ্দোষী বিচাৰ কৰাৰ সকাম নাই, কেৱল শাস্তি দিয়া, মৃত্যুদণ্ড দিয়াই সিহঁতৰ কাণ্ড কাৰখানা।'

কথাবোৰ কৈয়েই তেওঁৰ চকুৰ পৰা অশ্ৰুৰ ধাৰা বৈ আহিছিল। আজি ৩৫ বছৰ আগৰ ধুমুহাজাকে পুনৰ তেওঁৰ ভগ্ন হৃদয়খনক কঁপাই তুলিবলৈ সক্ষম হৈছিল। কল্পনায়ো অতীতৰ কথাবোৰ ভাবি হুক্ হুকাই কান্দি দিলে। অৱশ্যে কথাবোৰ শুনি মাক, পল্লৱী আৰুপৰাগৰ চকুবোৰ সেমেকি গ'ল।

এনেকৈয়ে অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰি থাকোতেই আবেলি হ'ল। পশ্চিম আকাশত বিদায় মাগিছে ৰঙা সূৰুযে, ৰঙাকৈ একাজলি কিৰণেৰে পৃথিৱীক জনাইছে বিদায় সেৱা। নীলা আকাশত বনৰ পক্ষীবোৰ জাক পাতি পাতি উৰি আহিছে আপোন বাঁহলৈ।

কল্পনাও তেওঁৰেই গভীৰ প্ৰতীক্ষাত আকাশলৈ চাই ৰ'ল,' কিজানি তেওঁ আকৌ ঘূৰি আহেইবা।'□□

# এটা একমিনিটৰ প্ৰেমৰ গল্প

নিৰ্জুমনি চাংমাই
স্নাতক তৃতীয় বৰ্ষ



বাৰিষাৰ প্ৰথমজাক বৰষুণ এই আৰম্ভ হল মাত্ৰ। কি যে এক উত্তাল হেপাঁহ, যেন ধুই নিব সমস্ত আৱৰ্জনা। আৰু কলৰ পাতত কি এক নিষ্পাপ মুৰ্ছনা। আঃ কেনেকুৱা এক উৰ্বৰ মূহুৰ্ত্তৰ বাবে আকুলচিত্ৰেৰে, হৃদয়ৰ সমস্ত আকৃতিৰে বাজীত ধৰিব পাৰি নিজৰ সমস্ত বৈভৱ। আনকি নিভাক! এই যে বাঁহৰ দো খাই যোৱা আগবোৰত নাচি আছে ৰূপালীৰেখা তাৰ পৰা টোপ টোপকৈ নামি আছে স্ফটিক টুকুৰা। খোল খাইছে খোল খাইছে বৰ্ষাৰ শ্ৰাব্য কাব্যৰ সফুঁৰা।

কি বিচিত্ৰ এক মৌলিকতাৰ গৰাকী হৈ নামি আহে বৰুষুণ। আকাশৰ পৰা পৃথিৱীলৈ। তাৰ পাছত গভীৰলৈ গভীৰৰ পৰা গভীৰতলৈ। পৃথিৱীৰ প্ৰতি বৰষুণৰ এই অনিৰ্বচনীয় বন্দনা। যেন পৃথিৱীলৈ আকাশৰ উপহাৰ। প্ৰেমিকলৈ এবুকু ভালপোৱা।

আধুনিকতা হয়ত কাৰোবাৰ প্ৰেয়সী।

ওচৰত প্ৰতিটো পল হৈ পৰে স্বৰ্ণমণ্ডিত। যিয়ে এইয়া মাথো উপহাৰ দি গৈছে কেইটামান ঐশ্বৰ্য্যময় মূহুৰ্ত্ত। আধুনিকাৰ হাতত এয়া সিয়ে দি যোৱা এইখন কিতাপ। বৰষুণজাকৰ আগে আগে মাথো গৈছিল যি মোৰ কাষৰ পৰা আঁতৰি। বৰষুণজাকত তিতিলনেকি বাৰু অভিনৱ? অভিনৱ ...।

সপোনতো নিমিষতে ফুলি উঠে খৰিকাজাঁইৰ দৰে সেই নিস্পাপ চকু। আৰু সেই দুচকুৰ গভীৰতাত এক অবাক চাৱনি। আধুনিকা তুমি ফুলৰ দৰে... জোনাকৰ দৰে তুমি কিহৰ দৰে? স্পন্দিত হয় বুকুৰ মাজত এমুঠি মিঠা শব্দ। সেই জুৰি চকু ঘৰচিৰিকাৰ মৃত্যুতো বিষন্ন হৈ পৰিছিল। অজানিতে কৰুণ হৈ ওলাইছিল মুখৰ মাত। আধুনিকাই অন্তৰতে কিবা এক পুলক অনুভৱ কৰিলে।

বৰুষুণজাক পাতলিছে। এতিয়া মাথোন গছৰ পাতৰ পৰা টোপাল টোপাল হৈ পৰি বৈ সোঁৱাতখন লাহে লাহে বুলাই আনিলে। স্মৃতি! স্মৃতি যে কি আনাচাৰ্য্য আশীৰ্বাদ। এই চুলি, চকু, ওঠ কেনেকৈকে আতলান্ত আকৰ। সেই যে অনুভৱৰ দুপাহি খৰিকাজাঁই তীব্ৰসুগন্ধত আধুনিকা হতবাক হৈ বৈছিল। যেন স্তব্ধ হৈ গৈছিল সময়। সময়ো যে স্মৃতি হৈ ৰব পাৰে এইয়া আধুনিকাই নিজৰ পৰা ৰব পাৰে। আৰু স্মৃতিৰ দুৰত্বলৈ কঢ়িয়াই আনিব পৰা সময়। যেনেদৰে লৈ আহিল আধুনিকা অভিনৱক। মাথো সুখৰ স্মৃতিৰে ভৰি আছে বুকুৰ মনিকোঠা যোৱা দুটাবছৰে।

পাৰ হৈ যোৱা দুটা বছৰ। আধুনিকাৰ ভাল হৈ যোৱা দুটাবছৰৰ পৰা পৰিপূৰ্ণভাবে জীয়াই থাকিবলৈহে যেন আগৰ বছৰবোৰ হেপাঁহেৰে জীয়াই আছিল। সেইযে দিনটো হৃদয়ত উদ্‌যাপিত হৈছিল হৃদয়ত উৎসৱ। বগলী পাখি যেন পৰশত চমকি উঠিছিল আধুনিকাৰ কেঁচা হালধী হৃদয়। আৰু তাৰ পাছত সান্নিধ্যৰ প্ৰতি পল অনুপলতে নতুনকৈ আৱিষ্কাৰ কৰিছে উভয়ে উভয়ক। আধুনিকাই অভিনৱক অভিনৱে আধুনিকাক। বা জীৱনৰ এইয়াতো কি অপূৰ্ব উপলব্ধি।

আজি এই বৰষুণজাকৰ মাথো আগে আগে সি, অভিনৱে উঠি গৈছে আধুনিকাৰ কাষৰ পৰা। অকণমান দীঘলীয়াকৈ উশাহ টানিলেই অনুভৱ কৰিব পাৰি অভিনৱে এৰি যোৱা মিঠা সুবাস। বৰষুণজাকৰ পাছত গছ লতাবোৰ কিবা এটা পোহৰেৰে জাতিস্কাৰ হৈ পৰিছে। উজ্বল সেউজীয়াৰ সাজত আধুনিকাই অভিনৱক বিচাৰি পাইছে। বিচাৰি পাইছে নিজকো। এই যে অন্তৰংগতা অনুভৱ বৰষুণৰ সৈতে, গছলতাৰ সৈতে কি পৱিত্ৰ উপলব্ধি। অহ অভিনৱ মই তোমাৰ ওচৰত চিৰকৃতজ্ঞ। সচাঁকৈয়ে কাৰোবাৰ সান্নিধ্যই কেনেকৈ নিজক সম্পদশালী কৰিব পাৰে। এটা দীঘল উশাহ টানি বুকুখন ভৰাই ললে আধুনিকাই।তৃপ্তিত চকু দুটা ক্ষন্তেকলৈ মুদি দিলে।

হৃদয়ত প্ৰেম থাকিলে মানুহে সকলোকে ভাল পাব পাৰে। দেশপ্ৰেম, মানৱপ্ৰেমত উদ্বেলিত হৈ উঠিব পাৰে চেতন অৱচেতন। সেয়েহে দুয়োৱে দুয়োৰে বুকুৰ মাজত সাঁজি লৈছে দুয়োৰে ঘৰ।

অভিনৱে দি যোৱা কিতাপখন চকুৰ ওচৰলৈ তুলি আনিলে আধুনিকাই। কিতাপখনৰ বিষয়বস্তু মাথোন বিদ্ৰোহ, বিপ্লৱ আৰু সন্ত্ৰাসবাদ। আধুনিকাই মনৰ মাজত আলফুলে চুমা এটা খালে। চুমাটো খিৰিকীৰে ওলাই গৈ জলীয় বাষ্পৰ মাজেৰে অভিনৱক বিচাৰি গৈ থাকিল...।□□



# বনগীতত বুৰঞ্জীৰ আঁচোৰ।।

জয়ন্ত গগৈ
স্নাতক তৃতীয় বৰ্ষ

লৌকিক গীত মাতক সাধাৰণতে পিতৃহীন আৰু দেশহীন বুলি নকলেও কাল পাত্ৰহীন বুলি ভাৱিবৰ কাৰণ আছে। একোটা গীতেই এজনৰ মুখত ৰচিত হৈ সময়ৰ সোঁতত উটি আহি থাকোঁতে পানীৰ ধাৰৰ দৰে গতি সলাই আহি থাকে। কেতিয়াবা হয়তো সি ৰূপান্তৰিত হৈ সময়ৰ শৰ ধৰিব নোৱাৰা কাৰণে পাহৰণিৰ গৰ্ভত জীণ যায়গৈ। কিন্তু বহুকালৰ আগৰ জন্মৰ বোল লগা গীত মাতৰো অভাব নাই। ক্যৰণ তেনে দুই এটা গীতে যুগক ফাঁকি দি কালৰ প্ৰহৰীৰ হাত এৰাই সোঁশৰীৰে মুখৰ পৰা মুখলৈ খোজ চলাই আজিৰ দিন পাইছেহি। তেনে ভাবেই হয়তো ছপাপুথিৰ অন্তৰ্গত হৈছে। অসম যেতিয়া এদিন স্বাধীন আছিল তেতিয়া স্বাধীন দেশ বুলি ডেকা-গাভৰুৰ প্ৰাণ আজিৰ ডেকা গাভৰুৰ প্ৰাণত কৈ সজীৱ আৰু সৰল আছিল। সেই সেউজীয়া মন প্ৰানে জগতখনকে দীপ্ত পূৰ্ণ চকুৰে চাই জীৱনক পূৰ্ণভাবে উপলব্ধি কৰি একোঁফাকি গীতৰ মাজেদি আত্ম প্ৰকাশ কৰিছিল। ডেকা-গাভৰুৰ অন্তৰত জীৱনৰ হাঁহি কান্দোন, হা-হুতাশ সকলোৱেই বনৰীয়া চৰাইৰ দৰে নিজকে গীতত বাকি দিছিল।

স্বাধীন যুগৰ বুৰঞ্জীৰ সাঁচ বিহুগীত বনগীত বিলাকত যিমান পাব লাগিছিল, আজি সিমানখিনি হয়তো নাপাওঁ। ইয়াৰ এটা কাৰণ জাতীয় বিস্মৃতি। সেই ৰামো নাই, সেই অযোধ্যাও নাই। দ্বিতীয়তে বুৰঞ্জীমূলক ঘটনাৰ দাগ লগা একপ্ৰকাৰ 'লিৰিকেল' লোক গীতিৰ মূল্য সময়ৰ লগে লগে সলনি হ'বলৈ

এটা ঘটনাই জাতিৰ সোঁৱৰণীত এনেদৰে ৰবৰৰ আঠাৰ দৰে কৰাল মাৰি ধৰে যে সেই ঘটনাক লৈ ৰচিত গীতক বিস্মৃতিয়ে সতকাই মচি পেলাব নোৱাৰে। ১৮৫৮ খ্ৰীষ্টাব্দৰ ২৬ ফ্ৰেব্ৰুৱাৰীৰ দিনা বিচক্ষণ পুৰুষ মণিৰাম বৰভাণ্ডাৰ বৰুৱাক ইংৰাজে ফাঁচিকাঠত তোলে। অধমীহঁতৰ এই গৰ্বিত কামত অসমীয়া জাতিৰ কলিজা আমঠুলৈকে ক'লা পৰিল। কাউৰীয়ে 'কা' 'কা' আৰু জিলীয়ে 'জা' কৰিবলৈ পাহৰি গ'ল। শিপিনীহঁতৰ যঁতৰৰ শলা নুঘুৰাত পৰিল। অসমৰ নপতাৰজা মণিৰাম দেৱানৰ কথা অসমীয়াই পাহৰি যায় কেনেকৈ? সেইয়েহে গা-সাতখন, আঠখন লাগি থকা বিহুৱা ডেকাই পখিলা ঘূৰাদি ঘূৰি নচৰ মাজতে গালত হাত দি আমনে-জিমনে 'দেহি ঐ' বুলি দীঘল হুমুনিয়াহ কাঢ়ি বিননি তোলে,-

ৰূপৰ ধোঁৱাখোৱাত খালি ঐ মণিৰাম
সোণৰ ধোঁৱাখোৱাত খালি;
ভটীলৈ ভটীয়াই গ'লি তই মণিৰাম
ডিঙিত ফাঁচি জৰী ল'লি।।

কোনো কোনো বনগীতত শিৱসাগৰ আৰু গৌৰিসাগৰ পুখুৰীৰ উল্লেখ পোৱা যায়। এনে গীত সেই পুখুৰীবিলাক খনোৱাৰ আগতে ৰচিত হোৱা নাছিল ।

শিৱসাগৰ পুখুৰী নকৈ খনালে
শিলেৰে বন্ধোৱা পাৰ
এনেকুৱা পিৰীতি এৰ যদি মইনা
নগা যাঠি মাৰিয়ে মাৰ।

১৫৪২ শকত কলঙ্গুপৰীয়া গোহাঞি গাঁৱৰ কাষত পুখুৰী এটা খনাই শিৱসাগৰ বুলি নাম দিয়া হ'ল।

এই খিনিতে বনগীতত উল্লেখ থকা কেইটামান দ্ৰব্য আৰু তাৰ লগত সম্পৰ্ক থকা কেইটামান জনজাতিৰ কথা উনুকিয়াব পাৰি

"মিছিম আহি বৰবিহ আনিব
তাক খাই পাহৰিম তোক।"
"স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা,
কাণত জিলিকিলে নৰা জাংফাই
গাত গোমচেঙৰ চোলা।"

মিছিমি বিলাকৰ লগত যে ভৈয়ামৰ কিছু ব্যৱসায় বাণিজ্যৰ সম্পৰ্ক আছিল ওপৰৰ গীতটিৰ পৰা অনুমান কৰিব পাৰি।

শিৱসাগৰ অঞ্চলৰ গীত বিলাকত বিশেষকৈ ডিবৰু আৰু শদিয়াৰ ৰণৰ কথা সঘনে পোৱা যায়।

ডিবৰুৰ ৰণখন শদিয়াত লাগিলে
মৰিয়নী কান্দিলে ডালত
তোমাৰে বেজাৰত মৰিমগৈ চোৰাই মই
শদিয়াৰ জয়ন্তী ৰণত।

ডিব্ৰু শদিয়া অঞ্চলত মৰাণ চুতীয়া খামতি চিংফৌ আদি ভৈয়ামৰ আৰু পৰ্বতৰ জনজাতি বিলাকৰ বসতি অতি আদিম কালৰে পৰা। গতিকে আহোম ৰাজ্যৰ এই উত্তৰ পূব সীমান্তত সততে ৰণ-বিগ্ৰহ হৈ আছিল। ১৪৪৫ শকত চুতীয়া ৰণৰ পিছত দিহিঙীয়া ৰজাই এই সীমান্ত ৰক্ষাৰ কাৰণে শদিয়া খোৱা গোঁসাই বুলি বিশেষ ক্ষমতা সপন্ন এজন বিষয়া সৃষ্টি কৰে। প্ৰথম মৰাণ বিদ্ৰোহৰ সময়ত হৰনাম ভিতৰুৱাল ফুকনে ডিব্ৰু নৈৰ ওপৰত দলং দি ৰণুৱা পাৰ কৰিব সময়ত শদিয়াখোৱাৰ বাব এজন খামতি বিষয়াক দিয়া হয়; বৃটিছ চৰকাৰে তেওঁকে সেই পদত মকৰল কৰে। শদিয়াৰ ৰণৰ বাহিৰে আন যুদ্ধ বিগ্ৰহৰ কথা থকা গীত দুষ্প্ৰাপ্য। আন কি মান মৰানৰ যুঁজৰ উল্লেখ থকা গীতো আমি পোৱা নাই।

মণিৰাম দেৱানেও স্বৰ্গদেউ লক্ষীসিংহৰ দিনতে ১৭০৪ শকত বঙালৰ পৰা আফিঙৰ গুটি অসমলৈ প্ৰথম আহে বুলি কৈছে। কেপ্টেইন ওৱেলছে কিন্তু তেওঁৰ চৰকাৰী সম্বাদত লিখিছে "Poppy grous in Luxuriance in most of the lower provinces. The natives however are as yet Unaquainted with the manufacture of merchantable opium which might be procured in considerable quantity". মণিৰাম দত্ত বৰুৱা দেৱানে কৈছে, মোৱামৰীয়া বিদ্ৰোহৰ সময়ত অহা বৰকন্দাজবোৰে কাণি পান কৰি খোৱা নিয়ম উলিওৱাত দেশত সি সাধাৰণ কথা হৈ পৰিল। সেই সময়ত বুঢ়াগোঁহাইয়ে তাক বন্ধ কৰিবৰ কাৰণে নতুন শাসন উলিয়ালে। কিন্তু মানৰ দিনত সেই শাসন আঁতৰি যোৱাত একেবাৰেই সাধাৰণ শ্ৰেণীৰ মানুহো বদ অভ্যাসটোৰ ফান্দত পৰিল। কানীয়াৰ 'সোন্দোৱাখোৱা' খৰচী অভ্যাসৰ প্ৰতি লক্ষ্য কৰি এটি গীতত কোৱা হৈছে।-

"কানিয়ালৈ নেযাঁবা, কানি দিব লাগিব
তাকো দিব লাগিব মলি।।"

অসমত কলাখাৰ আৰু হিলৈৰ ব্যৱহাৰ অতি পুৰণি। কথিত আছে দিহিঙীয়া ৰজাৰ দিনতে এই আগ্নেয়াস্ত্ৰ প্ৰথম ব্যৱহৃত হয়। কিন্তু ৰণুৱাই কান্ধত বন্ধুক লোৱা কথাটো নতুন যেন লাগে। এই সম্পৰ্কত

কথা সুঁৱৰিব লগীয়া। “‘বঙাল’ বুলিলে সকলো অনা অসমীয়া জাতিৰ লোকক বুজাইছিল। বঙালৰ উল্লেখ থকা গীতো দুই এটি আছে যেনে-

“ভাটিৰ বঙালে কঠীয়া তুলিলে
বেতৰ বকটুৰে বান্ধে।”

বনগীতত কেইটামান ৰজাদিনীয়া আলিৰ আৰু নামডাঙৰ সাঁকোৰ উল্লেখ আছে। জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ দিনত বাদুলি ফুকনে চেঁউনী আলি কৰায়। কমলেশ্বৰ সিংহই ‘ন আলি, ৰজাবাহৰৰ আলি, মহেবন্ধা আলি, কমাৰে বন্ধা আলি, চুচন্দে বন্ধা আলি এইকেইটা আলি বন্ধালে।” ৰেডছাহাবে লিখিছে যে বঙালৰ পৰা কাৰিকৰ আনি নামডাঙৰ শিলৰ সাঁকো বন্ধোৱা হয় ৰুদ্ৰসিংহৰ দিনত। টেক্সি আলি ই কিন্তু নতুন।

ইংলেণ্ডৰ আধুনিক কবি টমাছ হাৰ্ডিয়ে এটি এধানমান কবিতাত কৈছে বোলে যুগৰ পিছত যুগান্তৰ আহে। এটাৰ পিছত আন এক প্ৰতাপী ৰাজবংশই শাসনদণ্ড ধৰে, কিন্তু মানুহৰ সেই আদিম প্ৰক্ৰিয়া ভূমিকৰ্ষণ আৰু মানৱৰ সেই আদিম প্ৰবৃত্তি প্ৰেম প্ৰণয়ৰ গতি একেদৰে থাকে। চাই থাকোঁতে থাকোঁতেই কালৰ পৰিহাসত পৰি সাত সাগৰ তেৰ নদী পাৰ হৈ বগা বঙালৰ কোম্পানী আহি দেশ অধিকাৰ কৰি বহিল। নতুন গঢ়ৰ শাসন ওলাল। নতুন ধৰণৰ যান-বাহন চলিল। কিন্তু বনগীত গোৱা বনৰীয়া ডেকা-গাভৰুৰ জীৱনত নতুন একো নঘটিল। মাত্ৰ মানৰ উপদ্ৰৱৰ হাত সাৰি সকলো অসমীয়া প্ৰজাই এটা স্বস্তিৰ নিশ্বাস কাঢ়িলে। ডেকা গাভৰুৱে হাড়ক মাটি তেজক পানী কৰি আগৰ দৰেই দুবেলা দুমুঠি উলিয়াই খাই থাকিল। আগৰ দৰেই সিহঁতে গীত-মাত গাই নৈৰ গৰাত প্ৰতিধ্বনি তুলিলে। বনৰীয়া নামৰ ৰিঙা ৰিঙা সৰুত নিজান পথাৰ আৰু জাবৰি গহীন হৈ

যুঁজে অসমৰ প্ৰাণ খুলি খুলি খাই তাৰ খোলা উলিয়াই থৈ গ’ল। অসমীয়া জাতিৰ জঁকাটো মাত্ৰ থাকিল। ৰনুৱাবীৰ অসমীয়া জাতিৰ গাত নকৈ বাহ লোৱা এলাহ সোৰোপালিৰ কথা মিলছ চাহাবে অনেক ঠাইত উনুকিয়াই থৈ গৈছে। যি জাতিৰ তিৰোতাই ৰাতিতে কপাহৰ জোলাৰ পৰা সুঁতা উলিয়াই সেই সুঁতাৰে ৰাতিতে কৰছ কাপোৰ বৈ পুৱা হ’লে অসমীয়া ৰণুৱাক অজেয় কৰি যুঁজলৈ উলিয়াই পঠিয়াইছিল, এতিয়া সেই জাতিৰ ঘৰঘৰৰ মুধৰ তাঁতশালত মাকোৰ ঘিট্‌ঘিটনি নিতাল মাৰিলে। বিহুৰ উলহ মালহ, বিহুৱানৰ ৰং-ৰূপ কমি আহিল। নতুনকৈ আহিল কেঞা-মহাজনৰ পোলা,জাকেট, চোলা আৰু বজাৰৰ সুঁতা। ১৮৫৪ চনত মিলছ সম্বাদতো কেঞা বঙালীৰ পোলাৰ অধিপত্যৰ কথাই ঠাই পাইছে। নতুন যুগৰ নতুন গোলাত ওলাল মেলিব-জপাব পৰা ছাতি। ডেকাসকলে পথৰুৱা জাপি, গাভৰুৱে সৰুদৈয়াক হীন বিবেচনা কৰিবলৈ ধৰিলে। নতুনকৈ ওলাল চটি-জোতা। আগৰ ‘কঠালৰ খৰম’ আৰু হৰিণ বা মহৰ ছালৰপানৈয়ে আদৰ হেৰুৱালে। বিৰাট এটা শোভাযাত্ৰাৰ দৰে বাহিৰৰ পৰা একে সময়তে আহিল আচী, ফু-ফুকৈ গোন্ধাই থকা গোন্ধতেল, কেলিক আৰু ৰেচমৰ ৰুমাল, ৰঙা ৰং, ‘জাকেট চোলা’ ‘চিমলাই চুৰিয়া’ আগৰ সেই চালে চকু ৰোৱা, ল’লে জুৰ পেলোৱা বাপতি সাহোনবোৰ জপাত সোমাবলৈ ধৰিলে, সেই ‘সাঁচটি লাহৰে চেমিটি কাঁহৰে, ডাবে কি ম’হৰে শিং’ সেই মিৰ্জাই বকুচোলা, সেই কোঁচ বহা ৰিহা ইত্যাদি। বনগীত বিলাকৰ পৰা অনুমান হয় বিদেশী বস্তুৰ হাট বজাৰত উজনি অসমৰ ডিব্ৰুগড় আগৰণুৱা হ’ল বোধ কৰোঁ বৰনৈয়েদি যাতায়তৰ সুবিধাৰ বাবে।

১৮৫২ চনত শিৱসাগৰ জিলালৈ বঙালৰপৰা

জোতা, ১৫০ টকা দামৰ ১৫০খন আচী আৰু ১৮০০ টকাৰ কেলিকৰ কাপোৰ, ৰেচম আদি আহিছিল। আগেয়ে এন্ধাৰত বিহুতলিলৈ বাট দেখা ডেকাক এতিয়া হাৰিকেন লেম্প লগা হ’ল। ‘লেম্প বাতি লগাই লৈ ৰাতি বিহু চাবলৈ গ’ল” ডেকা গাভৰুহঁত বিহু মাৰিবলৈ গ’লেও আগৰ ঠেৰেজু বৰহমথুৰিত তেওঁলোকৰ লাহ নাহে। ৰেচমৰ ৰুমালত চফ, লং বান্ধি নিবলৈ শিকিলে। গাভৰুৱে ডেকাক থুৰিয়া তামোল দিলেও ‘তাৰ মাজত দিছিলা লং’ ১৮৫২ চনত হেনো শিৱসাগৰ জিলালৈ ২১৪১ টকা মূল্যৰ ১৬৫৩/৪ মোন নানা ৰকমৰ মছলা আমদানি হৈছিল।

বাহিৰৰ পৰা অকল এইবোৰ লাহ বিলাসৰ সামগ্ৰীয়েই আহিছিল এনে নহয়। অসমীয়া জাতিৰ জাতীয় জীৱনৰ পানী খোৱা পুখুৰীত বিহ ঢালিবৰো লগে লগে দিহা হৈছিল। উপৰোক্ত বছৰত বঙালৰ পৰা ২৪০০০ টকা মূল্যৰ ৬০ মোন আবকাৰী কানি আৰু নামনি অসমৰ পৰা ১৬০০০ টকা মূল্যৰ ৪৫ মোন কানি চালান হৈছিল অকল শিৱসাগৰ জিলালৈকে। মণিৰাম দেৱান আৰু আনন্দৰাম ফুকন আদিয়ে আঙুলিয়াই দেখুৱাই দিয়াতো আৰু বিদেশী চৰকাৰে নিজে বুজিও টকাৰ লোভত দেশৰ পৰা কানি গুচাবৰ হকে একো নকৰিলে। ১৮২৬ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম দেশ মানৰ পৰা লোৱাৰ পিছত ১৮৩৮ চনত পুৰন্দৰ সিংহক লক্ষীমপুৰ আৰু শিৱসাগৰ জিলা বছৰি আধাকোটি টকাত লালবন্দীকৈ দিয়ে। কিন্তু অতি সোনকালেই তেওঁৰ হাতৰ পৰা ছাহাবসকলে দেশ কাঢ়িলৈ কেপ্তেইন ব্ৰডি ছাহাবক গতাই দিয়ে। ব্ৰডিয়ে অখণ্ড প্ৰতাপেৰে শাসন কৰিছিল। তেওঁক শিৱসাগৰীয়া ৰাইজে ‘বৰতি ছাহব’ বুলিহে আজিও সোঁৱৰে।

সেইদৰে কেপ্তেইন নিউভিল আৰু হলৰয়েডক অসমীয়া মানুহে ‘নবীন’ আৰু ‘হাওলাট’ ছাহাব বুলিহে চিনি পাইছিল। নিউভিলক কাশীনাথ তামুলী ফুকনে ‘নুৎবিন’ আৰু মণিৰাম দেৱানে ‘নবীন’ কৰিহে লিখিছিল।

মণিৰাম পিয়লিক ফাঁচী দিয়াত দেশ জুৰি যি অসন্তোষৰ উদ্ৰেক হৈছিল,তাৰবাহিৰে বনগীত বা লোকগীতত চাহাবসকলৰ শাসনৰ সমালোচনা পাবলৈ আশা কৰা ভুল হ’ব। সচাঁকৈয়ে ক’বলৈ হ’লে মণিৰামৰ দৰে বৃটিছক সমালোচনা কৰি বৃটিছ চাহাবৰ দাঁতৰ শূল চকুৰ কূটা হ’বলৈ মিলছৰ নিচিনা লোকৰ পৰা ‘ধূৰ্ত আৰু অজ্ঞাতী’ বিশেষণ পাবলৈ কেইজনেই বা ওলাই আহিব? গাৱঁলীয়া ডেকা গাভৰুৰ কাৰণে এনেবোৰতো অসম্ভৱ কথা হ’বই। নতুন আমোলত যিবোৰ পৰিৱৰ্ত্তন ঘটিছিল, সিহঁতৰ জীৱনত দূৰৈপৰা তাৰ চিটিকনি এটা পৰিছিল মাত্ৰ। সিহঁত তাতেই সন্তুষ্ট। বনগীত গোৱা দলে এই নতুন জগতখনৰ দুই এটা উপমা নি গীতত অলঙ্কাৰ খুৱাইছিল পুৰণি ঘৰুৱা উপমাৰ লগতে। ১৮৪৭ চনত পোনতে কলিকতা আৰু গুৱাহাটীৰ মাজত ভাপ জাহাজ চলে। পিছত ডিব্ৰুগড়লৈকে এই জাহাজ অহা যোৱা কৰে। গঙ্গা চিলনী, ‘বগী তৰা’ আদি জাহাজে মাজুলি চাপৰিৰ ৰোমাণ্টিক পৰিৱেশত, লুইতৰ বালি আৰু বুকুত উখল মাখল লগালে, যেনেকৈ-বয়ঃসন্ধিৰ সময়ত গাভৰুৰ দেহত যৌৱনে বিদ্ৰোহ জগাই তোলে। কোম্পানীৰ জাহাজৰো নিজা ৰ’মাণ্টিক সৌন্দৰ্য্য নাই, এনে নহয়। সিও বৰনৈৰ বুকু ফালি ‘দূৰসংস্থ’ প্ৰিয়জনৰ বাতৰি আদি যোগায়হি,-

“উজায়ে আহিলে কোম্পানীৰ জাহাজ

অকল এয়ে নহয়, কোম্পানীৰ দিনৰ যান-বাহনে প্ৰেমিক-প্ৰেমিকাৰ দৃষ্টি প্ৰসাৰিত কৰি তোলে। আগেয়ে যদি প্ৰেমিকে ব্যৰ্থ মনোৰথলৈ "মতা ম'হ বেচি" লাখুটি ধোঁৱাচাঙত তুলি নগাৰ চাঙত গৈ ওলোৱাৰ কথা পাঙিছিল, এতিয়া আৰু তেনে নকৰি অলপ দূৰলৈ যাবলৈ মন মেলা হ'ল-

"ভাটীলৈ ভটীয়াই যামে ঐ লাহৰী
নেথাকোঁ কোম্পানীৰ দেশত।"

মণিৰাম দেৱানে ঘনকান্তসিংহ যুৱৰাজৰহৈ এখন সুদীৰ্ঘ পত্ৰ মিলছ্ ছাহাবৰ ওচৰত দাখিল কৰিছিল। তাত তেওঁ বৃটিছ আমোলৰ পৰা হোৱা সুফলবোৰৰ ভিতৰত নিয়মীয়া ডাক চলাচল সেৱাটোও এটা বুলি ধৰিছে। বৃটিছৰ এই প্ৰসাদৰ ভাগ প্ৰেমিক প্ৰেমিকাসকলেও বোধ কৰোঁ নোলোৱাকৈ নাথাকিল।

১৮২৩ চনতেই ৰবাৰ্ট ব্ৰুচ্ নামে এজন চাহাবে শদিয়া অঞ্চলত বনৰীয়া চাহ আবিষ্কাৰ কৰে। অসম চাহ খেতিৰ কাৰণে সাৰুৱা ঠাই বুলি জানি কিছুমান চাহাবে গোট খাই ১৮৩৯ চনত অসম টি কোম্পানী গঠন কৰে। নাজিৰাত কোম্পানীৰ ঘাই দপ্তৰ বহে। চমুৱা আদি ঠাইত কোম্পানীয়ে গৱেষণা চলায়। মিল্‌ছে ৰিপৰ্ট লিখিবৰ সময়ত শিৱসাগৰ জিলাত কোম্পানীৰ বাহিৰেও তিনিখন চাহ বাগিছা আছিল, দুখন মণিৰাম দেৱানৰ "সোণৰূপৰ বাগিছা" এখন মিঃ মৰ্ণে চাহাবৰ নেঘেৰেটিং বাগিছা। মণিৰাম অসম কোম্পানীৰ কিছুদিন দেৱান আছিল। মিল্‌ছে লিখিছে কোম্পানীৰ তলত ৩,০০০ মানুহে কাম কৰিছিল। তাৰ ভিতৰত এক তৃতীয়াংশহে শিৱসাগৰ জিলাৰ মানুহ, বাকীবোৰ দৰঙৰ কছাৰী লোক বা বঙালী। কালক্ৰমত অসম চাহ বাগিছাৰে ঢাক খাই পৰিল। লগে লগে গাঁও ভূঁইৰ পৰা অনেক ডেকাক কেৰাণী মহৰী কামত সামৰিবলৈ ধৰিলে। বিশেষকৈ যি সকল ডেকাই দুখীয়া অৱস্থাৰ কাৰণে প্ৰেয়সীৰ পিতাকৰ চকুত অপাত্ৰ পৰিগণিত হৈছিল, তেওঁলোকে বাগিচালৈ বাট ধৰিছিল।

"কেৰাণী নহ'লো মহৰী নহ'লো
তোমাক কেনে কৰি পাম?"

তাতে আকৌ সমাজত ছোৱালীৰ বাপেকে দৰাৰপৰা ধন লোৱা প্ৰথা সঞ্চিত ব্যাধিৰ দৰেই বহুত দিনৰেপৰা চলি আহিছে।

বাগিচাৰ বাহিৰেও প্ৰেমিকাহঁতৰ বুকুৰ পৰা প্ৰেমিকহঁতক কাঢ়ি নিবলৈ ওলাল চৰকাৰী চাকৰীয়ে। সেয়েহে গাভৰুৱে বেজাৰৰ হুমুনিয়াহ কাঢ়ি গায়-

"শোৱা পাটী এৰি দুটি চকু মোহাৰি
খালাকি নেখালা ভাত
চৰকাৰী কামলৈ ঢাপলি মেলিলা,
লগাই থৈ নগ'লা মাত॥"

প্ৰেম-পিৰীতিৰ চাকি গছি নহ'লে বিৰহ মধুৰ দিনেই নিশা যেন লাগে। কালিন্দী ৰাতিয়ে মৰ আঁউসীতকৈও ঘোপমৰা যেন লাগিবৰে কথা। 'উপায়'? প্ৰেমিকাই ইয়াৰ অতি সহজ উপায় উদ্ভাৱন কৰিছে।

"চৰকাৰী চাকৰী নেলাগে মইনা,
নেলাগে লাতকৰ ধন।"

এইদৰে পদে পদে অসমীয়া জীৱনৰ ভাৱৰ সলনি ঘটিবলৈ ধৰিলে। নতুন ৰীতি-নীতিয়ে বনগীত বা আন লোক কবিতাতো নিজৰ ভাষা বিচাৰি উলিয়ালে।□□

# THE SHADOW

Deepanjali Gogoi
Lecturer Dept. English

Some where deep in the recesses of my brain a light exploded. Various images drifted before my mind's eye some vague and blurred, some clear and pointed. To add to this confusion voices kept echoing in my ears. Various sounds fused together the ringing of bells, the blowing of a conch, screams of joy peals of laughter and then......

"Relax Mute" said a southing voice instanly easing as any my building tension. With a great effort I freed my eyes open to see a smiling face peering down at me. Instin ctively I pulled up the white sheet and recoverd myself slowly I dared to look around the room and saw virgnal white walls staring back at me. The stark nakedness of the room hit me hard and unknowingly I mouthed the words, "Where am I?" "In a hospital" came the reply. As those words slowly sank in I tried hard to remember my immediate past but came up against a blank wall.

My head was throbbing and a dull pain enveloped me. A sense of loneliness engulfed me and I tried to connect the disjointed events inside my

People were enjoying themselves. Dancing and merriment continued the wec house of the morning. But yes, something was amiss. As my brain cells strained to connect the various events the dull pain returned and with a jolt I returned to the present.

The soothing voice of the doctor briefed me up about the accident I had met with. I had been found lying in a semi concious and delirious state in the Bombay Pune highway. My car- a Matiz had been crushed into a pulp and the import had thrown me quite a distance from the crash site. Yet I was miraculously alive and almost unscatted except a flew minor cuts bruises fractures and certain blanks in my memory.
The next couple of days amidst pils, injections, various test, X rays, cat-scan and the like, I tried to fill up the blanks. Sudden flashes of memory and huge gaping Tigsaw puzzle started falling into place.

Ours was a nuclear family based in Bombay. My parents and myself- that was if. I was an only child born after fourteen years of my parent's marriage. The apple of their eye, the centre of at-

Academically I was successful and armed with various degrees. I took up a job with a multi national company. Life surely was a dream and to make it even more so I also met the man of my dreams he was perting perfect loving carning and always there when I necded him I felt perfectly at home with him. Yet..... There was something about his eyes that drew me toward him. They engulfed me in a whirlpool of emotions but at the end that strange and unsatiable/ oneliness....

My admiration, my belief in him was so complete, I never found it necessary to question his antecedents or enquire about his family and friends. I had met him at the stroke of mid night at a friends party. Our affair flourished and with my parent's consent we decided to culminate it in the eternal bond-marriage. My parents never questioned my choice to the extent that they gave their consent without even meeting him in person.

The D-day arrived. I was radiant and resplendent in a work. Peals of laughter filled the marriage hall and drinking and merriment continued. Every one was awaiting the groom's arrival. The seconds and minutes kept ticking the hours kept passing the wait seemed ever-lasting. The tension browed, the laughter ceased the incessant chattering turned into urgent whispers and my mind drifted from it all into the open arms of my cover.

I knew he was there a strong presence unseen to all but felt by me. In the well hours of the morning the last of the guest tricked away one by one the groom never did arrive.
Shattered, I walked in a trance like state to my room. I slumped down on my bed. I sat on something hard and unknowingly I picked it up and tore away the old and warn newspaper in which it was wrapped. I was about to crumple the newspaper when the familiar face staring at me slopped me dead in my tracks. There was Milind- my dream man. Curious my eyes took in the lines below the picture " Mikind Jain" (1958-1988)....." The rest of the lines baded qway as realisation dawned on me- I was in love with a shadow.

What followed seemed a blur. See I remembered was dashing out to the garage and driving away in my Matiz. Milind was awaiting my arrival on the the other side of the line. And then a light exploded and then overwhelming darkness.... ##





# মিচিং সমাজৰ পঃৰাগ উৎসৱ

ৰনোজ টায়ে
স্নাতক প্ৰথম বৰ্ষ

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য অসমৰ অধিবাসী সকলৰ ভিতৰত মিচিং জনজাতিও এক সুকীয়া জনগোষ্ঠী। মিচিং জনজাতিৰ “পঃৰাগ” এক গুৰুত্বপূৰ্ণ উৎসৱ ইয়াক মৃম্বৰ যাঃ মেৰ (ডেকা,গাভৰু) দ্বাৰা পৰিচালনা কৰা হয়। এই উৎসৱ সাধাৰণতে খেতি চপোৱাৰ পাছত অনুষ্ঠিত কৰা হয়। কিছুমানে এই উৎসৱক “নৰাছিগা বিহু” বুলিও কব খোজে। এই উৎসৱ দতাঁল গাহৰি, আপং আদিৰে উৎসৰ্গা কৰি আই বসুমতী অন্নদাতা পৰম পুৰুষ কাচিং কাৰ্তাং, দঃ ঞিও পঃল, চেঃ দৃ মেঃ ল আদি সৃষ্টিকৰ্তাসকলক আৰাধনা কৰে। “আই বসুন্ধৰা শস্য শ্যামলা হৈ ভৰি পৰক, চহা ৰাইজে সুখেৰে দিন নিয়াওক” এইয়াই এই উৎসৱৰ প্ৰাথমিক উদ্দেশ্য।

এই উৎসৱ সুচাৰুৰূপে আৰু শৃঙ্খলাৰে পৰিচালনা কৰিবলৈ “ মৃম্বৰ য়াঃ মে ৰ (ডেকা গাভৰুৰ) এটি সমিতি সামূহিকভাবে গঠন কৰা হয়। ইয়াৰ সামূহিক ব্যৱস্থা সম্পূৰ্ণ গণতান্ত্ৰিক ভিত্তিত কৰাৰ উপৰিও কাৰ্যপালিকাজনো নিৰ্বাচিত কৰা হয়। মিচি পঃ ৰাগা’ৰ বিষয় ববীয়াসকলৰ উপাধিবিলাক প্ৰায়েই আহোম ৰজাই ‘অসম শাসন কৰা সময়ৰ পৰা সোমাই পৰিল। ডেকা সকলক পৰিচালনা কৰিবৰ বাবে “ডেকা বৰা” আৰু গাভৰু পৰিচালনাৰ ভাৰ ‘তিৰী বৰা’ ৰ ওপৰত দিয়া হয়।

এই উৎসৱ পালন কৰিবলৈ এখন নিৰ্দিষ্ট বুধবাৰে আৰম্ভ হয় আৰু শুক্ৰবাৰে শেষ কৰা হয়। অৱশ্যে কিছুমান ডাঙৰ গাওঁবোৰত পাঁচদিন পৰ্য্যন্ত পালন কৰা হয়।

পঃৰাগ উৎসৱৰ প্ৰথম দিনা ডেকা বৰা আৰু তিৰী বৰাক মুৰং ঘৰলৈ আদৰি আনে সেই নিশা সামাজিক ব্যৱস্থানুযায়ী ডেকা বৰা আৰু তিৰীবৰা আপং দিয়া নিয়ম আছে। ইয়াৰে অতি আৱম্বৰে “উই ৰীঙাম” লৈ (দেৱতা সকললৈ) স্তুতি কৰে।

দ্বিতীয়দিনা অতিথিসকলক সন্মানেৰে আদৰি আনি মুৰুং ঘৰত বহুৱায়। সেইদিনা বেচ ভালদৰে খোৱাই বোৱাই আৰু আবেলি অতিথিসকলক বিদায় দিয়ে। তৃতীয়দিনা গাঁৱৰ ৰাইজৰ মাজত খোৱা বোৱা হয়। যি গাঁৱত এই উৎসৱ পালন কৰে এই গাঁৱৰ পৰা বিয়া হোৱা জীয়াৰীসকলক প্ৰায় দুই তিনি সপ্তাহৰ আগৰেপৰাই নিমন্ত্ৰণ জনোৱা হয়। এই বিলাকৰ প্ৰতি গৰাকীয়েই নিজৰ গিৰীয়েকৰ সৈতে আপঙৰ টোপোলা অনাৰ বাহিৰেও অন্ততঃ দুজনী গাভৰু ছোৱালী আৰু দুজন ডেকা লগত অনাটো নিয়ম।

পঃৰাগ উৎসৱ পাতিবৰ মানসে মৃম্বৰ য়াঃ মে যেতিয়া অনুষ্ঠান গঠন কৰা হয় তেতিয়া কোনো মাক-বাপেকে গাভৰু ছোৱালীক বিয়া দিব নোৱাৰে। জৰুৰী সমস্যাত পৰি কেনেবাকৈ বিয়া দিবলগীয়া হ’লেও অনুষ্ঠানৰ পৰামৰ্শ প্ৰথমে লোৱাৰ প্ৰয়োজন। কিয়নো বিয়াৰ প্ৰায়বিলাক কাম “মৃম্বৰ য়াঃ মে’ৰ

কাললৈ স্থগিত ৰাখিব পাৰে। যদিহে এজনী ছোৱালী সেই সময়ত গান্ধৰ্ব প্ৰথাৰে বৈবাহিক সূত্ৰত আৱদ্ধ হয়, তেতিয়া পাছত এনে উৎসৱত অথবা মাকৰ ঘৰলৈ ঘূৰি আহোঁতে ইচ্ছামতে দণ্ড বিহিব পাৰে। এনেকুৱা কাৰ্য্য কৰা মানে পঃৰাগৰ বিষয়ববীয়াক অপমান কৰা বুলি বিবেচিত হয়।

পঃৰাগ কেইদিনৰ দিনৰ ভাগত বিভিন্ন ধৰণৰ বিহু হয় আৰু আবেলি 'খিবু'ৰ (দেউধাই) দ্বাৰা পৰিচালিত পূজা পাতল, তাৰ অনষাঙ্গিক ৰীতি-নীতি আৰু 'খিবু আঃ বাঙৰ' (পুৰোহিতৰ বাণী) জৰিয়তে প্ৰকাশ পোৱা সৃষ্টি পাতনিৰ আখ্যান আৰু বিশ্বাস আদিৰ কথা বুজাই দিয়া হয়। মিচিং সকলৰ মতে 'চেঃ ছ' 'মেঃ ল' ই প্ৰথম মানুহৰ সৃষ্টি কৰ্তা। এই কাৰণে চেঃছ-মেঃল'ৰ নামগুণ বিভিন্ন ৰাজহুৱা পূজা উৎসৱ আদিত শ্ৰদ্ধা আৰু ভক্তিৰে উল্লেখ কৰে। নিশাৰ উৎসৱত 'খিবু'ৰ (দেউধাই) প্ৰতিনিধিত্বও মৃম্বৰ যাঃ মে সকলোৱে মিলি শাৰি পাতি হাতত ধৰা-ধৰি কৰি নৃত্য গীত পৰিদৰ্শন কৰে। তেতিয়া ৰং বিৰংৰ ফুলাম ৰিহা মেখেলা 'ৰিবি গাচেঙ' 'গনৰ উগন্' 'গাপা গাৰে' ইত্যাদি নিজৰ জাতিয় সাজ-পোছাক পিন্ধে। বিহু যদিও মৃম্বৰ যাঃ মেৰ দ্বাৰা পৰিচালিত তথাপিও ল'ৰা-ছোৱালী. ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে অংশ গ্ৰহণ কৰে। ইয়াত কোনো ভেদাভেদ জ্ঞান অথবা ধনী-দুখীয়াৰ প্ৰভেদ নাথাকে। ধনী-দুখীয়া নিৰ্বিশেষে সমানে উৎসৱত অংশ গ্ৰহণ কৰে আৰু অবাধে 'মুৰং' ঘৰলৈ অহা যোৱা কৰিব পাৰে।

পঃৰাগ উৎসৱত সাংস্কৃতিক নৃত্য গীতৰ পৰিবেশ বেছিকৈ পৰিলক্ষিত হয়। কৃষিজীৱি মিচিং জাতিৰ একালত কৃষিয়েই আছিল প্ৰাণ। পাহাৰৰ পকাধান মুঠিও ভঁৰালত জমা ৰখাৰ অন্তত কৰ্ম ক্লান্ত পঃৰাগৰ সৃষ্টি বুলিব পাৰি। এই কাৰণে পঃ ৰাগৰ তাৎপৰ্য বৰ গভীৰ। ৰজনীকান্ত বৰদলৈ দেৱে "মিৰি জীয়ৰী" ও "নৰাছিগা" বিহু সম্বন্ধে এঠাইত প্ৰশংসা আৰু সহানুভূতিৰ সুৰত মন্তব্য কৰিছে। 'মোৰ আজলি মিৰি জীয়ৰি' য়ে আজি কালি নব্য ধৰণৰে বঙলা গান গাবলৈ নিশিকিলে দুখ লাগিলে তাই আধা ভঙা অসমীয়া মাতেৰেহে মাথোন সামান্য সামান্য বিহুগান গাব জানে"। বৰদলৈ দেৱৰ এই মন্তব্য প্ৰায় সত্য। কিন্তু অকল অসমীয়া বিহু গীততহে গায় বুলি ক'লেও ভুল হ'ব কাৰণ ৰাজহুৱা অনুষ্ঠান বিলাকত নিজা দোৱানৰ অই নিঃতমও গাইছিল।

পঃ ৰাগ উৎসৱ অসমৰ কৃষ্টি-সংস্কৃতিৰে সুঁতি। প্ৰচীন অন্ধ বিশ্বাসত সময়ৰ সুঁতে উটোৱাই নিলেও মিচিং সমাজৰ জাতীয় কৃষ্টিৰ মৌলিকতাক উটোৱাই নিব নোৱাৰে বুলি আমাৰ বিশ্বাস। জনজাতিৰ এনে সংস্কৃতিক শাখা প্ৰশাখাৰ সুঁতিৰ সমষ্টিয়ে হ'ল সমগ্ৰ বাবে বৰণীয়া অসমৰ সংস্কৃতিৰ বৰসুঁতি স্বৰূপ।□□

বিঃ দ্ৰঃ প্ৰবন্ধটোত ব্যৱহৃত মিচিং শব্দবোৰ অৰ্থ এনেধৰণৰ

কাচিং কাৰ্তাং - বিজুলী বজ্ৰপাতৰ গৰাকী

দঃঞি পঃ ল - সূৰ্য্য-চন্দ্ৰ

চেঃছ মেঃল - আদিম পুৰুষ প্ৰকৃতি

আপং - ভাতৰ পৰা তৈয়াৰ কৰা এবিধ মদ

ৰিবি গাছেঙ - চাদৰ কাপোৰ

গনৰ উগন্ - ধুতি



# সেই ৰঙীন দিনবোৰ

বিজয়লক্ষ্মী গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)



প্ৰতিটো বস্তু শৃংখলহীন ভাৱে সিচঁৰিত। চাৰিওফালে ৰং-বিৰংৰ পোষ্টাৰ ৰাজহুৱা কিন্তু ব্যক্তিগত দাবীৰে সংগ্ৰহ কৰি থোৱা কিতাপ-পত্ৰ সৰু সৰু বস্তুৰ পৰা ডাঙৰ ডাঙৰ কিতাপ গীতাৰ আদিলৈকে থকা এটা সুন্দৰ ৰঙীন জীৱন। য'ত কোনো বাধ্য বাধকতা নাই। স্কুলীয়া জীৱনৰ দৰেই মা-দেউতাৰ ৰঙা-চকুৰ পৰা বহু দূৰৈত, এটা মুকলি মুৰীয়া জীৱন। এনে এটা পৰিবেশ য'ত কোনো দুখ-বেদনাও স্থান নাই। বিভিন্ন ঠাইৰ পৰা অহা বিভিন্ন প্ৰকৃতিৰ একোজনকৈ চফল ডেকাৰে গঠিত এক বৃহৎ পৰিয়াল।

নিজে নিজকে পৰিচালনা কৰিব পৰা জীৱনৰ সুখেই সুকীয়া। সঁচাকৈ হোষ্টেলীয়া জীৱনটোতেই যেন আমিবোৰে গোটেই জীৱনটোৰ মাদকতা লাভ কৰো। দোক-মোকালিতে উঠি গা-পা ধুই কলেজলৈ বুলি সাজু হোৱা জোন দা, দীপ দা হঁতৰ বাবেও কোনো

ৰাতিপুৱা উঠি হোষ্টেলৰ বাৰাণ্ডাত বৈ টিউচন কৰা ধুনীয়া ছোৱালী কেইজনীক জোকোৱা, কলেজ আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে হোষ্টেলৰ আগফালৰ ৰাস্তাইদি অহা যোৱা কৰা ছোৱালী বিলাকক ব্যতিব্যস্ত কৰি তুলিবলৈ কাৰো অনুমতিৰ প্ৰয়োজন নাই। আমাক আনন্দিত কৰা পন্থাই কাৰোবাক মানসীক ভাৱে আঘাত কৰে নেকি তাক চিন্তা কৰাৰ অৱকাশ আমাৰ নাথাকে। মুঠতে প্ৰতিটো মূহুৰ্ত্ত হাঁহিময় হোৱাটোৱেই আমাৰ কাম্য। এজনৰ ওপৰত আনএজনৰ অধিকাৰে আমাৰ হোষ্টেলীয়া জীৱনটোৰ দিনবোৰ পাৰ হয়।

কোনোবাই হোষ্টেলত বেছিকৈ পঢ়া-শুনা কৰিলে তেওঁৰ পঢ়া টেবুলৰ ওচৰলৈ গৈ সেইজনকো আমাৰ ফুফুচিয়া মেললৈ টানি অনাটো আমাৰ দৈনিদন কাম্য। আবেলি সময়ত ক্ৰিকেট, ভলী, কেৰম আদিত ব্যস্ত হৈ ভাৱ খেলা জনক ডাউন দিয়া বেয়াখেলাজনক উচতুৱা সেইটো আমাৰ এটা ভাল

কথা যদি দীপ দা, দেবজিৎ দা হঁতে চিন্তা কৰি থাকে তেন্তে সেই গুৰুত্বপূৰ্ণ সমস্যাটোৰ বাবে গধূলিৰ সমূহীয়া খোৱা মেজত আলোচনা কৰা আমাৰ একো একোটা কৰ্তব্য। সদায় গধূলি খোৱা টেবুলত ডাঙৰ মাছটোকোৰাৰ বাবে খোৱা কামোৰা, সৰহকৈ থকা মাংসৰ বাটিটোৰ বাবে অন্য সকলৰ টেলেকা-টেলেক চকুক উপেক্ষা কৰি তৃপ্তিৰে খোৱাটো আমাৰ যেন একো একোটা প্ৰতিভা। বেছিকৈ হুলস্থূল কৰি চুপাৰ ছাৰ অহাৰ উমান পাই নিজৰ নিজৰ পঢ়া টেবুলত ভদ্ৰভাৱে বহি থকাটোও। কোনে কিমান নিখুঁট অভিনয় কৰিব পাৰিলে তাৰেই সৰহ আলোচনা হোষ্টেল বাসিন্দাসকলৰ ৰোটিনৰ ভিতৰত। দিনটোৰ কাৰ্য্যৰ ভিতৰত আনে নজনাকৈ কোনে কিমান অবৈধ কাম কৰিব পাৰিলে তাৰ হিচাব দেখুৱাই আন দহজনৰ বাহঃ বাঃ লোৱাটো আমাৰ হোষ্টেল বাসিন্দাসকলৰ ৰোটিনৰ ভিতৰত। হোষ্টেলৰ কাৰোবাৰ যদি কোনোবা দিনা প্ৰিয়জনৰ লগত ডেটিং থাকে সেইজনক ৰাতিপুৱাৰে পৰা বিভিন্নজনৰ সহায়ত ভাল দৰে সজাই পৰাই পঠিয়াই গধূলি উভটি অহাৰ পাছত দিনটোৰ কামৰ বক্তৃতাক বাহঃ বাঃ দি পাৰিলে পাৰ্টিৰ নামত কিবা এটা উলিয়াবলৈ আমিবোৰে পাৰ্য্যমানে চেষ্টা কৰো। কেতিয়াবা কাৰোবাৰ ঘৰৰ পৰা ভিজিটৰ অহাৰ কথা থাকিলে ৰাতিপুৱাই উঠি নিজৰ ঠাই টুকুৰা ভালদৰে চাফ-চিকুঁন কৰি ' ছাত্ৰা নং অধ্যয়নং তপঃ' কথাষাৰ সাৰোগত কৰি পঢ়া টেবুলত ভাল ল'ৰাটো হৈ বহি থাকিব পৰা অভিনয় ক্ষমতা আমাৰ সকলোৰে নিখুঁত। ভিজিটৰ জনৰ লগত বিৰক্তিৰে দুই এষাৰ কথা পাতি যিমান সোনকালে পাৰি বিদায় দি ঘৰৰ পৰা ল'ৰা জনলৈ বুলি অনা খোৱা বস্তু সেইজনক নিদি আন বোৰৰ মাজত বিলাই দিয়াটোৱেই যেন আমাৰ কৰ্তব্য। আমাৰ সকলোৰে বাবে এই হোষ্টেলীয়া জীৱনটো


চুপাৰ ছাৰৰ বিনা অনুমতিত যাব পৰাটোযেন এটা গৌৰৱৰ কাম। হোষ্টেলৰ সকলো মিলি কৰবালৈ গ'লে অকলে হোষ্টেলত থকা জনে বিশেষ অধিকাৰ থকা বুলি নিজে নিজে ভাবি লৈ অঘোষিত এক মইৰৰ ভাৱত গৰ্বিত হৈ পৰাটো অন্যৰ বাবেও যেন এক আদৰ্শ স্বৰূপ। কেতিয়াবা বিনা কাৰণত কৰা তৰ্কাতৰ্কিয়ে কাজিয়াৰ চূড়ান্ত ৰূপ ল'লেও অন্য সকলৰ প্ৰচেষ্টাত সি খন্তেকতে মিট্-মাট হয়। নাথাকে কাৰো মনত প্ৰতিশোধমূলক স্পৃহা। নিৰ্দোষ হাঁহি ধেমালিৰে প্ৰতিটো দিন ৰাতি শেষ হয়। প্ৰতি দিনৰ হাঁহি ধেমালিৰ মাজতো থাকে প্ৰত্যেকৰে নিজৰ জীৱন গঢ়াৰ বক্তব্য, জীৱন গঢ়াৰ লক্ষ্য।

প্ৰত্যেজনেই হোষ্টেললৈ আহে মনত একো একোটা ৰঙীন সপোন লৈ যি বাস্তৱত পৰিণত কৰা কাৰোবাৰ বাবে সম্ভৱ, কাৰোবাৰ বাবে কেতিয়াবা অসম্ভৱ হৈ পৰে। জীৱনৰ সকলো মাদকতা উপভোগ কৰাৰ ক্ষেত্ৰ এই হোষ্টেলীয়া জীৱন হ'লেও, এই জীৱনেই নিৰ্দ্ধাৰণ কৰে একো একোজনৰ জীৱনৰ ৰেখা। নিজকে নিজে সুপৰিচালনা কৰা, নিজৰ জীৱন সুঁতি নিৰ্দিষ্ট ঠাইলৈ গতি লগোৱাৰ সময় এইয়া। এই বৃহৎ সুখী পৰিয়ালটোৰ পৰা সময়ৰ আহ্বানত গৰ্বেৰে আঁতৰি নিজৰ নিৰ্দ্দিষ্ট লক্ষ্যলৈ ধাবমান হোৱাটো এই সময়কণ প্ৰয়োগ কৰাৰ ওপৰতে নিৰ্ভৰ কৰে। গতিকে পাহৰণিৰ গৰ্ভত কেতিয়াও হেৰাই নোযোৱা এই জীৱনটোৰ সহায়ত একো একোজনৰ জীৱনৰ গতিক সু-নিৰ্দ্দিষ্ট কৰা আমাৰ হোষ্টেল বাসিন্দা সকলৰ কৰ্তব্য। জীৱন গঢ়াৰ ক্ষেত্ৰত হোষ্টেলৰ দৰে এক ৰঙীন আধাৰক আমি সু-ব্যৱহাৰ কৰা উচিত। আমি সকলোৱে চেষ্টা কৰা উচিত যে আমাৰ হাঁহিবোৰ যাতে আমি অকল হোষ্টেলতে এৰি যাব লগা নহয়।□□



# পৰাণলৈ এখন চিঠি

নিৰঞ্জন শইকীয়া
স্নাতক প্ৰথম বৰ্ষ (অৰ্থনীতি বিভাগ)



পৰাণ ,

বহুদিন বিৰতিৰ মুৰত তোমালৈ একলম তুলি লৈছো। ঠিক কব পৰা নাই ক'ৰ পৰা আৰম্ভ কৰোঁ শব্দবোৰ ? ক'ৰ পৰা কওঁ কথাবোৰ ? চন - তাৰিখ - বছৰ - কিমান যে সময় পাৰ হৈ গ'ল ? একোকে মনত নাই আজি ? ডায়েৰীৰ পৃষ্ঠাত বন্দী শব্দবোৰ হাতত লবলৈ মনৰ শক্তিতো নাই দেহতো শক্তি নাই। হাতৰ মুঠিবোৰ দুৰ্বলৰ পৰা দুৰ্বলতৰ হৈ পৰিছে পৰাণ ---। তুমি জানানে পৰাণ --? খোজ কঢ়াৰ শকতিও মই হেৰুৱাই পেলাইছো ----- যেন অলপদিনৰ আগতে তুমি দেখা প্ৰাণচঞ্চল কিশোৰীজনী আজিয়েই ৮০ বছৰীয়া বৃদ্ধা হৈ গ'লো ------ এয়া সময়। মোৰ বাবে একপ্ৰকাৰ দুঃসময় ??

পৰাণ ! এয়া তোমাৰ সুদীৰ্ঘ দিনৰ সৃষ্টিশীল ক্ষমতাক। জানো, এয়া তোমালোকে সহজভাৱে লব নোৱাৰা। মোৰ শুভাকাঙ্খী হিচাপে সকলোবোৰ জনাৰ অধিকাৰ একমাত্ৰ তোমাৰেই আছেপৰাণ, সেয়া মই অকপটে স্বীকাৰ কৰো । সেয়ে তোমালৈ মোৰ নিৰ্বাক দুটি পলৰ কিঞ্চিত অনুভৱ দিলো ------- কেৱল প্ৰয়োজনৰ তাগিদাত নহয়, অযুত ভালপোৱা আৰু সেউজ বন্ধুত্বৰ তাগিদাত -------

পৰাণ, জীৱনৰ সকলোবোৰ কথা, সকলোবোৰ অনুভৱ কেৱল মাত্ৰ প্ৰয়োজনৰ মাপকাঠিৰেই বিচাৰ কৰা হয়নে ? এটা নিৰ্দিষ্ট সময়ৰ বিচিত্ৰ আৰু আশ্চৰ্যকৰ অনুভৱে আনি দিয়া প্ৰাণচঞ্চলতাৰ বিপৰীতে আন এক সময়ত সেই একে

প্ৰয়োজনীয়তাবোৰ তেন্তে ক'ৰ পৰা সৃষ্টি হয় ? সকলো আশা-অকাংক্ষা, সপোন কেতিয়াবা ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ যোৱাৰ পাছতো মানুহে জীয়াই ৰাখে নিজকে -- ------ কিমান ভাল পাই 'নিজক'। আপোন অস্তিত্বৰ উপলদ্ধিয়ে মানুহক জীয়াই থাকিবলৈ প্ৰলুব্ধ কৰে। কিন্তু সপোন দেখে মানুহে -------- মাথো সপোনেই দেখে। যেনেদৰে সপোন দেখা তুমি --- ----- সপোন দেখো মই ।

পৰাণ এই যে, তুমি মই সকলোৱে সপোনবোৰ দেখো আচলতে এইবোৰ আমাৰ প্ৰাপ্য অংশীদাৰনে ? আমি সকলোৱে বিচৰাধৰণে সপোনৰ ফলাফল পাওঁনে ? নিশ্চয় নাপাওঁ । কিন্তু এইবোৰ কাৰণতেই মোৰ মৌনতা নেকি ? মোৰ সৃষ্টিৰ নিৰৱতা নেকি ? অন্ততঃ তুমি তেনেকৈ ভাবিব পাৰা ? প্ৰকৃততে নহয়। মোৰ মৌনতাৰ, মোৰ নিৰৱতাৰ জীৱনৰ অন্য এক অধ্যায়। সেই অধ্যায়ৰেই দুখিলামান পৃষ্ঠা আজি উপহাৰ দিম বুলি ভাবিছো তোমাক --- --- এটা মধ্যবিত্ত পৰিয়ালত জন্ম লৈছিলো মই। আন বহুজনী ছোৱালীৰ দৰে মোৰো জীৱন যাত্ৰাত আছিল গতনুগতিকতা। এই গতানুগতিকতাৰ মাজতো মই সকলোৰে বাবে এক ব্যতিক্ৰমী চৰিত্ৰ। শৈশৱৰ দিনৰে পৰাই মোৰ জীৱন মাথো যন্ত্ৰণা। তীব্ৰ আৰু তীব্ৰতৰ হৈ উঠিছে সেই যন্ত্ৰণা আজিৰ এই বিশেষ মুহূৰ্ত্তটিত। আন বহুজনী ছোৱালীৰ দৰে ময়ো সপোন দেখিছিলো, ৰং বিৰঙৰ সপোনৰ ছবি আঁকিছিলো। অথচ সেই সপোন আনৰ দৰে শুকুলা ঘোঁৰাত উঠি কোনোবা সপোনকোৱঁৰে মৰমৰ চুমাৰে ওপচাই দিয়া বিধৰ নাছিল---- । মই সপোন দেখিছিলো সীমাহীন দৈন্যতাৰ মাজতো মুৰ

আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়েৰে জেহাদ ঘোষণা কৰিছিলো সমাজৰ তথাকথিত গোড়ামি, অন্যায় আৰু ভণ্ডামীৰ বিৰুদ্ধে। কিন্তু সমাজে, পৃথিবীয়ে মোক জয়ী ঘোষণা কৰিলেও জীৱনৰ কোনোবাখিনিত মই পৰাজিত হৈ গ'লো নেকি ? এইয়া আজিও মোৰ বাবে প্ৰশ্ন বোধক। কেৱল মাত্ৰ আত্মগৌৰৱ আৰু আত্মভিমানৰ বাবে মই জীৱনত কাকো প্ৰশ্ৰয় দিয়া নাছিলো ? সহস্ৰজনৰ আকুল আহ্বানেও উন্মুক্ত কৰিব পৰা নাছিল মোৰ যৌৱনক-মোৰ অনুভূতিক। গভীৰ আত্মপ্ৰত্যয় আৰু সংযমেৰে ঢাকি ৰাখিছিলো মই নিজক-মোৰ যৌৱনক-মোৰ অনুভৱক। সেয়ে মই বহুতৰ বাবে হৈ পৰিছিলো মাথো প্ৰহেলিকা---- কিন্তু কিমান দিনৰ বাবে ---- কিমান সময়ৰ বাবে ---- । মোৰ জীৱনলৈও আহিছিল এজাক ধুমুহা ---- এজাক প্ৰচণ্ড ধুমুহা ----। সেই ধুমুহাত মোৰ সপোনৰ ফুলবোৰৰ পৰা পাহিবোৰ সৰি পৰিছিল এটি দুটি কৈ। মই যন্ত্ৰণাত ভীষনভাৱে আঁহত হ'লো। একপ্ৰকাৰৰ নিহত ।

------- "প্ৰচুৰ অহংকাৰী আৰু আত্মগৌৰৱী তুমি আচলতে কেৱল নিজকেই ভাল পোৱা ---- । নিজকেই ভাল পাব পাৰা। তোমাৰ হৃদয়ত প্ৰেম নাই, অনুভৱ নাই ---- কবলৈ গ'লে তোমাৰ এখন হৃদয়ো নাই আনক ভাল পাব পৰাকৈ ----।" প্ৰচুৰ খং আৰু উত্তেজনাৰে সেই বন্ধুজনে কৈছিল - যি জন বন্ধুক মই সমাজৰ সহস্ৰজনৰ তীব্ৰ ভত্‌সনাকো নেওঁচি বন্ধু বুলি স্বীকৃতি দিছিলো। কিন্তু সেই সঁচা (?) বন্ধুজনে মোৰ পৱিত্ৰ সততাক মোৰ সৰলতাৰ সুযোগ লৈ মোৰ সঁচা বন্ধুত্বক ধৰ্ষিতা সজালে সমাজত। কিমান কলুষিত সেই ভালপোৱা --- সেই অনুভৱ। সেয়া বন্ধুত্বৰ ভালপোৱা হব নোৱাৰে - যি

পৃষ্ঠাটো সোঁৱৰি। এতিয়া মোৰ কাষত 'বন্ধুত্ব'ৰ সংজ্ঞা নাই ।

বন্ধুজনৰ পৰা প্ৰতাৰিত হোৱাৰ পিছত লাহে লাহে মোৰ দেহত কিছুমান বিশেষ ধৰণৰ যন্ত্ৰণাৰ উদ্ভৱ হ'ল ---- । যিবোৰ যন্ত্ৰণাই ইমানদিনে কেৱল মনত শিপাই আছিল সেয়া যেন পৰ্যবেক্ষিত হ'ল মোৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে। কিমান অদ্ভুত আৰু আশ্চৰ্যকৰ এই সংজ্ঞাহীন যন্ত্ৰণা ----! অস্বাভাৱিক ভাৱে শাৰীৰিক আক্ৰান্ত হৈ পৰিলো মই। চিকিৎসকৰ অবিৰাম চিকিৎসাৰ পাছত এটি অস্ত্ৰোপচাৰেৰে ৰক্ষা পৰিল মোৰ জীৱন। এসোপা ঔষধেৰে ভৰি পৰিল মোৰ জীৱনৰ দৈনন্দিন তালিকা। সেই ঔষধৰ তালিকাৰ বহু নামেই সলনি হ'ল ---- আজি সুদীৰ্ঘ দিন - - সুদীৰ্ঘ বছৰ ----। নাম নোহোৱা কৰিব নোৱাৰিলো মই সেই তালিকাৰ। সেই অসুস্থতাই আজিও মোক মুক্তি নিদিলে। এই অসুস্থতাই মোৰ বাবে অভিশাপ - -- মোৰ যাত্ৰাপথৰ হেঙাৰ ---। দুহাতত বলীয়া ঘোঁৰাৰ উদ্যম লৈ জীৱন পথত খোজ দিব বিচৰা মোৰ জীৱনৰ সেউজ প্ৰাণচঞ্চলতাখিনি হঠাতে হেৰাই গ'ল চিৰদিনৰ বাবে ---। মই আজিও অসুস্থ -- ভীষণভাৱে অসুস্থ। আজি জীয়াই থকাটোৱেই মোৰ জীৱনৰ একমাত্ৰ লক্ষ্য। মাথো হৃদস্পন্দনটো জীয়াই ৰখা ----।

পৰাণ, এতিয়া নিশ্চয় গম পালা মোৰ জীৱন ডায়েৰীৰ তেজলগা কথাবোৰ। স্পষ্ট-অস্পষ্টকৈ ধূসৰিত ছবিবোৰ। মোৰ মৌনতাৰ কথাবোৰ, মোৰ সৃষ্টিৰ নিৰৱতাৰ কথা ----। তুমিয়েই কোৱাছোন এতিয়া পৰাণ, তোমাৰ প্ৰস্তাৱত মই কেনেকৈ সানন্দে সন্মতি জনাওঁ। পংকিলতাৰে ভৰা তথা মোৰ অসুখীয়া দেহেৰে কেনেকৈ তোমাৰ ওচৰলৈ যাওঁ ? কিন্তু তোমাৰ সেউজীয়া 'প্ৰেমক' মই কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো। কিন্তু পৰাণ, এই প্ৰেম মানেই বিবাহ নেকি ? অন্ততঃ মই তেনেকৈ নাভাবো। "বিবাহ" নামৰ শব্দটো মই সুকীয়াকৈ বিশ্লেষণ কৰিব বিচাৰো। শৈশৱৰে পৰা দেখি আহিছো বিবাহ বন্ধনৰ পাছৰ কাৰ্য্য পৃথিৱীখন ---- য'ত প্ৰেমিকে-প্ৰেমিকাক, স্বামীয়ে - স্ত্ৰীক, স্ত্ৰীয়ে - স্বামীক মাথো প্ৰতাৰণা কৰে। অবিশ্বাসৰ অন্ধছায়াত পৰি স্পৰ্শ কৰে ইজনে সিজনক আৰু জন্ম দিয়ে ক্লীবতাৰ ---। মোৰ বাবে এয়া বিবাহৰ সফলতা হব নোৱাৰে। য'ত জীৱন নাই --- হৃদস্পন্দন নাই --- যাৰ সেউজ অনুভৱ নাই তেনে এজনৰ সতে কেৱল বাধ্যতামূলক ভাৱে সহাৱস্থান কৰাটো কেনে সহসনীয় কথা ---। দেখা পাইছো শৈশৱৰে পৰা নিৰ্মমভাৱে জীয়াই থকা অনেক মহিলাক যাৰ ওপৰলৈ মুৰ তুলি আকাশখন চোৱাৰো অধিকাৰ নাই স্বামীৰ কাষত ---। যাৰ অন্য এক নাম মৃত্যু।

পৰাণ, 'বিবাহ' শব্দটো মই সেই প্ৰসংঙ্গত অনা নাই, যিটো প্ৰসংঙ্গত মই তোমাৰ কাষৰ পৰা আঁতৰি আহিছো। ( প্ৰকৃততে তোমাৰ কাষৰ পৰা মই আঁতৰি আহিছো জানো ?) পৰাণ, এতিয়া মই আগৰ দৰে সপোন দেখো, সপোন দেখিব বিচাৰো ---কিন্তু - কিন্তু নিদ্ৰাভংগ নোহোৱাকৈ সপোন দেখিব বিচাৰো --- চিৰশান্তিৰে সপোন দেখিব বিচাৰো ---, কিয়নো এতিয়া মই মৃত্যু পথৰ যাত্ৰী।

শেষত,

----- হাজাৰ হাজাৰ মৰমেৰে ----

তোমাৰেই --------।□□

# পথৰুৱা ঘাটৰ সোণালী বাট

মঃ ইৰছাদ আলি
স্নাতক প্ৰথম বৰ্ষ

আমি মানৱ জাতিয়ে অতি জটিল সমস্যাৰ মাজেদি বৰ্তমান পৰিস্থিতিত দিন অতিবাহিত কৰিছো। “শ্ৰেষ্ট জাতি মানৱ জাতি” বুলি ক'লেই আমাৰ দায়িত্ব শেষ হৈ নাযায়। প্ৰকৃততে আমি শ্ৰেষ্ঠনে? ই বিচাৰ্য্য বিষয় আৰু ইয়াৰ উত্তৰ আমি প্ৰত্যেকজনে নিজৰ ওচৰতে বিচাৰি পাম।

বৰ্তমান এক ভাবিব নোৱাৰা ভয়াবহ পৰিস্থিতিত আমি মানৱজাতিয়ে দিনবোৰ অতিবাহিত কৰিছো। চাৰিওফালে কেৱল বন্দুক-বাৰুদৰ শব্দ আৰু হত্যা-গণহত্যাৰে ভৰি পৰিছে।বৰ্তমান কোনোৱে নিজৰ জীৱনটোক সুৰক্ষিত বুলি দাবী কৰিব নোৱাৰে। বৰ্তমান পৰিস্থিতিত প্ৰত্যেকজন মানৱে নিজৰ জীৱনটোক সুচাৰুৰূপে গঢ়ি তোলাত কঠিন হৈ পৰিছে। এনে এক জটিল পৰিস্থিতিৰ মাজেদি নিজৰ জীৱনটোক সাফল্যমণ্ডিত কৰি গঢ়ি তোলাৰ সংখ্যা আঙুলি মূৰত লেখিব পৰা। শিক্ষা অবিহনে ব্যক্তি যি দৰে সফল হব নোৱাৰে, ঠিক শিক্ষা দীক্ষাৰে দিক্ষীত এজন ব্যক্তিক সফল বুলি কব নোৱাৰি। কিয়নো বৰ্তমান সমাজত শিক্ষিত লোক থাকিলেও এই জটিল পৰিস্থিতিৰ সমাধানৰ বাবে আগবাঢ়ি অহা নাই।

তৰুণ প্ৰজন্ম সমাজৰ মেৰুদণ্ড স্বৰূপ, গতিকে আমি নিজৰ জীৱনৰ দিনবোৰ সাধাৰণভাবে অতিবাহিত নকৰি জীৱনৰ প্ৰত্যেকটো সময় অমূল্য সময় হিচাপে লৈ নিজৰ জীৱনটো তৰুণ প্ৰজন্মৰ বাবে আদৰ্শস্বৰূপ হিচাবে গঢ়ি যাওঁ তেন্তে তৰুণ প্ৰজন্মই আমি সন্মুখীন

ব্যক্তি হিচাপে গঢ়ি তুলি এখন সুস্থ সৰল সমাজ গঠনত অৰিহণা যোগাব পাৰিব।

এখন নিকা আৰু সুস্থ-সৰল সমাজ গঠনৰ বাবে গধুৰ দায়িত্ব আছে ছাত্ৰ-ছাত্ৰীৰ ওপৰত। এই ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ৰে হওঁক বা আন কোনো শিক্ষানুষ্ঠানৰে হওঁক। ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান আহৰণ কৰোতে নিজৰ ব্যক্তিগত স্বাৰ্থপূৰণৰ উদ্দেশ্য আগত নাৰাখি (চাকৰি বা নিয়োগৰ সুবিধা অৰ্জন) জ্ঞান অৰ্জনৰ উদ্দেশ্য আগত ৰাখি আৰু জ্ঞান অৰ্জন কৰি সমাজত এজন দক্ষ নাগৰিকৰূপে প্ৰতিষ্ঠিত হ'ব লাগিব। সমাজত এজন দক্ষ নাগৰিক ৰূপে প্ৰতিষ্ঠিত হোৱাৰ পাছত তেওঁ নিজৰ শিক্ষা জীৱনত অৰ্জন কৰা অমূল্য জ্ঞান সমাজৰ সমুহীয়া উদ্দেশ্য সাধনৰ বাবে প্ৰয়োগ কৰিব লাগিব। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰী জনসাধাৰণে বসবাস কৰা এখন শান্তিপূৰ্ণ সমাজ গঠনত মূল্যবান অংগ হিচাপে চিহ্নিত হব। ইয়াৰ প্ৰতি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী সচেতন হোৱা নিতান্তই প্ৰয়োজনীয়।

আমি কেৱল নীৰৱ হৈ থাকিলেও এখন সুস্থ সৰল সমাজ গঠন নহয়। ইয়াৰ বাবে সমাজৰ প্ৰত্যেকজন নাগৰিকে নিজ নিজ দায়িত্ব নিষ্ঠাৰে পালন কৰিব লাগিব। সমাজখনক নিকা কৰিবলৈ হ'লে প্ৰত্যেকজন নাগৰিকে অহিংসাৰ পথেৰে অগ্ৰসৰ হৈ এই হিংসা পূৰ্ণ সমাজখনক পৰিবৰ্তন কৰিব লাগিব অহিংসাৰে পৰিপূৰ্ণ এখন সমাজলৈ। কাৰ্য্যত ই জটিল

পথত অগ্ৰসৰ হৈ সমাজৰ প্ৰত্যেকজন নাগৰিক সফল হ'লে সমাজখন সাফল্যমণ্ডিত হব। আমি সকলোৱে জানো যে পৃথিৱীলৈ আমি যি দৰে এদিন আহিছো ঠিক তেনেদৰে আমি এদিন যাব লাগিব। পাৰ্থক্য মাত্ৰ এটাই মাতৃগৰ্ভত আমি পাইছিলো নিচেই কম ঠাই কিন্তু ভূমিষ্ঠ হৈ পৃথিৱীত দেহৰ আকাৰ ডাঙৰ হোৱা বাবে মৃত্যুৰ পিছত অৰ্জন কৰিম তাতকৈ অলপ বেছি ঠাই। গতিকে জন্মৰ পৰা মৃত্যুলৈকে এই সময়ছোৱাত পোৱা সময়খিনি অহিংসাৰ পথেৰে আগুৱাই এখন অহিংসাৰে পৰিপূৰ্ণ সুস্থ সৰল সমাজ গঠন কৰিব পাৰিম যদিহে সমাজৰ প্ৰত্যেকজন নাগৰিকে ইয়াৰ প্ৰতি আগ্ৰহী হয়।

মানৱ জাতিয়ে এই কথা মনত ৰখা উচিত যে মৃত্যু নিশ্চিত। মৃত্যু কোনোবা সময়ত আহিবই। এই মৃত্যু অহাৰ লগে লগে আমি সকলোৱে সাংসাৰিক মায়া-মোহ ত্যাগ কৰিম। আমি জীৱিত কালছোৱাত অৰ্জন কৰা অজস্ৰ ধন-সম্পদক আমি লগত লৈ যাব নোৱাৰো। আহিছো আমি এই পৃথিৱীলৈ যিদৰে অকলশৰীয়া হৈ ঠিক তেনেদৰে পৃথিৱী ত্যাগ কৰিমো অকলশৰীয়া হৈ। কিন্তু পৃথিৱীত থাকি যাব আমাৰ সৎকাৰ্য্যৰ পৰিচয় আৰু সন্মান, যদিহে আমাৰ জীৱনটোক আনৰ আদৰ্শ হিচাবে গঢ়িব পাঁৰো।

“মানুহ মৰণশীল” এই চিৰসত্য বচনফাঁকি স্মৰণ কৰি “সময় কম উদ্দেশ্য বৃহৎ” এই লক্ষ্য আগত ৰাখি আমি প্ৰত্যেকে এখন সুস্থ সবল সমাজ গঠন কৰো আহক। যি সমাজত জাতি-ধৰ্ম নিৰ্বিশেষে আমি সকলোৱে এডাল একতাৰ এনাজৰীৰে বান্ধ খাই শান্তিপূৰ্ণভাৱে বসবাস কৰি দেশ আৰু সমগ্ৰ মানৱজাতিৰ প্ৰগতিৰ ওপৰত গুৰুত্ব দিব পাৰিম।□□

# Truth

Sri Santab Dey
T.D.C. 3rd year

*Man with his burning soul*
*Has but hour of breath*
*To build a ship of truth*
*In which his soul may sail*
*For death take toll*
*Of beauty, courage, youth,*

# Defect in our Present System of Education

Nabiur Rohman Borah
T.D.C. 3rd Year.

There was a time, when India was noted all over the world as a glorious centre of education and culture, where students from all parts of the globe used to pour in. The educational and cultural centres of Nalanda, Taxila and Prayag attracted students from places, as-far-as Egypt, Greece, China, Ceylon and Indonesia. It was an ideal system of education, which apart from disseminating sweetness and light, infused into the mind of the pupils and spiritual urge for coming in contract with the kingdom of the absolute. But now when we look at the present state of affairs in our country, the change shocks us deeply. It is asserted with great regret by persons of almost every shade of opinion that our educational system has not undergone any change with the changes brought about by political independence.

The crowning defect of our existing educational system that requires the immediate and earnest consideration is its excessively passive and mechanical character. The Student plays no active role

chanical. Things are loaded on his mind which he cannot digest; he only crams and therefore they never become his own. Our educational system in the words of Dr. Annie Besant, is just "Filling boy's head with a lot of disjointed facts poured into the heads as into a basket; to be emptied out again in the examination room, and empty basket Carried out again into the world." This is the reason Why a Student who succeeds so well in his college examination fails miserably in the examination of life.

The existing system of our education is predominantly academic and theoretical. It is theoretical as a rule and practical by chance as Maulana Azad observed, "There is no adjustment between the system of our education and the needs of our life." The Students is taught lessons from books, but not lessons from life. In other words he is provided with knowledge, but not with wisdom. He is obliged to know the history of Greece of 2000 Years ago, but he knows nothing of what is happening in our own country today

nicipality of his own town.

Now we come to the question of moral and cultural devlopment of our student. What do our universities do for their character-building? We have to admit sadly that today their function finishes with imparting the students bits of information. They do not incalculate in them a love of virtue and rightcousness, a sense of selfrespect and personal dignity. In the past a student was taught to be God-fearing, to love and practice the rules of religion, to obey his parents and respect his teachers. But today the false glamour of western civilization has led our students astray and they have forgotten the noble ideals and traditions of past culture. our Schools and colleges still run on there lines that were laid down by Macaulay. Their courses of study and text-books do not breathe the air of freedom and national independence. They have no love for learning for its own sake and hence no sense of respect for teacher. The bond between the teacher and the taught is unnatural, purely economic and official. The problem of growing indiscipline among the students is something which reflects seriously on our educational institutions.

Our student

bodies. Groups of pale, thin youths meet the eye at the portals of colleges and universities.

This is so because there is hardly any provision in our colleges and universities for systematic physical training, games and sports and other extra-curricular activities. The want of physical training leads the students to loss in other ways also. They do not learn the dignity of labour. They begin to shun, labour of every kind, physical or intellecual. They become idle, ease- loving and extra-vagant. Gandhiji mourned this neglect of physical work in our system of education.

Considering the general standard of living in the country, it is definite that our system of education is highly expensive. Even for the upper-middle class people higer education in our country has become a white elephant.

In a way, our education has become a sort of pastime luxury, a form of amusement, like many other modern things of entertainment. Students go to schools and colleges more for the sake of amusement than instruction. Our class- rooms have an appearance almost of a cinema hall, well-furnished with chairs and electric fans and the black board

actor trying to please his audience by his saucy remarks, pleasant stories and copious display of antics.

The commonest criticism against our educational system is that it does not help us in earning our bread. Our Colleges and universities are like factories that produce graduates in quick succession just as a machine issues forth pins and needles one after another on a mass scale. Every year millions of graduates are turned out from these literary factories, who wander into the wide world in their vain efforts to find emplaoyment. In life their is no demand for these university products. The result is that the more our education expands, the more the ranks of the educated unempoyed swell. In the last few years, there is no doubt, our education has improved greatly but only quantitatively, not qualitatively. "What the nation requires is not merely more education, also better education, and what will ultimately, count in the progress of the race is not the quantity alone but the quality of our education as well."

In view of the foregoing defects and shortcomings, our system of education calls for a radical change. One of the first and the greatest task that faces us today is to overhold and reconstruct our educational machinery , for it is on the regeneration of our education machinery, that the regeneration of the nation depends We have to devise as-early-as possible as comprehensive national scheme of education which seeks to bring about a complete and harmonious development of all the factors of human personality. xxxxxxx

*Two men looked out through*
*The same bars*
*One sees the mud and*
*One the stars.....*

# MISTAKES AND FAILURES MAY HELP

Mamata Jain
H.S 1st year(Science)

We all make mistakes.To err is human. All great-men have made mistakes and benefited from them. when we make a mistake, we should not be afraid of about it. Don't look back at it far long. Take the remedieal measuye to your mistake. Look forward. mistakes must be regarded as lessons of wisdom. One should, therefore, never be afraid of mistakes. But we must remember that mistakes do and can happen. If you are afraid of making mistake, you may never begin at all. If you don't try, if you don't make any attempts, the question of making mistakes may not arise. But then the question of making progress and gaining your goal also does not arise. Often mistakes teach us important lessons and tell us how we can avoid bigger and more costlier mistakes.

One should learn from every mistake, he makes. As we have seen, men have not become great because they never make mistake, but because they had the wisdom to learn and benefit from mistakes. one should not be weighed down because of the mistakes committed. It should not be in hibit his further actions. On the other hand, he should take courage from the lesson he has learnt from mistake. He must go ahead with greater confidence.

"FAILURE": It is a seven letter word which shatters a life, a hope, a dream, leaving the person broken. And it often leads to death. But, actually it is the step or the pillar to success. and embrace death? No, Certainly not.

Failure is not and never a crime. Sensibility lies in accepting the failures. You are not perfect. None of us are. You too have your weaknesses and drawbacks. But always remember that despite your imperfections, there is someone believing in you, supporting you, and accepting you. Not because he/she is under any obligation to do so, but because she/he loves you anyway for what you are and not far what you do.


Failure is natural and universal. The solution lies in not running away from it but facing and over coming it. Avoid being an escapist. It is easier to escape, but never forget that, an escpist will never know what it is to walk tall. Accept your failures. Learn to cope with them. Try to realise your dignity and worth and do not be discouraged by temporary setbacks. Your yesterday's pains and disappoint ments can become the stepping stones to tomorrow's joys and successes. Always remember, despite your drowbacks, no other person like you is present in this whole is. also a sweeter side to you. Put your past behind and develop your hidden charm. One day, a Masterpiece will shin though you.

Its' true that as of today, your dreames are mere castles in the air. But than that's where they belong in the air. Now, it is upto you to put toundations under them. If you believe in yourself, you will be able to achive

# মোৰ কবিতা

কৰবী ৰাজকুমাৰী
স্নাতক দ্বিতীয় বাৰ্ষিক (ক'লা শাখা)

পোহৰৰ চিপাত মণি পিন্ধি
মাজনিশা ওলাই আহে তাই
ৰুণুক জুনুক খোজেৰে
নতুন সাজেৰে
নতুন আশাৰে....
জালিকতা জোনাকৰ ধৰাল চিকমিকণিয়ে
পোহৰাই তোলে তাইৰ গা
নাম থলো তাইৰ 'কবিতা'।
'কবিতা' মোৰ, দুভাগ ৰাতি
কাৰোবাৰ বাঁহীৰ সুৰত নাচি উঠা
এলানি শব্দৰ মালিতা।
নিঠৰুৱা তাই অভাগিনী
দুহাত মেলি কৰিছে হাহাঁকাৰ
বিচাৰি এধানি মৰম আকুলতা
দুহাত মেলি মৰো জনালো আহ্বান।
তায়েই মোৰ হাঁহিৰ লগৰীয়া
তায়েই মোৰ দুখৰ সমভাগী
তাইৰ গাত দেখা মোৰেই প্ৰতিচ্ছবি।
'কবিতা' মোৰ মেহনতী হাতৰ ৰূপ
তাইৰ দেহৰ অংগে অংগে জাতিস্মাৰ হৈ আছে
মোৰ ক্ষোভ হাঁহি কান্দোন আৰু বহুতো
দোভাগ ৰাতি বাজে আমাৰ মিলনৰ সুৰ
'কবিতা' মোৰ মঘাই ওজাৰ ঢোলৰ ছেওত
নাচি উঠা এলানি শব্দৰ মালিতা।
ছুৰিৰ কেঁচা তেজ হাতত লৈ কৰিছে তাই অংগীকাৰ
কালোক-কালিমা, অসূয়া-অনীতিবোৰ কৰিব তাই ছাৰখাৰ।
যাব মোৰ কবিতা কোলাহলৰ মাজেদি




# দুখৰ ৰাতিবোৰ

অনুভৱ কুমাৰ
স্নাতক প্ৰথম বৰ্ষ (প্ৰাণী বিজ্ঞান)

মোৰ দুখৰ ৰাতিবোৰ
নেযায় নুপুৰায়
জীৱনটো হেনো এনেকৈয়ে
দিনৰ পাছত দিন
ৰাতিৰ পাছত ৰাতি
সময়ৰ কাল গহ্বৰত
বিলীন হব খোজা
স্মৃতিৰ পাপৰি
পানীৰ সোঁতত
এনেকৈয়ে
উটি-উটি যায়
মাজে মাজে চাকনৈয়া পাতে
পুনৰ ভাগে
থমকি নৰয়
লুইতেদি পাৰগৈ
সাগৰত...□□






# পৰিচয়

পূৰ্ণানন্দ ৰাজকোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ

আইৰ কোলাতেই জনম লৈ
কোনে দিলে? নাজানো!
হৃদয়ৰ মধুৰ পৰিচয়।
আপোন চিনা, আপুনি নেজানো;
নেজানো পিছে
হৃদয়ৰ মাথোঁ মধুৰ পৰিচয় কিবা।
তথাপিও
হৃদয়তেই মোৰ দেখোঁ
হৃদয়ৰ মাথোঁ মধুৰ পৰিচয়ৰ কথা
তেওঁলোকে লৈ থাকে কতজনৰ
মধুৰ মিলনৰ বুজা
কিনো লাজৰ কথা
মিলন সৰগৰ বতৰা।
তাতে মই কম হৃদয়ৰ মধুৰ
ৰক্ত গোলাপৰ পুলি।
মধুৰ পৰিচয় বুকুত
সদায়েই দিম পানী,
গাতে লম পাতি
নিদিওঁ হ'বলৈ মৰুভূমি।
বসুৰ সজীপত জগত পোহৰ কৰি
সূৰ্য্য উদয় হ'ব আকউ।
ভোমোৰাৰ করুণ গুণ গুণণি শুনি
ৰক্ত গোলাপ জুপিয়ে
বতাহৰ আলাসতে
দিছে হালি-জালি।
ভোমোৰা আহি
কিনো গোলাপৰ পাহিতে চুমা-চুমি
সচাঁ পৰিচয়ৰ আশাজুৰি
মানৱৰ প্ৰকৃত আত্মাই
গঢ়িছে সচাঁ বন্ধুত্ব ৰেখা।
হৃদয়ে হৃদয়ে পৰিচয় মাথোঁ
অংগে অংগে চুমা-চুমি খেলা।
নিদিবা মিছা পৰিচয় ভাষা।
জানানে বন্ধু

## কবিতাৰ এবুকু মৰম বিচাৰি

ৰিন্তু টায়ে
স্নাতক তৃতীয় বৰ্ষ



নতুন সুৰ দি গাবলৈ শিকিছোঁ
সূৰ্যাস্ত আৰু সূৰ্যোদয়ত
পখীৰ কাকলিত
মুখৰিত গানবোৰ,
নতুন কৈ চাবলৈ শিকিছোঁ
অৰ্ধনগ্ন প্ৰকৃতিৰ সুষমাবোৰ।
উদীয়মান প্ৰতিভাবোৰ
নীলা আকাশৰ লগত মিলিব খোজা,
উৰো উৰো বুলি
প্ৰয়াস কৰা,
অখ্যাত বাহত থকা উদ্বিগ্ন
চৰাই হালৰ পোৱালীৰ দৰে।..

## সমাধিস্থলত এটি কলম

শিখা জ্যোতি বড়া
স্নাতক তৃতীয় বৰ্ষ।

নিশাৰ নিদ্ৰাদেৱী নামি আহি ছিল পৃথিৱীৰ
বুকুলৈ
নিদ্ৰিত হৈ ছিল ভাগৰুৱা পৃথিৱী,
মাত্ৰ সাৰে আছিলোঁ মই অকলশৰে
আৰু সাৰে আছিলা তুমি,
নিৰৱে সমাধিস্থলত।
তোমাৰ কালান্তশ্ৰান্ত দেহ নিৰবে পৰি ৰৈছিল
শ্বহীদ বেদীৰ গোপন কক্ষত,
কাৰণ তুমি যুঁজি যুঁজি ভাগৰুৱা হলা
আৰু মই! মই সাৰে আছোঁ নিশাৰ পিছত নিশা
হাতত এটি কলম লৈ
নতুন কাব্যৰ ভাষা বিচাৰি।
তোমাৰ দৰে শত শ্বহীদৰ, দেশভক্তৰ
অশ্ৰু আৰু তেজৰ মিহলি চিঞৰহী
উৰে নিশা সাৰে আছে মোৰ সতে
নতুন কাব্যৰ ছন্দ বিচাৰি॥..



## তোমাক মই বহু কথাই কম......

নৱ জ্যোতি বৰগোহাঁই
উ:ম: ২য় বৰ্ষ

এতিয়া মোৰ প্ৰতিটো নিশাই
তুমি অহাৰ কথা কয়
সংগোপনে সাঁচি ৰখা মৰমৰ দাগবোৰ
সিঁচৰিত হৈ আছে
মোৰ উৰাঁশি যোৱা বিচনাখনৰ
দুয়োটা গাৰু কিম্বা তুলিখনত........
আকাশীতৰা, তুমি আহিলে
তোমাক মই বহু কথাই কম
বিনিদ্ৰ ৰজনী পাৰ কৰা
প্ৰতিটো ৰাতিৰ কথা
নতুবা, সাগৰ সিঁচি
বুটলি অনা মনিকৰ কথা
আকাশৰ নীলা বোৰৰ মাজত
হেৰাই যোৱা
প্ৰতিটো বসন্তৰ কথা , মোৰ পদুলিত ৰোৱা
গোলাপ জোপাত মৰহিব ধৰা
এটি কলিৰ কথা...... ।
আকাশীতৰা,
তোমাৰ মনৰ বেথা কথা
তুমি জানিবা নিৰৱ নিশা
এআৰত মৰহিব ধৰা
সেই কলিটিৰ গোপন বেথা,
আমাৰ গাওঁৰ মাজেদি বৈ যোৱা
সেই যে দিহিংখন
তাৰ প্ৰতিটো ঘাটত সিঁচঁৰিত হৈ থকা
মোৰ শৈশৱ, কৈশোৰৰ কথাও মই কম
লগতে এবাৰবাৰীৰ চুজৰ কথা ! শুনিবা.......
নাই, নালাগে,
কাৰণ গোটেই নিশা মই ৰহি থাকিম
তোমাৰ দুহাতিলৈ চুমকুৰ,




## এজাক বৰষুণৰ দৰে

জ্যোতিপ্ৰসাদ চাবুকধৰা
স্নাতক প্ৰথম বৰ্ষ(অসমীয়া বিভাগ)

ক'ত হেৰায় গ'ল
মোৰ যৌৱনৰ প্ৰথম স্পন্দন

বাচৰ ভিৰৰ মাজত
নে দুঃ সময়ৰ কুটিলতাৰ গৰাহত

সেই যে স্পৰ্শ
কি যে শিহৰণ


এজাক বৰষুণৰ দৰে
আহিছিল নে কি তেওঁ
যি মোৰ দুচকুৰ টোপনিৰ বাগিচালৈ
নমাই আনিছিল
আৰতৰীয়া বসন্তৰ উৎসৱ

আনিছিল নে কি সেই সুৱাস
যি সুৱাসত মতলীয়া হৈ
আজিও উভতিব খোজে মোৰ
তেজৰঙা সময়ৰ
ছন্দোময় অনুভৱ

ক'ত হেৰাল মোৰ
ক্ষনিকৰ সেই অপহৃতা আগমন
যি য়ে আহিছিল
এজাক বৰষুণ হৈ.......... ।□□

# এটা কবিতাৰ জন্ম

সুৰভী ফুকন
স্নাতক তৃতীয় বৰ্ষ কলা শাখা



মোৰ দেহত এটা কবিতা পোখা মেলিছে
যি কবিতাত আছে
হৃত-সহস্ৰজনৰ দুখৰ হুমুনিয়াহ।
এমুঠি অন্নৰ তাড়নাত আটাহ ফলা
ক্ষুধাতুৰ জনৰ শৰীৰত
নিপিড়ীত জনগনৰ দেহাবয়বত
প্ৰাণ পাই উঠে মোৰ তেজৰ
উত্তপ্ত কবিতাই;
শান্তিৰ পৃথিৱীৰ অলক্ষিতে
গঢ় লৈ উঠা.........
বিশৃংখলিত পৃথিৱীৰ অৱৰূপ
এয়াই মোৰ কবিতাৰ উৎস।।
মোৰ কবিতাৰ স্থিতি
চহৰৰ বৃহৎ পকীঘৰবোৰত নহয়
নহয় কিম্বা বিভূতি ঐশ্বৰ্য্যত।
ৰাস্তাৰ কাষৰ জৰাজীৰ্ণ ঘৰটোত,
য'ত পৰি আছে শৰশৰ্য্যাগত ভিক্ষাৰীটো
তাতেই মোৰ কবিতাৰ স্থিতি।
কাতৰ-আৰ্তনাদত টেঁটুফলা
মোৰ ধৰ্ষিতা ভগ্নী
পংগু হোৱা সহোদৰ ভাই,
ইহঁতৰ প্ৰতি মোৰ দুচকুৰ
দুটোপোল তপত লোতক।
নিজৰ অলক্ষিতে সেয়ে মই
তুলি লওঁ শব্দৰ অনুকম্পা

মৃত্যুৰ শেতেলীৰ পৰি থোৱা
আইৰ শুকান মুখখনিত
অশ্ৰুৰ কৰাল,
বৃদ্ধ দেউতাৰ কাতৰ হুমুনিয়াহ;
তেতিয়াই জাগ্ৰত হয়
মোৰ প্ৰতিটো অনুভূতি
ভদ্ৰতাৰ মুখা পিন্ধা
সমাজৰ বিৰোদ্ধে,
আৰু গাদীত বহি আদেশ দিয়া
চৰকাৰৰ পোহনীয়া বাঘবোৰৰ উদ্দেশ্যে।
মোৰ কবিতা ঝংকাৰিত হয়
তেজৰ শিৰে শিৰে
মুহূৰ্ততে প্ৰসৱৰ বেদনাত ছটফটাই উঠে

# তোমালৈ

জিৎ বৰ গোহাঁই
স্নাতক দ্বিতীয় বৰ্ষ(কলা শাখা)

জীৱনৰ প্ৰথম পথত
তোমাৰ লগত চিনাকী হৈছিলো যেতিয়া,
আঁকি লৈছিলো তোমাৰ ছৱিটি
মোৰ নিভাঁজ কোমল হিয়াত।
আগবাঢ়ি গ'লো নিজকে পাহৰি
তুমি মোৰ নয়নৰ আগত
চকু মুদি অনুভৱ কৰিলো যেতিয়া,
তুমি মোৰ হৃদয়ৰ নিভৃত কোনত।
কিন্তু –
আজি মোৰ ভগ্ন হৃদয়
অন্তহীন সুৰ বিষাদৰ
চকু মেলি চালো যেতিয়া,
তুমি মোৰ দূৰ অতীতৰ।
নিৰাশাত ভগা মোৰ হিয়াখনি
আজিও ক্ৰন্দনত পৰিছে ভাগৰি,
তুমি যদি পাহৰি যোৱা মোক
কোনে তেনে লব আদৰি?
নাই। ক'তো নাই মৰমৰ চিন
মিছাঁকিয়ে মৰীচিকাৰ পিছে পিছে ফুৰিলো
বিছাৰি,
কান্দিবৰ শকতিও নাই;
কেৱল যন্ত্ৰণা বিষাদৰ।
চকুযুৰি মুদাৰ আগেয়ে
চালা আহি একাজঁলী সঁচা মৰম,
মৰনৰ আগেয়ে এবাৰ
হওক সাৰ্থক মোৰ দুৰ্ভগীয়া জীৱন।□□



# My Childhood....

Mamata Jain
H.S. 1st year (Science)



OH! I miss my Childhood
Full of fun and so good
How I wish I was a child again,
How I wish I was born again.
Laughing and chasing animals.
Tiny feet covered with mud,
Jumping and laughing round;
Round and round all-around.
With mouth full of chocolates,
Pushing and hanging on gates
Playing with friends all day long;
Sharing smile and singing songs.
How I wish I was child again.
How I wish I was born again.##


# LIFE

Jibanjyoti Hazarika
T.D.C. 1st Year



What is life
life mean to struggle
Or to lay down
In thy foe's feet
Life means to be riched
Not by sucking the poor
But to stand thyself
Only in thy own feet.
Life means to reach in thy goal
By the right path thy walk

মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে -



ড° বুদ্ধিন গগৈ ঃ এখেতে অসমৰ আপুৰুগীয়া সম্পদ মুগাৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰি মহাবিদ্যালয়খনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।




ড° জ্যোতিমা ফুকন ঃ এখেতে ১৯৯৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধিনত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। এখেতৰ গৱেষণাৰ বিষয় আছিল certain Aspects of Biology of Eretheistes Pussilus Muller and Troscel, Cat fishes in Brahmaputra Drainage System।

শ্ৰী ৰামেশ্বৰ কুৰ্মী ঃ এখেতে ২০০০ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক (২+১) পৰীক্ষাৰ দ্বিতীয় খণ্ডত বুৰঞ্জী বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনে।


শ্ৰীমতী জোনালী কোঁৱৰ ঃ ২০০০ বৰ্ষৰ স্নাতক (২+১) দ্বিতীয় খণ্ডৰ পৰীক্ষাত শিক্ষা (Education) বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনে।

ঃ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল ঃ



শ্ৰী নিৰঞ্জন সোনোৱাল
উপ-সভাপতি


ফটোত অনুপস্থিত
সাধাৰণ সম্পাদক
শ্ৰীবিজু প্ৰধান



শ্ৰী প্ৰণয়জ্যোতি ফুকন
সহঃ সম্পাদক





শ্ৰী প্ৰশান্ত সোনোৱাল
লঘু খেল বিভাগৰ সম্পাদক




শ্ৰী জোন ফুকন
সাংস্কৃতিক সম্পাদক









মঃ নবিউৰ ৰহমান বৰা
তৰ্ক বিভাগৰ সম্পাদক




শ্ৰী বিতুল বুঢ়াগোহাঁই
সাহিত্য বিভাগৰ সম্পাদক



শ্ৰী জয়ন্ত জীৱন শইকীয়া
ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদক




শ্ৰী প্ৰশান্ত শৰ্মা
গুৰু খেল বিভাগৰ সম্পাদক



শ্ৰী বিশ্বজিৎ পাল
সমাজ সেৱা বিভাগৰ সম্পাদক

ফটোত অনুপস্থিত
শ্ৰী দ্বীপেন বৰা, সংগীত বিভাগৰ সম্পাদক।
শ্ৰীমতী নিজুমণি চাংমাই, ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা।



শ্ৰী চম্পক গগৈ
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক

শ্ৰীমতী গীতাঞ্জলী ফুকন, স্নাতক তৃতীয় বৰ্ষ ক'লা শাখা। শ্ৰী ৰূপম বৰা, স্নাতক



মহাবিদ্যালয়ৰ সমুখৰ তোৰণ খন

